ASSAM LEGISLATIVE ASSEMBLY DEBATES

OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE THIRTEENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

NO - 7

The 12th March, 2013

Price : Rs. 424

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

TUESDAY, THE 12TH MARCH, 2013

The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Pranab Gogoi, Speaker in the Chair.

STARRED

QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : Starred Question No. 101, Hon'ble Member, Shri Hafiz Bashir Ahmed.

Sub : Schemes under Soil Conservation.

Shri Hafiz Bashir Ahmed asked :

*101. Will the Minister of Soil Conservation be pleased to state:

a) Whether any schemes has been taken under this department during the last three years including the current year?

b) If so, the details thereof : with special reference to Dhubri District?

c) How many of them have been completed? (Progress report of all schemes along with amount allocated against each scheme may be furnished)

Dr. Ardhendu Kumar Dey (Minister, Soil Conservation) replied :

a) This Department has taken up the following schemes during last three years including the current financial year.

1) Land Development Schemes
2) Land Reclamation and Water Distribution Schemes
3) Gully Control Works
4) Protection of Riverine Land Schemes
5) Cash Crop Development Schemes (Rubber)
6) Protective Afforestation
7) Nature Conservation
8) Soil Survey
9) Building and Approach Road

b) The Department has taken up f6nowing schemes in Dhubri District as shown below:-

Sl. No.	Year	Name of Scheme
		1) Sonamoyee Protective Afforestation 2) Gangavihora Gully Control Project

1	2010-11	3) Khailshamari Protection of Riverine Land
		4) Maintenance of Jeoli Protective Afforestation
		5) Chalakura Land Development Project
2	2011-12	1) Alomgani Pt-IX Land Development Project
		2) Borkona Protective Afforestation
		3) Maintenance of Sonamoyee Protective Afforestation 2010-11
		4) Maintenance of Jepli Protective Afforestation 2008-09
3	2012-13	1) Nathpara Gully Control Project
		2) Adabari Land Reclamation and Water Distribution Project
		3) Tegnamari Protection of Riverine Land

c) All works upto 2011-12 have been completed and statement of the Progress Report along with amount

allocated against each scheme is enclosed as Annexure -I. (See Annexure-I)

The works for the year 2012-13 is presently under progress and will be completed within this financial year.

Shri Hafiz Bashir Ahmed : Hon'ble Speaker Sir, in response to my question the concerned Minister has given replies that there are 9 schemes which are being going on in the State. I want to ask whether these schemes are being taken up by the Government and what are the implementation report? Are there any survey report or any guidelines?

* **Dr. Ardhendu Kr. Dey (Minister) :** Hon'ble Speaker Sir, in reply to the question put by the Hon'ble Member I would like to answer that all the schemes are adopted by the Govt. and that were adopted after proper survey.

Shri Hafiz Bashir Ahmed : In the replies it is seen that in Dhubri District Govt. has adopted 4 schemes only for Rs.21 lakhs. In the year 2011-12 only Rs.13 Lakhs, 2012-13 Rs.15 lakhs. Why these poor fund sanctioned for the purpose as the schemes are very important for the development of the common people basically the agriculture sector?

---

* Speech not corrected

* **Dr. Ardhendu Kr. Dey (Minister) :** We have the necessary survery report of the project and funds have been sanctioned according to the budget provision.

Mr. Speaker : Starred Question No. 102, Hon'ble Member, Shri Sherman Ali Ahmed.

Sub : MLALAD Schemes.

Shri Sherman Ali Ahmed asked :

102. Will the Minister of Planning and Development Department be pleased to state:

(a) Is the govt. aware that there is almost always inordinate delay at the level of the Deputy Commissioner, Barpeta in releasing fund for each and every schemes under MLALAD Scheme?

(b) Is it also true that repeated objections are raised before releasing fund for any scheme under MLALAD causing inordinate delay?

(c) If answer to question (a) & (b) above are yes, Would the Govt. be pleased to fix responsibility on the erring official responsible for causing inordinate delay in release of fund for each scheme under MLALAD ?

(d) If answer to question (a) & (b) above are No, would the Govt. be pleased to institute a high level enquiry to find out the causes and the persons responsible for such inordinate delay in release of fund for each

scheme under MLALAD and inflict exemplary punishment on the erring official so that such delay does not recur in future?

Shri Tanka Bahadur Rai (Minister of Planning and Development) replied :

(a) Deputy Commissioner, Barpeta reported that no inordinate delay is caused in releasing of MLALAD fund.

(b) Delay for according Administrative Approval and sanctioning of fund in certain schemes is caused due to non receipt of required particulars viz, (i) receipt of recommendation of inadmissible schemes (ii) plan & estimate with T.S. from the competent technical authority (iii) land documents and (iv) pre work's site photographs etc.

(c) Does not arise.

* শ্রীশ্বেৰমান আলি আহমেদ ঃ অধ্যক্ষ মহোদয়, মোৰ প্রশ্ন আছিল— Is the Government all are that there is almost always inordinate delay of the level of the Deputy Commissioner, Barpeta in releasing fund for each and every schemes under MLALAD Schemes?

কিন্তু মন্ত্রী মহোদয়ে উত্তৰত কৈছে পলম হোৱা নাই। মন্ত্রী মহোদয়ে পলম নোহোৱা বুলি কৈছে, কিন্তু 'দিলে' কেনেকৈ হয় মই তাৰ এটা উদাহৰণ দিব বিচাৰিছো। অধ্যক্ষ মহোদয়, মই ২০১১ চনত কেইটামান আঁচনি বিকোমেণ্ড কৰি দিছিলো এম এল এ ফাণ্ডৰ। তাৰ ভিতৰত

* Speech not corrected

আছিল মহিলা কমিউনিটী হ'ল এটা কদমতলাত দিয়াৰ বাবে। প্ৰথমতে আহিল মাটিৰ পট্টা নাই। তাৰ পিছত কোৱা হ'ল যে যিজনৰ নামত পট্টা আছে তেওঁৰ পৰা এন অ' চি আনিব লাগিব। এন অ' চি অনাৰ পিছত উপায়ুক্তই ক'লে যে চার্কোল অফিচাৰে ভেৰিফাই কৰি ৰিপোর্ট দিব লাগিব। তাৰ পিছত মানুহখিনিয়ে চার্কোল অফিচাৰক লগ কৰিলে, তেতিয়া চার্কোল অফিচাৰে মণ্ডলক লগ কৰিবলৈ ক'লে। মণ্ডলক লগ কৰাত মণ্ডলে সময়ৰ অভাৱ দেখুৱাই কিছুদিন পলম কৰিলে। শেষত যেনিবা মণ্ডলক কিছু পইচা-পাতি দি ৰিপোর্ট দিয়া হ'ল। কিন্তু অধ্যিক্ষ মহোদয়, ২০১১ চনৰ পৰা আজিলৈকে পইচা ৰিলিজ হোৱা নাই। এনেকুৱা অবজেকচন কৰি থাকে যে ২০/৩০ বাৰ পর্যন্ত এটা কামৰ বাবে ডি চি অফিচলৈ যাবলগীয়া হয়। ইয়াৰোপৰি আগৰ এম এল এ জনৰ দিনতো বাঘবৰ মন্দিয়া ৰাস্তাটোত ৬টা স্কীম লোৱা হৈছিল। ইয়াৰে ৫টা এম এল এ ফাণ্ডৰ আৰু এটা এনৰেগাৰ। যদি এনেকুৱা 'দিলে' হয় তেতিয়াহ'লে কামবোৰ হ'ব কেনেকৈ?

* **শ্ৰীটংক বাহাদুৰ ৰাই (পৰিকল্পনা আৰু উন্নয়ন মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই তেখেতৰ সমস্যাটো জানো। তেখেতৰ ৩৪টা স্কীমৰ ভিতৰত ২৯টা এপ্ৰোভ হৈছে। অধ্যক্ষ মহোদয়, মই এপ্ৰিলত অসমৰ সকলো জিলালৈ গৈ ৰিভিউ মিটিং কৰিম আৰু সেই ৰিভিউ মিটিঙত বিধায়কসকলৰ যদি কিবা সমস্যা আছে সেইখিনি তাতেই সমাধা কৰাৰ ব্যৱস্থা কৰিম।

মাননীয় অধ্যক্ষ ঃ আপোনাক যিটো কমপ্লেইন দিছে যে এটা কামৰ বাবে মানুহবোৰ ডি চি অফিচলৈ বাৰে বাৰে যাবলগীয়া হৈছে, এইটো বৰ আনফৰচুনেট হৈছে। মই আশা কৰো আপুনি এই বিষয়ে এটা বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

* **শ্ৰীটংক বাহাদুৰ ৰাই (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, তেখেতে মোক কমপ্লেইনটো দিয়াৰ পিছত মই ডি চিক ফোন কৰিছো।

* **শ্ৰীৰফিকুল ইছলাম ঃ** অধ্যক্ষ মহোদয়, এইটো এটা টাইম বাউণ্ড কৰি দিব লাগে।

---

* Speech not corrected

আঁচনিটো দিয়াৰ পিছত কি কি বস্তুৰ দৰকাৰ হ'ব এই বিষয়ে আমাক ১/২ মাহৰ ভিতৰত জনাই দিব লাগে। বস্তুখিনি জমা দিয়াৰ পিছত কিমান দিনৰ ভিতৰত কামটো কৰিব আৰু যদি নির্দিষ্ট কৰি দিয়া সময়-সীমাৰ ভিতৰত কামটো নকৰে তেতিয়া কি ব্যৱস্থা লোৱা হ'ব এই বিষয়ে মন্ত্রী মহোদয়ে জনাব লাগে।

* **শ্রীটংক বাহাদুৰ ৰাই (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে মই সকলো জিলালৈ গৈ ৰিভিউ মিটিং কৰিম। তেতিয়া যদি কোনোবা এম এল এৰ কিবা সমস্যা থাকে সেইখিনি তাতেই সমাধান কৰাৰ ব্যৱস্থা লোৱা হ'ব।

Mr. Speaker : Starred Question No. 103, Hon'ble Member, Shri Monoranjan Das.

বিষয় ঃ চিলিং ছাৰপ্লাছ মাটি।

শ্রীমনোৰঞ্জন দাসে সুধিছে ঃ

১০৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত বর্তমান Ceiling on Land Holding Act ৰ জৰিয়তে পোৱা কিমান বিঘা মাটি (Ceiling Surplus) মাটি আছে আৰু এই চিলিং উদ্ধৃত মাটিৰ কিমান পৰিমাণৰ মাটিত বেদখল আছে?

(খ) চিলিং উদ্ধৃত (Surplus) মাটি কিমানজন মাটিহীন লোকৰ মাজত বিতৰণ কৰি আবণ্টন দিয়া হ'ল? (জিলা ভিত্তিক তথ্যদিব)

(গ) বৰপেটা জিলাৰ বজালী চক্রৰ অধীনত চিলিং ছাৰপ্লাছ মাটি কিমান বিঘা? (গাঁও ভিত্তিক তথ্য সদনত দাখিল কৰিব) চিলিং ছাৰপ্লাছ মাটি (বজালী ৰাজহ চক্রৰ) কাৰোবাক আবণ্টন দিছেনে?

(ঘ) যদি দিছে আবণ্টন দিয়া লোক আদিৰ তালিকা সদনত দাখিল কৰিব?

শ্রীপৃথিৰী মাঝি (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২৭ খন জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি অসমত বর্তমান Ceiling on Land Holding Act ৰ জৰিয়তে পোৱা ১১,২০,৮০৪

বিঘা ০ কঠা ১৮ লেচা (Ceiling Surplus) মাটি আছে আৰু এই চিলিং উদ্ধৃত মাটিৰ ৮১,১৪৭ বিঘা ৩ কঠা ১৫.৫ লেচা মাটিত বেদখল আছে।

(খ) চিলিং উদ্ধৃত (Surplus) মাটি ১,৯৩,৬৮৪ জন মাটিহীন লোকৰ মাজত বিতৰণ কৰি আবণ্টন দিয়া হৈছে। জিলা ভিত্তিক তথ্য পৰিশিষ্ট "ক"ত দাখিল কৰা হ'ল। (See Annexure-II)

(গ) বৰপেটা জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি বৰপেটা জিলাৰ বজালী চক্ৰৰ অধীনত চিলিং ছাৰপ্লাছ মাটি ১২,৩৭০ বিঘা ০ কঠা ১/২ লেচা। গাঁও ভিত্তিক তথ্য পৰিশিষ্ট "খ"ত দাখিল কৰা হ'ল। (See Annexure-III) চিলিং ছাৰপ্লাছ মাটি (বজালী ৰাজহ চক্ৰৰ ১,১,৫০০ জন লোকক আবণ্টন দিয়া হৈছে।

(ঘ) আবণ্টন দিয়া লোকৰ তালিকা পৰিশিষ্ট "গ"ত দাখিল কৰা হ'ল। (See Annexure-IV)

* **শ্ৰীমনোৰঞ্জন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ যিখন ভূমিসংস্কাৰ আইন আছে, সেইখনৰ সংস্কাৰৰ প্ৰয়োজন হৈছে। এই আইনখনৰ আধাৰত অসম চৰকাৰে সময়ে সময়ে ভূমি সংস্কাৰৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰি আহিছে। এই আইন মতে যিবিলাক চিলিং ছাৰপ্লাছ মাটি আছে সেইবিলাকত বেদখল হৈ আছে। এই বেদখল উচ্ছেদ কৰাৰ কাৰণে অসম চৰকাৰে যেনেধৰণে ব্যৱস্থা ল'ব লাগিছিল তেনে ধৰণে লোৱা দেখা নাযায়। চৰকাৰী থথ্য মতে বৰ্তমান চিলিং ছাৰপ্লাছ মাটিৰ ৮১,১৪৭ বিঘা ৩ কঠা ১৫৫ লেচা মাটিত বেদখল আছে। এই বেদখল মুক্ত কৰাৰ বাবে মন্ত্ৰী মহোদয়ে কেতিয়া আৰু কি ব্যৱস্থা ল'ব মই জানিব বিচাৰিছো?

* **শ্ৰীপৃথিৱী মাঝি (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাটিবোৰত যিটো বেদখল আছে সেইটো আমি মুক্ত কৰিব লাগিব। আমাৰ আইনখনত যেনে ধৰণে দিয়া আছে আমি সেইধৰণে নিৰ্দেশ সময়ে সময়ে দি

আহিছো। একেটা সময়তে এইটো কৰিব নোৱাৰি। সেয়ে স্পেচিফিক যদি আমাক দিয়ে আমি নিশ্চয় তাৰ ওপৰত ব্যৱস্থা ল'ম। আমাৰ যিখন আইন আছে সেইখন ১৯৫৬ চনতেই বলৱৎ হৈছিল।

* **শ্রীমনোৰঞ্জন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিবিলাক চাহ বাগিচা আছে তাৰ মাটিবিলাক বেদখল হৈছে নেকি আৰু কিমান মাটি বেদখল হৈছে জনাবনে?

* **শ্রীপৃথিৱী মাঝি (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ হাতত বৰ্তমান চাহ বাগিচাবিলাকৰ তথ্য নাই। স্পেচিফিক ক'লে মই লগত আনিলোহেঁতেন।

Mr. Speaker : Starred Question No. 104, Hon'ble Member, Shri Ali Hussain.

বিষয় ঃ অধিবক্তাৰ সংখ্যা।

শ্রীআলি হুছেইনে সুধিছে ঃ

*১০৪। মাননীয় আইন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰ্তমানলৈকে অসমত কিমানজন অনুজ্ঞাপত্র প্রাপ্ত অধিবক্তা আছে? (জিলা ভিত্তিত ইয়াৰ তথ্য সদনত জনাব)

(খ) অধিবক্তা অবিহনে আইন ও চৰকাৰী আদালতৰ আইনী ব্যৱস্থা চলাই দিয়া সম্ভৱনে?

(গ) যদি আইন ও চৰকাৰী আদালতৰ আইনী ব্যৱস্থাৰ ক্ষেত্রত অধিবক্তা এক অবিচ্ছেদ্য অংগ তেন্তে অধিবক্তাসকলৰ বাবে চৰকাৰে কোনো কল্যাণমূলক চিন্তা কৰিছেনে?

(ঘ) যদি অধিবক্তাসকলৰ কল্যাণৰ বাবে চৰকাৰে চিন্তা কৰিছে তেন্তে কেতিয়াৰ পৰা ই কার্যকৰী কৰিব? যদি কৰা নাই, নকৰাৰ কাৰণ কি?

শ্রীটংক বাহাদুৰ ৰাই (আইন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ২৮-০২-২০১০ তাৰিখৰ তথ্য অনুসৰি বৰ্তমান অসমত ১৮,৯৯৫ জন অনুজ্ঞাপত্রপ্রাপ্ত অধিবক্তা আছে। জিলা ভিত্তিত ইয়াৰ তথ্য

Annexure-I ত গাঠি দিয়া হৈছে। (See Annexure-V)

(খ) সম্ভৱ নহয়।

(গ) অসম অধিবক্তা কল্যাণ পুঁজি আইন ১৯৯৮, (The Assam Advocates Welfare Fund Act, 1998) ৰ অধীনত, অধিবক্তাসকলৰ কল্যাণমূলক আঁচনিৰ সম্পৰ্কে বিতংভাৱে লিপিবদ্ধ কৰা আছে।

(ঘ) উত্তৰ (গ)ত উল্লেখিত আইনৰ বিধি অনুসৰি ইয়াৰ ব্যৱস্থা লৈ থকা হৈছে।

* **শ্রীআলি হুছেইন** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্রশ্ন কৰিছিলো তাৰ উত্তৰ পাইছো কিন্তু মই মন্ত্রী মহোদয়ক সুধিব খুজিছো আমাৰ ৰৰপেটা জিলাত বহুতো দুখীয়া ছাত্র-ছাত্রী আছে। যিবিলাকে ল' পঢ়ি পাছ কৰি উকীল হয় আৰু বাৰত জইন কৰে। কিন্তু তেওঁলোকে বাৰলৈ গৈ বহিবলৈ বেঞ্চ এখনেই নাপায়। আমাৰ চৰকাৰৰ ফালৰ পৰা অধিবক্তাসকলক সহায় কৰাৰ বাবে কিবা ব্যৱস্থা আছে নেকি?

শ্রীটংক বাহাদুৰ ৰাই (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনিও আগতে উকীল আছিলে ময়ো আছিলো। ১৯৯৮ চনতেই অধিবক্তাসকলৰ কল্যাণৰ বাবে অসম অধিবক্তা কল্যাণ পুঁজি আইন গঠিত হয়। ১৫ জুন, ১৯৯৯ৰ পৰা এই ফাণ্ডৰ যোগেদি অধিবক্তাসকলৰ কল্যাণৰ বাবে বিভিন্ন কাম কৰি অহা হৈছে। ওকালতনামাত লগোৱা টিকটৰ বাবদ ৬ টকা আৰু লৱাৰ কোৰ্টত ৩ টকা। এই টকাটো বাৰ কাউঞ্চিলৰ ফাণ্ডত জমা হয়। মেম্বাৰসকলেও সদস্য ভর্তিৰ ফিজ বছৰি ১০০০ টকাকৈ দিব লাগে। এইটোও ফাণ্ডত যায়। কিছু ডনেশ্যচনৰ পৰা আহে। অসমত ১৮,৯১৫ জন অনুজ্ঞাপত্র থকা অধিবক্তা আছে। তেওঁলোকৰ পৰা যদি বছৰি এহেজাৰ টকাকৈ লোৱা হয়, তেন্তে এক কোটি টকাৰো অধিক হ'ব।

এই গোটেই ফাণ্ডৰ কাৰণে এখন কমিটী আছে আৰু বাৰ কাউঞ্চিলৰ চেয়াৰমেনজনেই সেই কমিটীৰ চেয়াৰমেন। ছেক্রেটাৰী জুডিচিয়েল, চেক্রেটাৰী লেজিচলেটিভ আৰু কমিচনাৰ ফাইনেঞ্চ সেই কমিটীখনৰ

* Speech not corrected

মেম্বাৰ। এজন কোঃ অপটেড মেম্বাৰ আছে। বাৰ কাউঞ্চিলৰ ছেক্রেটাৰীজনৰ ভোটিং ৰাইট নাথাকে। সেই কমিটীখনে গ্রেণ্ট দিব পাৰে। যেতিয়া এডভকেট এজন ৰিটায়াৰ হয় তেতিয়া তেওঁক উকালতি কৰাৰ ৩৮ বছৰ হ'লে ৬ হাজাৰৰ পৰা ৫০ হাজাৰলৈকে টকা দিব পাৰে। কোনোবা এজন এডভকেট ঢুকালে তেওঁৰ পৰিয়ালক তেওঁ যিমান বছৰ প্রেক্টিচ কৰিছিল তাৰ পইচা আৰু আন এটা পইচা মিলাই পেলাই দুটা পইচা দিয়ে। আমি সেইটো প্রভিজন কৰি দিছো। যদি বাৰ কাউঞ্চিলে ভাবে তেওঁলোকক আৰু সুবিধা দিব লাগে তেতিয়াহ'লে চৰকাৰৰ ওচৰত প্রপোজেল পঠিয়ালে আমি সেইটো চাম।

* শ্রীআলি হুছেইন ঃ ছাৰ, মোৰ কথাটো হ'ল বাৰ কাউঞ্চিলত কৰে নে নকৰে। মই চেয়াৰ, টেবুল, ডেস্ক, বেঞ্চ বা ৰিপেয়াৰিং বা আন্তঃগাঁথনিৰ কাম কৰিব পাৰে নেকি সেইটো কথাহে সুধিছো।

* শ্রীটংক বাহাদুৰ ৰাই (মন্ত্রী) ঃ ছাৰ, ইনফ্রাষ্ট্রাকচাৰ ডেভেলপমেণ্ট কৌৰ্টৰ ফালৰ পৰা কৰা হয়। আমি ইনফ্রাষ্ট্রাকচাৰ ডেভেলপমেণ্ট কৰি আছো। যদি ইনফ্রাষ্ট্রাকচাৰ ডেভেলপমেণ্টৰ কাম ক'ৰবাত কৰিব লাগে আমি কৰিম।

* শ্রীমনোৰাৰ হুছেইন ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য, আলি হুছেইন ডাঙৰীয়াই যিটো প্রশ্ন আনিছে সেই বিষয়টোৰ ওপৰত গুৰুত্ব দিয়া দৰকাৰ। উকীলসকলৰ কাৰণে যদি চকী, টেবুল, আলমিৰা আৰু অন্যান্য যাৰতীয় সা-সুবিধা নাথাকে তেতিয়াহ'লে ন্যায় প্রদান কৰাত তেওঁলোকৰ অসুবিধা হ'ব। আমাৰ চৰকাৰৰ ফালৰ পৰা বাৰৰ কাৰণে যি ইনফ্রাষ্ট্রাকচাৰৰ কাম কৰিব লাগে আৰু আচবাব পত্র যোগান ধৰাৰ লগতে লাইব্রেৰী আদিৰ ক্ষেত্রত গুৰুত্ব দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইটো এটা গুৰুত্বপূর্ণ বিভাগ। জুডিচিয়াৰীৰ কাৰণে লাখ লাখ কোটি কোটি টকা খৰচ কৰা হয়। এই বিষয়টোৰ ক্ষেত্রত চৰকাৰে অলপ গুৰুত্ব দিব লাগে আৰু জোৰদাৰ কৰি তোলাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ প্রাইভেট ল কলেজবিলাকৰ অৱস্থা বৰ বেয়া। এজন মানুহ

* Speech not corrected

ৰিটায়াৰ কৰাৰ পিছত তেওঁ ৫০ হাজাৰ টকাহে পাব। গতিকে এই টকাটো বঢ়োৱাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ ঃ আপোনাৰ মেইন প্ৰশ্নটো হৈছে ডেভেলপমেণ্টৰ কাৰণে আৰু ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভেলপমেণ্টৰ কাৰণে জোৰ দিব লাগে।

*** শ্ৰীটংক বাহাদুৰ বাই (আইন মন্ত্ৰী) ঃ** ছাৰ, তেখেতসকলৰ যিটো সমস্যা সেইটো আমি গুৰুত্ব সহকাৰে লৈছো। টকাতো বঢ়োৱাৰ যিটো কথা কৈছে. সেইটো ক্ষেত্ৰত কমিটীৰ ফালৰ পৰা ৰিকমেণ্ডেচন দিলে আমি বঢ়াব পাৰো আৰু আমি সংশোধন কৰিব পাৰো। বাকী কথাখিনি আমি চাম।

*** শ্ৰীকমল সিং নাৰ্জাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে 'ক' প্ৰশ্নৰ উত্তৰত কৈছে যে যোৱা ২৮-০২-২০১৩ তাৰিখৰ তথ্য অনুসৰি বৰ্তমান অসমত ১৮৯৯৫ জন অনুজ্ঞাপত্ৰপ্ৰাপ্ত অধিবক্তা আছে আৰু জিলা ভিত্তিত ইয়াৰ তথ্য এনেক্সাৰ ৰানত গাঠি দিয়া হৈছে বুলি কৈছে। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা চিৰাং ডিষ্ট্ৰিক্টৰ ক'ত ডিষ্ট্ৰিক্ট কোৰ্ট চলি আছে জানিব বিচাৰিছো?

মাননীয় অধ্যক্ষ ঃ আপোনাৰ প্ৰশ্নটো ইয়াৰ লগত সংগতি নাই।

*** শ্ৰীকমল সিং নাৰ্জাৰী ঃ** ছাৰ, চিৰাং জিলাত ডিষ্ট্ৰিক্ট কোৰ্ট নাই। যদি আছে ক'ত আছে জনাব লাগে।

*** শ্ৰীটংক বাহাদুৰ বাই (মন্ত্ৰী) ঃ** ছাৰ, এই তথ্যটো মোৰ হাতত নাই। মই পিছত সেইটো চাইমেলি জনাম।

Mr. Speaker : Starred Question No. 105, Hon'ble Member, Shri Moin Uddin Ahmed.

বিষয় ঃ SDRF আঁচনি।

শ্ৰীমইন উদ্দিন আহমেদে সুধিছে ঃ

*১০৫। মাননীয় ৰাজহ ও দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১-১২ বিত্তীয় বৰ্ষত SDRFৰ অধীনত কোন কোন আঁচনিত

* Speech not corrected

কিমান ধন আবণ্টন দিয়া হৈছিল? (আঁচনিসহ ধনৰ পৰিমাণৰ জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(খ) ২০১২-১৩ বিত্তীয় বৰ্ষত অনুমোদন জনোৱা আঁচনিসমূহৰ তালিকা পুঁজিৰ পৰিমাণসহ সদনৰ মেজত জিলা ভিত্তিক দাখিল কৰিবনে?

(গ) ২০১২-১৩ ত এই আঁচনিসমূহত মুঠ কিমান পুঁজি ধাৰ্য্য কৰা হৈছে?

(ঘ) এই পুঁজিসমূহ জিলা ভিত্তিত সমবিতৰণৰ কিবা নীতি-নির্দেশনা আছেনে?

(ঙ) যদি নাই, তেন্তে এই ব্যৱস্থা কৰাত কিবা অসুবিধা আছেনে? (অনুগ্রহ কৰি জনাব)

শ্রীপৃথিৱী মাঝি (ৰাজহ ও দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১১-১২ বিত্তীয় বৰ্ষত SDRF ৰ অধীনত মেৰামতি শিতানত এতিয়ালৈ নিম্নোক্ত আঁচনিসমূহৰ বিপৰীতে সর্বমুঠ ৪৭,৫২,৪০২/- টকা মঞ্জুৰি দিয়া হৈছিল—

১) গড়কাপ্টানি বিভাগ	২৯,৬০,৭৬,১১১/- টকা
২) জল-সম্পদ বিভাগ	১৭,৫৬,৭২,২৯১/- টকা
৩) জলসিঞ্চন বিভাগ	৩৫,৪৯,০০০/- টকা
সর্বমুঠ	**৪৭,৫২,৯৭,৪০২/- টকা**

(জিলাভিত্তিক বিতং তথ্য পৰিশিষ্ট- 'ক'ত দাখিল কৰা হ'ল)
(See Annexure-VI)

(খ) ২০১২-১৩ বিত্তীয় বৰ্ষত অনুমোদন জনোৱা আঁচনিসমূহৰ তালিকা পুঁজিৰ পৰিমাণসহ পৰিশিষ্ট-'খ'ত দাখিল কৰা হ'ল।
(See Annexure-VII)

(গ) ২০১২-১৩ বৰ্ষত আঁচনিসমূহত ধাৰ্য্য কৰা পুঁজিৰ পৰিমাণ হ'ল ঃ-

১) গড়কাপ্টানি শিতানত ১৪৭,৫৪,৫০,০০০/- টকা

২) জল-সম্পদ শিতানত ১৯৪,৭৬,৫০,০০০/- টকা

৩) জলসিঞ্চন শিতানত ১২,৫০,০০,০০০/- টকা

(ঘ) নাই। "ৰাজ্যিক দুর্য্যোগ সঁহাৰি পুঁজি"ৰ ধন প্ৰাকৃতিক দুর্য্যোগে কৰা ক্ষয়-ক্ষতিৰ মাত্ৰা আৰু গুৰুত্ব অনুসৰি সংশ্লিষ্ট উপায়ুক্ত আৰু সংশ্লিষ্ট বিভাগৰ নির্দিষ্ট প্রস্তাৱৰ ভিত্তিত "ৰাজ্যিক দুর্যোগ সঁহাৰি পুঁজি"ৰ অধীনস্থ "ৰাজিক কার্য্যকৰী সমিতি"ৰ অনুমোদন সাপেক্ষে প্রদান কৰা হয়।

(ঙ) প্রশ্ন নুঠে।

* **শ্রীমইন উদ্দিন আহমেদ** ঃ ছাৰ, মোৰ যিটো প্রশ্ন এইটো বহুতবাৰ আলোচনা কৰিছোঁ। এছ ডি আৰ এফৰ অধীনত কিমান টকা চেঞ্চন কৰা হৈছে আৰু কিমান টকা দিয়া হৈছে মাননীয় মন্ত্রী মহোদয়ে ইয়াত উত্তৰ দিছে। গড়কাপ্টানি, জল সম্পদ আৰু জল সিঞ্চন শিতানত মুঠ ৪৭,৫২,৯৭,৪০২ টকা মঞ্জুৰি দিয়া হৈছে বুলি কৈছে। এই পইচাখিনি দিয়া হৈছে দৰং, শোণিতপুৰ, বৰপেটা আৰু অলপ ধুবুৰীত দিয়া হৈছে। এই ৪ খন ডিষ্ট্রিক্টত এছ ডি আৰ এফৰ টকা দিয়া হৈছে নে আন বেলেগ ডিষ্ট্রিক্টতো দিয়া হৈছে। এই সমষ্টিত ৭/৮/৯ কোটি টকালৈকে চেঞ্চন দিয়া হৈছে। বেলেগ ডিষ্ট্রিক্টত জিৰো হৈ আছে। গোৱালপাৰা জিলাতো এই টকা দিয়া হৈছে। এই কথাটো বিধানসবাৰ মজিয়াত বহুবাৰ আলোচনা হৈছে। এই ৪খন জিলাত কিয় ইমান কোটি টকা চেঞ্চন দিয়া হৈছে?

* **শ্রীপৃথিৰী মাঝি (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ডিষ্ট্রিক্ট মেনেজমেণ্ট কমিটী বুলি এখন কমিটী আছে। এক্সপার্ট বিলাকক আঁচনিবিলাক চালি-জাৰি চাৱলৈ দিয়া হয়। তেওঁলোকে গড়কাপ্টানি, জল সম্পদ আৰু জল সিঞ্চন বিভাগক দিব লাগে বুলি প্রায়ৰিটী ঠিক কৰি দিয়ে।

মাননীয় অধ্যক্ষ মহোদয়, ষ্টেট মেনেজমেণ্ট ডিজেষ্টাৰ কমিটী আছে। তাত দাখিল কৰিব, য'ত প্রয়োজন হয়, সেই মতে মঞ্জৰী দিয়া হয়। গতিকে বৈষম্যতা নাহে। যেতিয়া জিলাৰ পৰা স্কীমবিলাক আহে,

সেইবিলাক বিভাগে পায়, তাৰ পিছত ষ্টেট ডিজেষ্টাৰ মেনেজমেণ্টত মঞ্জুৰ হয়। ইয়াত যদি কিবা চাবলৈ আছে, চাই দিম। যোৱা কালি ইতিমধ্যে এখন কমিটী কৰা হৈছে, যোৱা ১১ মার্চ তাৰিখে ন'টিফিকেচন কৰা হৈছে। সেই কমিটিখনত আছে ইৰিগেচন মিনিষ্টাৰ, ৰাটাৰ ৰিছোর্চ মিনিষ্টাৰ, পি ডব্লিউ ডি মিনিষ্টাৰ, গ্রিকালচাৰ মিনিষ্টাৰ, ডব্লিউ পি টি এণ্ড বি চি মিনিষ্টৰ আৰু ষ্টেট ডিজেষ্টাৰ মেনেজমেণ্টৰ মন্ত্রী চেয়াৰমেন। এই কমিটীখনে সকলো দিশ চাব।

* **শ্রীমইন উদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী বিধায়কসকলে ফিল্ড ভিজিট কৰে। ৰিপোর্ট পোৱা নাই কাৰণে গাৱত বানপানী হোৱা নাই। কিন্তু গাঁৱত বানপানী হৈ বেয়াকৈ ক্ষতিগ্রস্ত হৈছে। ফিজিকেল ৰিপোর্ট যায়, বেয়াকৈ ক্ষতিগ্রস্ত হৈছে। বিভিন্ন ঠাইত মিটিং হোৱা নাই, পিছত মিটিং পাতি ৰিপোর্ট অনা হ'ল, সেই কাৰণে এটা স্কীম আহিছে। গোৱালপাৰাত বানপানী হৈছে নে নাই মন্ত্রী মহোদয়ে ক'ব লাগে।

* **শ্রীপৃথিৱী মাঝি (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, য'ত বানপানী, গৰাখহনীয়া হৈছে তাত দিয়া হৈছে। ৰিভাগে সকলোবিলাক চালিজাৰি চাই অগ্রাধিকাৰ ভিত্তিত কৰে। ২০১২-১৩ চনত যিবিলাক স্কীম আহিছে কৰা হৈছে। গতিকে মাননীয় সদস্যগৰাকীয়ে যি কমপ্লেইন কৰিছে তাৰ কাৰণে ব্যৱস্থা লোৱা হ'ব।

* **শ্রীমতী গুল আকতাৰা বেগম ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোরে জানো যে যোৱা বানপানীত অসমৰ বিভিন্ন জিলাত ৰাস্তা বেয়াকৈ ক্ষতিগ্রস্ত হৈছে। এই ক্ষেত্রত মন্ত্রী মহোদয়ে ফিটো কৈছে স্পষ্ট হোৱা নাই। যেতিয়া বানপানীত ৰাস্তা ক্ষতিগ্রস্ত হয় গড়কাপ্টানি বিভাগৰ এছ ডি অ' একজিকিউটিভ ইঞ্জিনীয়াৰৰ পৰা ৰিপোর্ট পঠিয়াব লাগে। কোন কোন ৰাস্তা ক্ষতিগ্রস্ত হৈছে তাৰ লিষ্ট মোৰ লগত আছে। সেই কাৰণে মই ৰিপোর্ট সোনকালে পঠিয়াই দিব কৈছিলো। অকল ৭৫ লাখ টকাৰ ধুবুৰী জিলাত কাম হৈছে। পি এম জি ৰাইৰ ৰাস্তাও ক্ষতিগ্রস্ত হৈছে।

তাৰ বাবে আঠ লাখ পঞ্চাশ হেজাৰ টকা মঞ্জুৰ হোৱা বুলি জানিব পাৰিছো। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যি বিলাক ৰাস্তা ধৰা হোৱা নাই অহাবাৰ ধৰা হ'ব নেকি?

* **পৃথিৱী মাঝি (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি ৰিপোৰ্ট পঠাই দিয়ে সেই বিলাক কমিটীয়ে চালিজাৰি চায়। কেতিয়াবা এনেকুৱা হয় যি সময়ত ইঞ্জিনীয়াৰে পঠাব লাগে, সময়মতে নপঠালে। ডিব্ৰুগড়ত বানপানী হৈছে, অৱগত নহয়। তাত গৰাখহনীয়া হোৱা নাই নেকি? তেনেকুৱা ধৰণৰ হয়। বিভাগৰ পৰা আহিছে নে নাই সেইটো চাব লাগে। বিভাগৰ পৰা সঠিকভাৱে আহিলে আঁচনি গ্ৰহণযোগ্য হয় নাহিলে নহয়। এই বিষয়ত ক্ৰাইটেৰিয়া আছে। বেলেগ বেলেগ বিভাগত তেনেকুৱা কৰা হয়। যদি ক'ৰবাত খেলিমেলি আছে সেইটো চোৱা হ'ব। যদি গ্ৰহণযোগ্য হয় ষ্টেট ডিজেষ্টাৰ মেনেজমেণ্ট অথৰিটীয়ে নুই কৰিব নোৱাৰে। গোৱালপাৰা জিলাত যিহেতু ৰাস্তা বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে চোৱা হ'ব।

শ্ৰীহাফিজ বছিৰ আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় পাব্লিক প্ৰতিনিধি, আমিও পাব্লিক প্ৰতিনিধি। ৰিপোৰ্টবিলাক ফৰমেলি আহিব লাগে। নাহিলে জাচটিজ নাপায়। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে আনিব পাৰে, মন্ত্ৰী হিচাপে তেখেতৰ পাৱাৰ আছে। য'ত ৰাস্তাবিলাক বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে, সেইবিলাকৰ ৰিপোৰ্ট আনিব লাগে। যিবিলাক অফিচিয়েলি আহিব সেইবিলাক কৰিব, অফিচিয়েলি নহা বিলাক নকৰে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেখেতে যাতে সেই বিলাকো অনাৰ ব্যৱস্থা কৰে।

* **শ্ৰীপৃথিৱী মাঝি (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো কথা নহয় যে অফিচিয়েলি আহিলে কৰা হয়, নহা বিলাকো সময়ে সময়ে কৰা হয়।

মাননীয় অধ্যক্ষ ঃ গোটেই অসমৰ অৱস্থা ভাল নহয়, ৰাস্তাবিলাক বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই বেলেগ বেলেগকৈ কৰিব লাগে।

---

* Speech not corrected

* শ্রীজয়ন্ত মল্ল বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, ৩৫০ কোটি টকাৰ এই তালিকাখন ৮ ফেব্রুৱাৰীৰ আগৰ হয় নেকি? এছ ডি আৰ এফৰ সম্পৰ্কত বিতৰ্ক চলি থকা অৱস্থাত এই ৩৫০ কোটি টকাৰ অনুমোদন জনাইছে। বাৰে বাৰে প্ৰশ্ন উত্থাপন কৰা হৈছে। এই তালিকাখন ৮ ফেব্রুৱাৰীৰ আগতে অন্তৰ্ভুক্ত কৰা হৈছিল নেকি? ৮ ফেব্রুৱাৰীৰ পিছত যদি হৈছে, এই তালিকাখন কোনো কাৰণত ল'ব পৰা নহ'ব। তাৰোপৰি উত্তৰত কৈছে যে ৮ ফেব্রুৱাৰীৰ পিছত মিটিং হোৱা নাই। নতুনকৈ এডভাইজাৰী কমিটী কৰি দিছে। এই কমিটীয়ে যদি কৰিছে, তেতিয়াহ'লে স্পষ্টকৈ বিষয়টো জনাব লাগে।

* শ্রীপৃথিৱী মাঝি (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো, ৰাজ্যিক কাৰ্য্যকৰী সমিতিয়ে সংশ্লিষ্ট বিভাগৰ মুৰব্বীসকলৰ পৰা পোৱা আঁচনিসমূহ পৰীক্ষা কৰাৰ পিছত, এনে বিষয়ত অনুমোদন জনোৱা হয়। ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগে ৰাজ্যিক কাৰ্য্যকৰী সমিতিৰ দ্বাৰা অনুমোদিত আঁচনিসমূহ পোৱাৰ পিছত সেই সমূহ মঞ্জুৰী প্ৰদান কৰাৰ ব্যৱস্থা কৰে। ইয়াৰ লগতে যদি প্ৰাইয়োৰিটী হৈ থকা আঁচনি আছে, সেইবিলাক আমি নিশ্চয় চাম। এই ক্ষেত্ৰত নতুন কমিটী কৰিব লগা হ'লে সেইটো চোৱা হ'ব। ৰাজ্যিক কাৰ্য্যকৰী সমিতিয়ে ২০১২-১৩ বিত্তীয় বৰ্ষত অনুমোদন জনোৱা আঁচনিসমূহ ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগে ইতিমধ্যে মঞ্জুৰী প্ৰদান কৰিছে।

* শ্রীজয়ন্ত মল্ল বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, এনেকৈ কৰিলে নহ'ব ছাৰ।

মাননীয় অধ্যক্ষ ঃ মন্ত্রী মহোদয়ে এইটো চাম বুলি কৈছে।

* শ্রীপৃথিৱী মাঝি (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মিটিং পাতি সেইটো চোৱাৰ ব্যৱস্থা কৰা হ'ব।

Mr. Speaker : Starred Question No. 106, Hon'ble Member, Shri Binanda Kumar Saikia.

বিষয় ঃ **FDR (CRF)** আঁচনি।

---

* Speech not corrected

* ১০৬। মাননীয় ৰাজহ ও দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) FDR (CRF) আঁচনিৰ জৰিয়তে ৰাজ্যখনত ২০১১-১২ বিত্তীয় বৰ্ষৰ পৰা ২০১২-১৩ বৰ্ষলৈ কিমান আঁচনি কোন কোন বিভাগৰ দ্বাৰা গ্ৰহণ কৰা হৈছে? (জিলা ভিত্তিত আঁচনিৰ নাম আৰু আঁচনিৰ বিপৰীতে আবণ্টিত ধনৰ পৰিমাণ দাঙি ধৰিব)

(খ) আঁচনিৰ ধন সময় মতে মোকলাই দিয়া হৈছেনে? যদি হোৱা নাই, কেন্দ্ৰীয় চৰকাৰৰ পৰা ধন সময়মতে আহি নোপোৱাত অসুবিধা আহি পৰিছে নেকি?

(গ) FDR (CRF) শিতানত কেন্দ্ৰীয় চৰকাৰৰ পৰা ২০১০-১১ বিত্তীয় বৰ্ষৰ পৰা চলিত বৰ্ষলৈ কিমানখন অসম ৰাজ্যলৈ আবণ্টন দিছে আৰু ইয়াৰে কিমান ধন ব্যয় কৰা হৈছে আৰু কিমান ধন ব্যয় নোহোৱাকৈ আছে? (সবিশেষ জনাব)

(ঘ) যোৱা বছৰৰ প্ৰলয়ংকাৰী বানপানীয়ে বিস্তৰ ক্ষতি সাধন কৰা পথ, দলং, মথাউৰি ইত্যাদি মেৰামতি, পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? SDRF শিতানত এইবোৰ কামৰ বাবে পুঁজি মোকলাই দিয়া হৈছে নেকি? যদি হোৱা নাই, নোহোৱাৰ কাৰণ জনাবনে?

শ্ৰীপৃথিৰী মাঝি (ৰাজহ ও দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১১-১২ বিত্তীয় বৰ্ষৰ পৰা ২০১২-১৩ বৰ্ষৰ এতিয়ালৈ দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ সহায়ত "ৰাজ্যিক দুৰ্য্যোগ সঁহাৰি পুঁজি (SDRF)"ৰ অধীনত ৰাজ্যখনত সৰ্বমুঠ ২৯০ খন মেৰামতি আঁচনি জল-সম্পদ, গড়কাপ্টানি আৰু জলসিঞ্চন বিভাগৰ দ্বাৰা ৰূপায়ণ কৰা হৈছে। (আঁচনিসমূহৰ নামৰ বিপৰীতে মঞ্জুৰিকৃত ধনৰ পৰিমাণ সম্বলিত

জিলাভিত্তিক তালিকা পৰিশিষ্ট-"ক"ত দাখিল কৰা হ'ল।)

(See Annexure-VIII)

(খ) হৈছে।

(গ) ২০১০-১১ বিত্তীয় বৰ্ষৰ পৰা চলিত বৰ্ষলৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা SDRF আৰু NDRF শিতানত আবণ্টন দিয়া ধনৰ পৰিমাণ ৮৬২.০২ কোটি টকা। ইয়াৰে এতিয়ালৈ ৬৭৩.০৬ কোটি টকা ব্যয় কৰা হৈছে আৰু ব্যয় নোহোৱাকৈ থকা ধনৰ পৰিমাণ প্ৰায় ১৮৮.৯৬ কোটি টকা। (বিতং তথ্য তলত দিয়া হ'ল)

Year	Central Share under SDRF	NDRF	Total	Expenditure
2010-11	Rs. 237.39 Crore	Nil	Rs. 237.39 Crore	Rs. 127.84 Crore
2011-12	Rs. 249.26 Crore	Nil	Rs. 249.26 Crore	Rs. 70.36 Crore
2012-13	Rs. 261.73 Crore Rs. 68.64 Crore (Received as advance amount from the allocated fund of 2013-14)	Rs. 45.00 Crore	Rs. 306.73 Crore	Rs. 474.86 Crore

(ঘ) যোৱা বছৰৰ প্ৰলয়ংকাৰী বানপানীয়ে বিস্তৰ ক্ষতি সাধন কৰা ৰাজ্যখনৰ পথ, দলং, মথাউৰি আদিৰ মেৰামতিৰ বাবে "ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগে" "ৰাজ্যিক দুৰ্য্যোগ সঁহাৰি পুঁজি"ৰ অধীনত এতিয়ালৈ গড়কাপ্টানি বিভাগক ৪৬,৩৯,০২,৩০০/- টকা, জলসিঞ্চন বিভাগক ৯,৮৫,৮৪,৫৭০/- টকা আৰু জল-সম্পদ বিভাগক ১২৭,৯০,০১,৭০০/- টকা সবমুঠ ৩১০,৫০,৩২,৩৮৭/- টকাৰ মঞ্জুৰি প্ৰদান কৰিছে। এইবোৰ কামৰ বাবে "ৰাজ্যিক দুৰ্য্যোগ সঁহাৰি পুঁজি" শিতানত এতিয়ালৈ ধন মোকলাই দিয়া হোৱা নাই। "ৰাজ্যিক দুৰ্য্যোগ সঁহাৰি পুঁজি"ৰ নিৰ্ধাৰিত বিধি অনুসৰি মঞ্জুৰিকৃত আঁচনিৰ বিপৰীতে সংশ্লিষ্ট উপায়ুক্তই কাম সম্পূৰ্ণ হোৱাৰ প্ৰমাণপত্ৰ দাখিল কৰিলেহে আঁচনিৰ ধন মোকলাই দিয়াৰ নিয়ম। উক্ত মেৰামতি আঁচনিসমূহৰ কোনোটোৰ বিপৰীতে সংশ্লিষ্ট উপায়ুক্তই কাম সম্পূৰ্ণ হোৱাৰ প্ৰমাণ পত্ৰ এতিয়ালৈ দাখিল নকৰা হেতুকে ধন মোকলাই দিয়া হোৱা নাই।

* **শ্ৰীবিনন্দ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ২০১০-১১, ২০১১-১২ আৰু ২০১২-১৩ বৰ্ষলৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা এছ ডি আৰ এফ আৰু এন ডি আৰ এফ শিতানত আবণ্টন দিয়া ধনৰ পৰিমাণ ৮৬২.০২ কোটি টকা। ইয়াৰে এতিয়ালৈকে ৬৭৩.০৬ কোটি টকা ব্যয় কৰা হৈছে। আৰু ব্যয় নহোৱাকৈ পৰি আছে এতিয়ালৈকে প্ৰায় ১৮৮.৯৬ কোটি টকা। এই বৃহৎ অংশৰ টকাটো এতিয়ালৈকে ব্যয় নোহোৱাকৈ পৰি আছে। এই বৃহৎ অংশৰ টকাটো দ্বিতীয় বৰ্ষৰ কেইটামান দিন বাকী থকা সময়ত ব্যৱহাৰ কৰিব পাৰিবনে? এতিয়া আকৌ নতুনকৈ টকা আহিব। ৰেভিনিউ বিভাগে চেঞ্চন দিয়া নাই। যিটো দিছে সেইটো কমকৈ দিছে। এতিয়া বাৰিষা অহাৰ আগতে ৰাজ্যখনৰ বিভিন্ন ৰাস্তা-ঘাট, মথাউৰি নিৰ্মাণ আৰু মেৰামতি ইত্যাদিৰ বাবে ২০০ কোটি টকা আৰু নতুনকৈ আহিবলগা টকা খৰচ কৰাৰ ক্ষেত্ৰত কেনেধৰণে ব্যৱস্থা লোৱা হ'ব? ২০০ কোটি টকাকে ব্যৱহাৰ কৰিব পৰা নাই। তেনে স্থলত বাকী আহিবলগা টকা

কেনেকৈ খৰচ কৰিব।

শ্ৰীপৃথিৱী মাঝি (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই যে ২০১২-১৩ চনৰ মাৰ্চলৈ এছ ডি আৰ এফৰ ২৭১,৮৬,০৪,৬৩৫ টকাৰ গ্ৰেটিচিয়াছ ৰিলিফত ৪৩,৮০,০৬,৮৩৩ টকা আৰু বাপানী ৰিহেভিলিটেচন গ্ৰাণ্টত ৪৬৫৯৪৯৩৫০ টকা, ধুমুহা ৰিহেভিলিটেচন গ্ৰাণ্ট ১২৮৮৪৩৬৫০ টকা, আৰু গড়কাপ্টানি ৰিপেয়াৰ আৰু ৰিষ্টোৰেচনত ২০ কোটিতকৈ বেছি টকা; ডব্লিউ আৰু ৰিপেয়াৰ আৰু ৰিষ্টোৰেচনত প্ৰায় ৫ কোটি টকা আৰু এগ্ৰিকালচাৰ ৰিলিফত ১১৯০ কোটি আৰু অন্যান্যত ২৫ কোটি, পাৰাৰ আৰু চইল কনজাৰভেচনত ৫ কোটি এই সমুদায় ধন ব্যৱহাৰ কৰা হ'ব। মই আগতে কৈছিলো যে আঁচনিবিলাক বিভাগবিলাকৰ পৰা আহিব লাগিব। আৰু সেইটো আলোচনাৰ সাপেক্ষে খৰচ কৰা হ'ব।

মাননীয় অধ্যক্ষ ঃ আচলতে বাৰিষাৰ আগতে কামবিলাক আৰম্ভ কৰিলে উপকৃত হয়।

* **শ্ৰীবিনন্দ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, বহু দিনৰ আগতেই আঁচনিবিলাক দিয়া হৈছিল। এতিয়া বাৰিষাৰ আগলৈকে যদি কামবিলাক পৰি থাকে তেনেহ'লে কেনেকৈ হ'ব।

মাননীয় অধ্যক্ষ ঃ আপুনি কোৱা কথাটো ময়ো কৈছো।

* **শ্ৰীবিনন্দ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে বাৰিষাৰ আগতে কামবিলাক আৰম্ভ কৰিব পাৰিব নে নাই জনাবনে?

* **শ্ৰীপৃথিৱী মাঝি (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বাৰিষাৰ আগতে আঁচনিৰ কামবিলাক আৰম্ভ কৰিবলৈ চেষ্টা কৰা হ'ব।

* **শ্ৰীআমিনুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, বানপানী অহাৰ আগতে যিখিনি ডি চিৰ পৰা আঁচনি পঠোৱা হৈছে, সেইখিনি আৰু ডি আৰ ডি এৰ কাম সময়মতে কৰা হ'বনে?

শ্ৰীপৃথিৱী মাঝি (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো চোৱা হ'ব।

Mr. Speaker : Starred Question No. 107, Hon'ble Member, Shri Mazibur Rahman.

বিষয় ঃ পানী যোগান আঁচনি।

শ্রীমজিবুৰ ৰহমানে সুধিছে ঃ

*১০৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ৮৫ নং ৰূপহীঘাট সমষ্টিত কিমানটা পানী যোগান আঁচনি আছে? ইয়াৰে কিমানটা আঁচনি কার্য্যক্ষম হৈ আছে আৰু কিমানটা আঁচনি বিকল হৈ আছে?

(নামসহ তালিকা দিব)

(খ) বিকল হৈ থকা আঁচনিসমূহ কি কাৰণত বিকল হ'ল জনাবনে? এই আঁচনিসমূহক পুনৰ কার্য্যক্ষম কৰাৰ কিবা ব্যৱস্থা হাতত লৈছে নেকি? (তথ্য দিব)

(গ) বর্তমান সমষ্টিটোত কিমানটা আঁচনিৰ কাম হাতত লোৱা হৈছে? ইয়াৰে কিমানটা Tender দিয়া হৈছে? ২০১২-১৩ বছৰত Tender দিয়া কামসমূহ কোন কোন ঠিকাদাৰে পাইছে? (আঁচনিৰ নাম, ঠিকাদাৰৰ নামৰ সৈতে তালিকা দিব)

শ্রীগৌতম ৰয় (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৮৫ নং ৰূপহীহাঠ সমষ্টিত ৬১ (একষষ্ঠি)টা পানী যোগান আঁচনি আছে। ২১ (একৈশ)টা কার্য্যক্ষম আৰু ৪ (চাৰি)টা আঁচনি বিকল হৈ আছে। ৩৬ (ছয়ত্রিশ)টা আঁচনিৰ কাম সম্পূর্ণ হ'বলৈ বাকী আছে। নামসহ তালিকা 'Annexure-A' ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-IX)

(খ) বিকল হৈ থকা আঁচনিকেইখন বিকল হোৱাৰ কাৰণ আৰু সেইকেইখন পুনৰ কার্য্যক্ষম কৰাৰ কাৰণে লোৱা ব্যৱস্থাসমূহ তলত দিয়া হ'ল।

ক্রমিক নং	বিকল আঁচনিৰ নাম	বিকল হোৱাৰ কাৰণ	কার্য্যক্ষম কৰাৰ বাবে লোৱা ব্যৱস্থা
১.	কলনি জলাহ	গড়কাপ্টানি বিভাগৰ দ্বাৰা পথ বহলীকৰণৰ ফলত ক্ষতিগ্রস্ত	পাইপ লাইনৰ মেৰামতিৰ কাম চলি আছে।
২.	পূব আমৰা কণ্ডা	বিদ্যুৎ সৰবৰাহ বন্ধ আৰু বানপানীত ক্ষতিগ্রস্ত	পুনৰ বিদ্যুৎ সংযোগৰ বাবে আৰু বানত ক্ষতিগ্রস্ত অংশৰ মেৰামতিৰ বাবে যাৱতীয় ব্যৱস্থা কৰি থকা হৈছে।
৩.	গেহৰা	বান ক্ষতিগ্রস্ত	ক্ষতিগ্রস্ত অংশৰ মেৰামতিৰ বাবে যাৱতীয় প্রস্তুতি চলাই থকা হৈছে।
৪.	নাঙল ধোৱা	পথ বহলীকৰণৰ বাবে অংশিকভাৱে ক্ষতিগ্রস্ত	ক্ষতিগ্রস্ত অংশৰ মেৰামতিৰ কামৰ প্রক্রিয়া আৰম্ভ হৈছে।

(গ) আগতে চলি থকা ১২ (বাৰ)টা আঁচনিৰ উপৰিও বর্তমান সমষ্টিটোত নতুনকৈ ২৪ (চব্বিশ)টা আঁচনিৰ কাম হাতত লোৱা হৈছে। এই নতুন আঁচনিকেইটাৰ ভিতৰত ১৬ (ষোল্ল)টাৰ Tender দিয়া হৈছে। তাৰে

১৬ (ষোল্ল)টা আঁচনিৰ বিপৰীতে ২০১২-১৩ চনত আবণ্টন দিয়া কামসমূহৰ বিপৰীতে ঠিকাদাৰৰ নামসহ তালিকা 'Annexrue-B' ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-X)

* শ্রীমজিবুৰ ৰহমান ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্রশ্নকেইটাৰ সন্দর্ভত মাননীয় মন্ত্রী মহোদয়ৰ পৰা যি উত্তৰ পোৱা গৈছে, সেইবোৰ শুদ্ধ নহয়। অফিচাৰে বনাই দিয়া নোটৰ ওপৰত উত্তৰ দিয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে, উত্তৰত কৈছে যে ৬১টা পানী যোগান আঁচনিৰ ভিতৰত ২১টা কার্য্যক্ষম হৈ আছে। আৰু ৪টা আঁচনি বিকল হৈ আছে আৰু ৩৬টা আঁচনিৰ কাম সম্পূর্ণ হ'বলৈ বাকী আছে। এই যিটো তথ্য দিছে, সেইটো শুদ্ধ নহয়। যিসকলে এই তথ্য দিছে তেওঁলোকৰ ওপৰত ব্যৱস্থা লোৱা হ'ব নেকি? কিবা একচন লোৱা হ'ব নেকি?

*শ্রীগৌতম ৰয় (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, একচনৰ কথা পিছত আহিব। আচলতে এই আঁচনিবিলাক বন্ধ হোৱা নাই যদিও সাময়িকভাৱে অচল হৈ আছে, ইতিমধ্যে মই কৈছোৱেই গড়কাপ্টানি বিবাগৰ দ্বাৰা পথ বহলিকৰণৰ ফলত ক্ষতিগ্রস্ত হৈছে আৰু পাইপলাইনৰ মেৰামতিৰ কাম চলি আছে। বানপানীত ক্ষতিগ্রস্ত আৰু বিদ্যুৎ সৰবৰাহত বন্ধ হোৱা কাৰণে যিবিলাক ঠাইত ক্ষতিগ্রস্ত হৈছে, সেইবিলাক ঠাইত মেৰামতি কৰি থকা হৈছে। আমি যিমান দূৰ পাৰো এই বিকল হোৱা আঁচনিবোৰ সোনকালে চালু কৰাৰ কাৰণে ব্যৱস্থা লম।

* শ্রীমজিবুৰ ৰহমান ঃ মাননীয় অধ্যক্ষ মহোদয়, পানী যোগান আঁচনিৰ ক্ষেত্রত যথেষ্ট পৰিমাণৰ টকা আবণ্টন দিয়া হৈছে কিন্তু যিবিলাক আঁচনি কৰা হৈছে, তাৰ সৰহসংখ্যক পানীত আর্চেনিক পোৱা গৈছে। এই আর্চেনিক পানীত থকাৰ কাৰণে কামপুৰ এলেকাৰ বহুসংখ্যক ছাত্র-ছাত্রী আর্চেনিকৰ বিষাক্ত মিহলি পানীত আক্রান্ত হৈ দূৰাৰোগ্য ৰোগত ভুগিছে। এই বিষাক্ত আর্চেনিকে বহুতকে দূৰাৰোগ্যত ভোগাইছে। গতিকে ইয়াৰ উৎসটো বিচাৰি উলিয়াব লাগে। আৰু ইয়াক পৰীক্ষা-নিৰীক্ষা কৰিব

* Speech not corrected

লাগে। অলপতে এজন মন্ত্রীয়ে তাত এটা আঁচনি উদ্‌ঘাটন কৰি আহিছে। সেই আঁচনিটো এতিয়াও হোৱা নাই।

মাননীয় অধ্যক্ষ ঃ আপুনি মূল প্রশ্নৰ পৰা আঁচনিৰ গৈছে। ৰূপহীহাটৰ সমষ্টিৰ পানী যোগানৰ কথা কৈ গোটেই দুনিয়াখন বিচাৰিলে কি হ'ব।

*** শ্রীগৌতম ৰয় (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ দিছো, মাননীয় সদস্যগৰাকী বহক। কোনো কোনো ঠাইত আৰ্চেনিকৰ কথাটো ওলাইছে, সেই কাৰণে আমি এতিয়া টিউবৱেলটো ক্রমে বাদ দিছো। মাননীয় মুখ্যমন্ত্রীৰ নির্দেশমৰ্মে আমি এটা নতুন ব্যৱস্থা কৰিছো। এতিয়া ডাঙৰ ডাঙৰ কিছুমান আঁচনি প্রস্তুত কৰিছো। আকাশীগংগা, হোজাই মহুমাত তেনে ধৰণৰ আঁচনি লোৱা হৈছে। কিন্তু আচৰিত কথা যে সমষ্টিৰ বিধায়ক তালৈ যোৱা নাই। সেইটো কেনে ধৰণৰ কথা।

(সদনত গণ্ডোগোল)

মাননীয় অধ্যক্ষ ঃ আপোনালোকে বহক।

*** শ্রীগৌতম ৰয় (মন্ত্রী) ঃ** আপুনি তালৈ যোৱা নাই। কিন্তু আমি আমাৰ দায়িত্ব পালন কৰিছো। মই নিজে তালৈ গৈছো।

*** শ্রীকমলাক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰূপহীহাট সমষ্টিটোৰ অৱস্থা অতি বেয়া হৈ আছে। সেইবিলাক ঠিক কৰিব লাগে।

*** শ্রীগৌতম ৰয় (মন্ত্রী) ঃ** আপোনালোকে মাননীয় সদস্যসকলে প্রয়োজন সাপেক্ষে আঁচনিৰ ক্ষেত্রত মোক বিধানসভাৰ অধিৱেশনৰ পিছত লগ কৰিলে এই ক্ষেত্রত আমি সুন্দৰ ব্যৱস্থা ল'ব পাৰিম।

Mr. Speaker : Starred Question No. 108, Hon'ble Member, Shri Sheikh Shah Alam.

বিষয় ঃ গাঁওবুঢ়া সম্পর্কে।

শ্রীশ্বেখ শ্বাহ আলমে সুধিছে ঃ

*১০৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাত চৰকাৰী গাঁওবুঢ়া আছেনে? যদি আছে, কিমানজন আছে আৰু তেওঁলোকক মাননী দিয়া হৈছেনে? যদি দিয়া হোৱা নাই, কিয় দিয়া হোৱা নাই?

(খ) গোৱালপাৰা জিলাৰ সকলোবোৰ লাট গাঁৱৰ গাঁওবুঢ়া নিযুক্তি দিয়া হৈছেনে?

(গ) গোৱালপাৰা জিলাত চলি থকা তহচিলদাৰী প্ৰথা বিলুপ্তি কৰি মৌজাদাৰী প্ৰথা বলৱৎ কৰাৰ ব্যৱস্থা কৰিবনে?

(ঘ) লক্ষীপুৰ জমিদাৰৰ অধীনস্থ নাচনি ডিহিংগৰ মাটিসমূহ ডেৰশ বছৰৰ পৰা বিভিন্ন চৰ্তত ভোগ কৰি আছে সেই ভোগকৃত মাটিৰ পট্টা কৃষকক ইমান দিনে কিয় দিয়া হোৱা নাই জনাবনে?

শ্ৰীপৃথিৰী মাঝি (ৰাজাহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গোৱালপাৰা জিলাত চৰকাৰী গাঁওবুঢ়া প্ৰথা প্ৰৱৰ্তন নোহোৱা হেতুকে তাত চৰকাৰী গাঁওবুঢ়া নাই।

(খ) গোৱালপাৰা জিলাৰ সকলোবোৰ লাট গাঁৱৰ গাঁওবুঢ়া নিযুক্তি দিয়া হোৱা নাই। যিহেতু গোৱালপাৰা জিলাত গাঁওবুঢ়া প্ৰথা প্ৰৱৰ্তন হোৱা নাই, গতিকে চৰকাৰী গাঁওবুঢ়া নিযুক্তিৰ প্ৰসংগ অহা নাই।

(গ) গোৱালপাৰা জিলাত চলি থকা তহচিলদাৰী প্ৰথা বিলুপ্তি কৰি মৌজাদাৰী প্ৰথা বলৱৎ কৰাৰ বিষয়ে চৰকাৰে বৰ্তমান বিবেচনা কৰা নাই।

(ঘ) লক্ষীপুৰ জমিদাৰৰ অধীনস্থ নাচনি ডিহিংগৰ মাটিসমূহ সময়ে সময়ে ৰায়তী সকলক দখল অনুসৰি আবণ্টন দিয়া হৈছে আৰু সেই আবণ্টিত মাটিসমূহ "ভূমি ৰাজহ নীতি" অনুসৰি একচনীয়া পট্টালৈ ৰূপান্তৰ কৰি, পৰৱৰ্তী পৰ্য্যায়ত পৰ্য্যায়ক্ৰমে ম্যাদীকৰণ কৰা হৈছে।

শ্ৰীশেখ শ্বাহ আলম ঃ মাননীয় অধ্যক্ষ মহোদয়, গাঁওবুঢ়া কিমান জন আছে? আমাৰ তাত গাঁওবুঢ়া নাই।

মাননীয় অধ্যক্ষ ঃ এতিয়া প্রশ্নোত্তৰ কাল শেষ হৈছে।

(Starred Question Nos. 109 to 120 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies there to)

বিষয় ঃ ভূমি সংৰক্ষণ আঁচনি।

শ্রীভূপেন ৰয়ে সুধিছে ঃ

*১০৯। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ভূমি সংৰক্ষণ বিভাগে ২০১১-১২/২০১২-১৩ বর্ষৰ বাবে কিবা আঁচনি হাতত লৈছেনে?

(খ) যদি লৈছে, উক্ত আঁচনিৰ টকাসমূহ কোন কোন শিতানৰ পৰা আহিব? (ধার্য্য কৰা আঁচনিসমূহৰ নাম সহ জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(গ) ৰৰপেটা সংমণ্ডলৰ অন্তর্গত বঙাইগাঁও জিলাৰ বাহিগুৰী Gully Control Project ভাঙি যোৱা কথাটো চৰকাৰ অৱগতনে?

(ঘ) যদি অৱগত, উক্ত আঁচনিৰ বাবে টকা মঞ্জুৰী দিয়াৰ ব্যৱস্থা হাতত লৈছেনে?

ডাঃ অর্ধেন্দু কুমাৰ দে (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ভূমি সংৰক্ষণ বিভাগে ২০১১-১২/২০১২-১৩ বর্ষৰ বাবে তলত উল্লেখিত আঁচনিসমূহ হাতত লৈছে।

১) ভূমি উন্নয়ন আঁচনি।

২) উল্টা খণ্ডা নিয়ন্ত্রণ আঁচনি।

৩) ভূমি আবাদিকৰণ আৰু জল বিতৰণ আঁচনি।

৪) নদীপাৰ নিয়ন্ত্রণ আঁচনি

৫) সংৰক্ষিত বনানিকৰণ আঁচনি।

৬) প্রাকৃতিক সৌন্দর্য্যবর্ধন আৰু সংৰক্ষণ আঁচনি।

৭) বাগিচা শস্য উন্নয়ন আঁচনি।

৮) গৃহ নির্মাণ আৰু প্ৰৱেশ পথ নির্মাণ আঁচনি।

৯) ভূমি জৰীপ আঁচনি।

১০) শিক্ষা আৰু প্ৰশিক্ষণ আঁচনি।

আৰু সমন্বিত জলচ্ছেদ ব্যৱস্থাপনা আঁচনি (IWMP)ৰ অধীনত ২০১১-১২ বর্ষত ভাৰত চৰকাৰে অসমৰ ২৭খন জিলা সামৰি মুঠ ৮৩ টা প্ৰকল্প অনুমোদন জনাইছে আৰু ২০১২-১৩ বর্ষৰ বাবে বর্তমানলৈকে ভাৰত চৰকাৰৰ পৰা IWMP ৰ কোনো আঁচনিৰ অনুমোদন পোৱা নাই।

(খ) উক্ত আঁচনিসমূহৰ টকা ৰাজ্যিক পৰিকল্পনা আৰু সমন্বিত জলচ্ছেদ আঁচনিৰ শিতানৰ পৰা লোৱা হ'ব আৰু আঁচনিসমূহৰ নাম জিলা ভিত্তিত তালিকা 'ক' আৰু 'খ'ত উল্লেখ কৰি সদনৰ মজিয়াত দাখিল কৰা হ'ল। (See Annexure-10 A)

(গ) হয়, চৰকাৰ অৱগত।

(ঘ) পুঁজিৰ আবণ্টন সাপেক্ষে উক্ত আঁচনিটো পুনৰ নির্মাণৰ ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ গৰাখহনীয়া প্ৰতিৰোধ।

শ্ৰীকেশৰ মহন্তই সুধিছে ঃ

*১১০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কলিয়াবৰ বিধানসভা সমষ্টিৰ অন্তর্গত গাখিৰে খাতি আৰু বিহদুৰী অঞ্চলত গৰাখহনীয়া ৰোধ কৰিবৰ বাবে বর্তমান কিমান টকাৰ আঁচনি গ্রহণ কৰা হৈছে? (প্রতিটো শিতানৰ বিতং তথ্য দিব)

(খ) এই আঁচনিসমূহ কেতিয়া সম্পূর্ণ হ'ব?

(গ) সেই অঞ্চলত বর্তমানৰ আঁচনিখনে সামৰি নোলোৱা কিমান ক্ষতিগ্রস্ত অঞ্চল বাকী আছে?

(বিতংকৈ জনাব)

(ঘ) চৰকাৰ অৱগতনে যোৱা বিধানসভাত উপৰোক্ত আঁচনিখনে সামৰি নোলোৱা অঞ্চলৰ বিষয়ে শূন্যকালীন ঘণ্টাত উত্থাপন কৰা হৈছিল আৰু মাননীয় মন্ত্রী ডাঙৰীয়াই অতি সোনকালে এই অঞ্চললৈ এক উচ্চ ক্ষমতাসম্পন্ন দল প্রেৰণ কৰি পুনৰ এখন আঁচনি গ্রহণ কৰাৰ প্রতিশ্রুতি দিছিলে?

(ঙ) যদি অৱগত, তেন্তে এই অঞ্চলত কেনে ব্যৱস্থা গ্রহণ কৰিলে?

(চ) কলিয়াবৰ বিধানসভা সমষ্টিত জলসম্পদ বিভাগে ইয়াৰ উপৰিও কি কি নতুন আঁচনি গ্রহণ কৰিছে?

শ্রীৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) কলিয়াবৰ বিধানসভা সমষ্টিৰ অন্তর্গত গাখীৰ খাইতী এলেকাত গৰাখহনীয়া প্রতিৰোধৰ বাবে ১৮৯৯.২৮ লাখ টকাৰ এখন আঁচনি ৰূপয়াণ কৰি থকা হৈছে। ইয়াৰ উপৰিও হাতীমূৰা অঞ্চলৰ খহনীয়া ৰোধ কৰিবৰ বাবে এখন আঁচনি ৯৮৯.৪০ লাখ টকাৰ বাবে প্রস্তুত কৰা হৈছে।

(খ) ওপৰত উল্লেখ কৰা আঁচনিসমূহৰ ভিতৰত গাখীৰ খাইতী অঞ্চলত চলি থকা আঁচনিখন বর্তমান ৮০% কাম সম্পূর্ণ হৈছে আৰু অহা বাৰিষাৰ আগে আগে সম্পূর্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

অৱশ্যে হাতীমূৰা অঞ্চলত প্রস্তাৱ লোৱা আঁচনিখন যাৱতীয় অনুমোদনৰ পিছত কার্য্যকৰী কৰা হ'ব।

(গ) গাখীৰ খাইতী অঞ্চলত ৰূপায়ণ কৰি থকা আঁচনিখনে উক্ত অঞ্চলৰ শিলঘাট বিহুদুবী, মাজগাঁও, চামধৰা কলনী আদি এলেকা সামৰি লোৱা নাই।

(ঘ) যোৱা বিধানসভাৰ শূন্যকালীন ঘণ্টাত উত্থাপন কৰা বিষয় মর্মে জার্মানীৰ Schiller University ৰ অধ্যাপক Albert Flugel ৰ নেতৃত্বত

তিনিজনীয়া বিশেষজ্ঞ দল এটা ইং ২৮-০৭-২০১২ তাৰিখে নগাঁও জিলাৰ ডোৱবন্ধাৰ পৰা শিলঘাটলৈ ব্ৰহ্মপুত্ৰ নদীৰ অধ্যয়ন কৰে আৰু অনতি পলমে প্ৰতিবেদন দাখিল কৰিব।

(ঙ) উক্ত বিশেষজ্ঞ দলত প্ৰতিবেদন লাভ কৰা হোৱা নাই। প্ৰতিবেদনৰ পৰামৰ্শ মতে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(চ) কলিয়াবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত শিলঘাট নদী বন্দৰ আৰু পাৰ্শ্ববৰ্তী এলেকাৰ খহনীয়া প্ৰতিৰোধৰ বাবে ২৭৩.৫০ লাখ টকাৰ এখন আঁচনি প্ৰস্তুত কৰি কাৰ্য্যকৰী কৰাৰ বাবে ভাৰত চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ ওচৰত দাখিল কৰা হৈছে। আঁচনিখন বৰ্তমানলৈ ৰূপায়ণ কৰা হোৱা নাই।

বিষয় ঃ জলসিঞ্চনৰ ব্যৱস্থা।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

*১১১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বৰ্তমান জলসিঞ্চন বিভাগৰ অধীনত কি কি আঁচনি চলি আছে?

(খ) বৰ্তমান ধুবুৰী জিলাত সৰ্বমুঠ কিমান হেক্টৰ মাটিত জলসিঞ্চন ব্যৱস্থা আছে?

(গ) ধুবুৰী জিলাত বৰ্তমানলৈকে কি কি আঁচনি চলি আছে?
(সমষ্টি ভিত্তিত বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(ঘ) বিলাসীপাৰা পূব সমষ্টিত যথেষ্ট কৃষিভূমি থকা সত্ত্বেও পৰ্য্যাপ্ত জলসিঞ্চনৰ ব্যৱস্তা নথকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(ঙ) কৃষক ৰাইজৰ স্বাৰ্থত নতুন নতুন অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা কৰিবনে?

(চ) যদি কৰে, কেতিয়াৰ পৰা কৰিব?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) জলসিঞ্চন বিভাগৰ অধীনত বোঁৱতী জলসিঞ্চন আঁচনি (Flow

Irrigation Scheme), উত্তোলিত জলসিঞ্চন আঁচনি (Lift Irrigation Scheme) আৰু গভীৰ ও অগভীৰ নলীনাদ আঁচনি (DTWS & STWS) জলসিঞ্চিত কৃষি ভূমিৰ পৰিমাণ অনুযায়ী ক্ষুদ্ৰ জলসিঞ্চন আঁচনি (Minor Irrigation Scheme), মজলীয়া জলসিঞ্চন আঁচনি (Medium Irrigation Scheme) আৰু বৃহৎ জলসিঞ্চন আঁচনি (Major Irrigation Scheme) হিচাপে ৰাজ্যিক পৰিকল্পনা শিতান (State Plan) জনজাতীয় উপ-পৰিকল্পনা শিতান (TSP) অনুসূচিত জাতি পৰিকল্পনা শিতান (SCSP), উদংৰহিত কেন্দ্ৰীয় সমল কোষ (NLCPR), ত্বৰান্বিত জলসিঞ্চন সুযোগ আঁচনি (AIBP), অসম বিকাশ যোজনা (ABY), নাবার্ড-গ্ৰাম্য কাঠামো উন্নয়ন পুঁজি (NABARD-RIDE), উত্তৰ-পূব পৰিষদ আঁচনি (NEC Progremme) আদি বিভিন্ন শিতান/আঁচনিৰ জৰিয়তে ৰূপায়িত হৈ আছে।

(খ) বৰ্তমান ধুবুৰী জিলাত সৰ্বমুঠ ৯৮৪৯ হেক্টৰ কৃষিভূমি জলসিঞ্চন ব্যৱস্থাৰ আঁওতাত আছে।

(গ) ধুবুৰী জিলাত বৰ্তমানলৈকে চলি থকা আঁচনিসমূহৰ সমষ্টি ভিত্তিত তথ্য অনুবদ্ধ-১ ত দিয়া হ'ল। (See Annexure-XI)

(ঘ) বিলাসীপাৰা পূব সমষ্টিত যথেষ্ট কৃষিবূমি আছে যদিও সমগ্ৰ কৃষিভূমি জলসিঞ্চন ব্যৱস্তাৰ আঁওতালৈ অহা নাই। হৃত জলসিঞ্চিত কৃষিভূমিৰ (Lost potential) পুনৰ উদ্ধাৰৰ বাবে নাবার্ডৰ সাহায্যত ২খন, বিশেষ মেৰামতি শিতানত ১খন আৰু ত্ৰয়োদশ বিত্ত আয়োগৰ অনুদানেৰে ২খন আঁচনি পুনৰুদ্ধাৰৰ বাবে অনুমোদন দিয়া হৈছে।

(ঙ) হয়, পর্য্যায়ক্ৰমে প্ৰয়োজনীয় ধনৰ আবণ্টন সাপেক্ষে নতুন নতুন অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা কৰা হ'ব।

(চ) উপযুক্ত শিতানত প্ৰয়োজনীয় ধনৰ আবমটন পালেই কৰিব পৰা যাব।

Sub : Non grant of Money to non S.c. LAC Area.

Shri Monowar Hussain asked :

*112. Will the Minister of WPT & BC (Excluding BTAD area) be pleased to state:

a) A large number of SC/ST people are living in non SC/ST Reserved LAC and last year i.e. in 2011-12, RS.50 lacs was granted to each of the LAC area for Road Development, but in the current year 2012-13 no such amount has yet been granted.

b) Whether SC/ST Development grant/fund would be accorded to the non SC/ST LAC?

c) If not, please give reasons?

Shri Rajib Lochan Pegu (Minister (Ind), WPT & BC Deptt.) replied :

a) An amount of Rs.50.00 lakhs under SCSP was allocated to each LAC for road development during 2011-12. But meeting of the Advisory Council for SC decided that out of total allocation of Rs. 79.45 crore during 2012-13 road schemes for an amount of Rs.40.00 crore will be taken up in the 8 (eight) reserve SC LAC and also in Majuli and Titabor LACs @ RS.4.00 crore each. The meeting also decided to take up road schemes in the SC dominated areas of other districts also.

b) Yes, For PWD (R), also RS.3945.00 lakhs under SCSP has been allocated for SC dominated area of other LACs other than SC reserved seat.

c) Does not arise.

বিষয় ঃ অসমৰ পানীত অৰ্চেনিক।

শ্ৰীৰনজিৎ কুমাৰ দাসে সুধিছে ঃ

*১১৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন জিলাসমূহত পানীৰ লগত কিমান পৰিমাণৰ আৰ্চেনিক আছে? (জিলা অনুপাতে সদনৰ মেজত দাখিল কৰিব)

(খ) আৰ্চেনিকযুক্ত পানী সেৱন কৰাৰ ফলত কি কি ক্ষতি হয়? পৰিত্ৰাণৰ বাবে ৰাইজ বা চৰকাৰে কি কৰা উচিত?

(গ) সৰ্বাধিক পৰিমাণৰ আৰ্চেনিক থকা জিলাসমূহত বিশেষ ব্যৱস্থা কিবা চৰকাৰে লৈছেনে?

(ঘ) দেশৰ ভিতৰত আৰ্চেনিকযুক্ত পানীৰ ক্ষেত্ৰত অসমৰ স্থান কি জনাবনে?

শ্ৰীগৌতম ৰয় (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) জিলভিত্তিত পানীৰ লগত থকা আৰ্চেনিকৰ পৰিমাণ অনুসূচী-১ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-XII)

(খ) আৰ্চেনিকযুক্ত পানী সেৱন কৰাৰ ফলত শৰীৰত ক'লা আৰু বগা দাগ পৰা (মেলানোচিচ), হাতৰ আৰু ভৰিৰ তলুৱাত অংশ বিশেষে ডাঠ হোৱা, ধাৰাবাহিকভাৱে কাঁহ হোৱা আৰু শ্বাস-প্ৰশ্বাসত অসুবিধা পোৱা, হাত আৰু ভৰিৰ আঙুলিত ক্ষয়ৰোগ হোৱা, হাত-ভৰিৰ জিনজিননি, বিষ আৰু ফুলি উঠা, যকৃত, চাল আৰু হাওঁফাওঁত কৰ্কটৰোগ আদি হ'ব পাৰে। উক্ত বেমাৰবোৰ বহুদিন ধৰি আৰ্চেনিকযুক্ত পানী সেৱন কৰাৰ ফলতহে হ'ব পাৰে।

উল্লেখ্য বেমাৰৰ পৰা পৰিত্ৰাণ পাবৰ বাবে ৰাইজে আৰ্চেনিকযুক্ত

পানী সেৱন কৰা আৰু চৰকাৰে আর্চেনিকযুক্ত পানী যোগান ধৰা উচিত।

(গ) সর্বাধিক পৰিমাণৰ আর্চেনিক থকা জিলাসমূহত ভূগর্ভৰ পানীৰ বিকল্প হিচাপে ভূপৃষ্ঠাৰ পানীক উৎস হিচাপে গ্রহণ কৰি নতুন আঁচনি লোৱা হৈছে আৰু পুৰণি আঁচনিসমূহৰ উৎসসমূহ পৰিত্যাগ কৰি বিকল্প উৎস ব্যৱস্থা কৰা হৈছে বা সন্ধান কৰা হৈছে। নলীনাদ উৎসসমূহৰ ক্ষেত্রতো বিকল্প হিচাপে অগভীৰ পকী কুৱা দিয়া হৈছে।

(ঘ) দেশৰ ভিতৰত আর্চেনিকযুক্ত পানীৰ ক্ষেত্রত অসমৰ স্থানৰ কোনো তথ্য নাই। অসমৰ বাহিৰে পশ্চিমবংগ, উত্তৰপ্রদেশ, ঝাৰখণ্ড, ছত্তিশগড়, বিহাৰ আৰু মণিপুৰত ভূগর্ভৰ পানীত আর্চেনিক পোৱা গৈছে।

বিষয় ঃ FDR (CRF) ৰ ধন আবণ্টন।

শ্রীজয়ন্ত মল্ল বৰুৱাই সুধিছে ঃ

১১৪। মাননীয় ৰাজহ ও দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০১২-১৩ বিত্তীয় বর্ষত নলবাৰী জিলাৰ (CRF) শিতানত কিমান টকা আবণ্টন দিয়া হৈছে? (প্রতিটো কামৰ নাম আৰু নির্ধাৰিত ধন ৰাশিৰ বিৱৰণ সদনত দাখিল কৰিব)

(খ) কামসমূহৰ নির্বাচনৰ ক্ষেত্রত জিলা ভিত্তিত সমিতিয়ে অগ্রাধিকাৰ ভিত্তিত অনুমোদন কৰি পঠিওৱা কামসমূহক গুৰুত্ব প্রদান কৰা হৈছেনে? যদি হৈছে, জিলাৰ পৰা পঠিওৱা তালিকাখন সদনত দাখিল কৰিবনে আৰু যদি হোৱা নাই, নোহোৱাৰ কাৰণ সদনত দাখিল কৰিবনে?

শ্রীপৃথিৱী মাঝি (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১২-১৩ বিত্তীয় বর্ষত নলবাৰী জিলাক SDRF শিতানত এতিয়ালৈ সর্বমুঠ ৪,০৩,১৭,০০০/- টকা মঞ্জুৰি দিয়া হৈছে। মঞ্জুৰিকৃত প্রতিটো কামৰ নাম আৰু নির্ধাৰিত ধনৰাশিৰ পৰিমাণ সম্বলিত তালিকা পৰিশিষ্ট-

'ক' ত দাখিল কৰা হ'ল।) (See Annexure-XIII)

(খ) হৈছে। ৰাজ্যিক কার্যকৰী সমিতিৰ অধীনস্থ উপ-সমিতিৰ ১৮/২/২০১২ তাৰিখৰ সভাৰ সিদ্ধান্তমর্মে জিলা দুর্য্যোগ ব্যৱস্থাপনা প্রাধিকৰণে অনুমোদন জনোৱা আঁচনিসমূহ সংশ্লিষ্ট বিভাগে পৰীক্ষা-নিৰীক্ষা কৰাৰ অন্তত অগ্রাধিকাৰ ভিত্তিত দাখিল কৰা আঁচনিসমূহক "ৰাজ্যিক কার্য্যকৰী সমিতি"য়ে অনুমোদন জনায়। এই অনুমোদিত আঁচনিসমূহ ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগে মঞ্জুৰি প্রদান কৰে। নলবাৰী জিলাৰ পৰা পঠিওৱা বিভিন্ন বিভাগৰ আঁচনিসমূহৰ তালিকা পৰিশিষ্ট-"খ"ত দাখিল কৰা হ'ল। (See Annexure-XIV)

বিষয় ঃ পানী যোগান আঁচনি।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

*১১৫। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ বঢ়মপুৰ বিধানসভা সমষ্টিত ২০১১-১২, ২০১২-১৩ বিত্তীয় বছৰত কি কি পানী যোগন আঁচনি হাতত লোৱা হৈছে আৰু ক'ত ক'ত লোৱা হৈছে জনাবনে?

(খ) উক্ত আঁচনিসমূহ ৰূপায়ণৰ বাবে কাক কাক ঠিকা দিয়া হৈছিল আৰু কিমান শতাংশ কাম এতিয়ালৈকে সম্পূর্ণ হৈছে, কিমান টকা মুকলি কৰা দিয়া হ'ল কামসমূহ কেতিয়া সম্পূর্ণ হ'ব জনাবনে?

(গ) নতুনকৈ ২০১৩-১৪ চনত কি কি আঁচনি হাতত লোৱা হ'ব উল্লেখ কৰিবনে?

শ্রীগৌতম ৰয় (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) নগাঁও জিলাৰ বঢ়মপুৰ বিধানসভা সমষ্টিত ২০১১-১২ বর্ষত ৫ (পাঁচ)টা পানী যোগান আঁচনিৰ কাম হাতত লোৱা হৈছিল। ২০১২-১৩ বর্ষত কোনো আঁচনি লোৱা হোৱা নাছিল। ক'ত ক'ত লোৱা হৈছিল নামসহ তালিকা 'Annexure-A' ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল।

(See Annexure-XV)

(খ) উক্ত আঁচনিসমূহ ৰূপায়ণৰ বাবে কাক কাক ঠিকা দিয়া হৈছিল, আঁচনিৰ কাম কিমান অংশ এতিয়ালৈকে সম্পূৰ্ণ হৈছে, কিমান টকা মুকলি কৰিব দিয়া হ'ল আৰু কামসমূহ কেতিয়া সম্পূৰ্ণ হ'ব তাৰ সবিশেষ তথ্য 'Annexure-B' ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল।

(Annexure-XVI)

(গ) অহা ২০১৩-১৪ বৰ্ষত ৮ (আঠ)টা নতুন পানী যোগান আঁচনি গ্ৰহণ কৰাৰ কাৰণে যাৱতীয় প্ৰস্তুতি কৰি থকা হৈছে। আঁচনিৰ তালিকা 'Annexure-A' ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল।

বিষয় ঃ জলসম্পদৰ আঁচনি, ভগা মথাউৰি অনুসন্ধান।

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

*১১৬। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১২ চনৰ বানপানীত ৰাজ্যত ক'ত ক'ত কি ক্ষতি হৈছিল? (বিস্তৃতভাৱে জনাই তালিকা দাখিল কৰিব)

(খ) ভগা মথাউৰিবোৰ পুনৰ নিৰ্মাণৰ বাবে কিমান টকাৰ অনুমোদন দিয়া হৈছে? ভগা মথাউৰিবোৰ পুনৰ মেৰামতিৰ বাবে ৰৰ্ক অৰ্ডাৰ দিয়া হ'লনে? কোনকেইটা মথাউৰিৰ ৰৰ্ক অৰ্ডাৰ দিলে আৰু কোনকেইটা মথাউৰিৰ ৰৰ্ক অৰ্ডাৰ দিয়া হোৱা নাই? কি কাৰণত বাকীবোৰ মথাউৰিৰ ৰৰ্ক অৰ্ডাৰ দিয়া হোৱা নাই।

(গ) বৰ্তমান জলসম্পদ বিভাগৰ হাতত কি কি আঁচনি বিবেচনাধীন হৈ আছে? (এই আঁচনিবোৰৰ নাম, টকাৰ পৰিমাণ, এই আঁচনি প্ৰস্তাৱ বৰ্তমান ক'ত বিবেচনাধীন হৈ আছে সেই বিষয়ে উল্লেখ কৰিব)

(ঘ) ব্ৰহ্মপুত্ৰ নদী কেতিয়া ছাৰ্ভে কৰা হৈছিল, এই ছাৰ্ভেৰ প্ৰতিলিপি দাখিল কৰিবনে? এতিয়া পুনৰ ব্ৰহ্মপুত্ৰ নদী ছাৰ্ভে কৰা হ'বনে? যদি হ'ব কেতিয়া হ'ব, যদি নহয়, কিয় নহয়?

(ঙ) জলসম্পদ বিভাগত অনুসন্ধান গোটটোৰ কাম কি? এই গোটটোৱে বিগত ৫টা বর্ষত কি কি অনুসন্ধান কৰিছে? (অনুসন্ধানৰ প্ৰতিলিপি সদনত দাখিল কৰিব)

(চ) বর্তমান ৰাজ্যত কিমানটা মথাউৰি আছে? (এই মথাউৰিবোৰৰ নাম, দৈর্ঘ্য, ক'ত কেতিয়া নির্মাণ কৰা হৈছিল সেই বিষয়ে সবিশেষ তথ্য দিব)

(ছ) ম্যাদ ওকলা মথাউৰিৰ সংখ্যা (কিলোমিটাৰ দৈর্ঘ্য সহ) কিমান? এই মথাউৰিবোৰৰ নাম আৰু মথাউৰিবোৰ শক্তিশালী কৰাৰ বাবে কি ব্যৱস্থা লোৱা হৈছে?

(জ) এছিয়ান ডেভেলপমেণ্ট বেংকৰ জৰিয়তে ৰূপায়ণ কৰিবলগীয়া আঁচনিসমূহৰ বর্তমান স্থিতি কি? (আঁচনিৰ নাম, অনুমোদিত ধন, ৰাজ্য চৰকাৰৰ অংশ, ৰৰ্ক অর্ডাৰ, কামৰ অগ্ৰগতি সম্পর্কে বিশদভাৱে জনাব)

শ্ৰীৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১২ চনৰ বানপানীত ৰাজ্যত মুঠ ৭৪ ঠাইত মথাউৰি ছিণ্ডি যায়। ছিণ্ডি যোৱা মথাউৰিৰ বিতং তথ্য পৰিশিষ্ট-'ক' ত দাখিল কৰা হ'ল।

(See Annexure-XVII)

(খ) ভগা মথাউৰিবোৰৰ পুনৰ নির্মাণৰ বাবে ২০১২-১৩ বর্ষত ৰাজহ বিভাগৰ পৰা ১২,৭৬৮.৮৯৭ লাখ টকাৰ অনুমোদন পোৱা গৈছে।

ভগা মথাউৰিবোৰৰ মেৰামতিৰ বাবে বর্তমানলৈ ৫৮ খন আঁচনিৰ কামৰ বিপৰীতে ৰৰ্ক অর্ডাৰ দিয়া হৈছে। ১৬৭০.৫১৫ লাখ টকাৰ আন ৯ খন আঁচনিৰ ৰৰ্ক অর্ডাৰৰ প্ৰক্ৰিয়া চলি আছে। উক্ত ৯ খন আঁচনিৰ ০১/০৩/২০১৩ তাৰিখে ৰাজহ বিভাগৰ পৰা মঞ্জুৰী পোৱা হৈছে।

(বিতং তথ্য পৰিশিষ্ট-'খ'ত সংযোজনা কৰা হ'ল)

(See Annexure-XVIII)

(গ) বর্তমান জলসম্পদ বিভাগৰ হাতাত খহনীয়া প্ৰতিৰোধ, নগৰ সুৰক্ষা, মথাউৰি নিৰ্মাণ তথা সৰলীকৰণ ইত্যাদি কামৰ বাবে বিভিন্ন আঁচনিৰ প্ৰস্তাৱ বিবেচনাধীন হৈ থকা আঁচনিসমূহৰ নাম, টকাৰ পৰিমাণ, আঁচনিৰ প্ৰস্তাৱৰ বিতং তথ্য পৰিশিষ্ট-'গ'ত সংযোজনা কৰা হৈছে।

(See Annexure-XVIX)

(ঘ) জলসম্পদ বিভাগৰ অধীনৰ উজনি অসম অনুসন্ধান সংমণ্ডল, যোৰহাটৰ দ্বাৰা ব্ৰহ্মপুত্ৰ নৈত ছেদ নং ৪৫ (Cross Section)ৰ পৰা ৬৫ লৈ ২০০৭-০৮ বছৰত জৰীপ কৰা হৈছিল।

৫৪তম কাৰিকৰী উপদেষ্টা কমিটীৰ অনুমোদন মৰ্মে জৰীপৰ ৩খন প্ৰাক্‌কলন প্ৰস্তুত কৰা হৈছে। যাৱতীয় অনুমোদন ও পুঁজিৰ আবণ্টন সাপেক্ষে ছেদ নং-২ (Cross Section)ৰ পৰা ৬৫ লৈ পুনৰ জৰীপ কৰিব পৰা হ'ব।

(তথ্য পৰিশিষ্ট-'ঘ' ত সংযোজন কৰা হ'ল)

(See Annexure-XX)

(ঙ) জলসম্পদ বিভাগৰ অনুসন্ধান গোটটোৱে নদীসমূহৰ জলপ্ৰৱাহৰ পৰিমাণ (Discharge) জলস্তৰৰ মাপ (Water level) গেদৰ (Slit load) পৰিমাণ দৈনিক/সাপ্তাহিক ভিত্তিত প্ৰতিবছৰে অনুসন্ধান কৰে। লগতে অসমৰ বিভিন্ন ভৌগলিক স্থানৰ বৰষুণৰ পৰিমাণ জোখ-মাপ কৰি উলিয়ায়। অনুসন্ধানৰ প্ৰতিলিপি সংগ্ৰহ কৰি থকা হৈছে।

(চ) জলসম্পদ বিভাগৰ অধীনৰ অধীনত বৰ্তমান ৰাজ্যত ৪৪৭৩.৮২ কিঃমিঃ মথাউৰি আছে।

(বিতং তথ্য পৰিশিষ্ট-'ঙ'ত সংযোজন কৰা হৈছে।)

(See Annexure-XXI)

(ছ) জলসম্পদ বিভাগৰ অধীনৰ মুঠ ণতাউৰিৰ প্ৰায় ৩৯১৮ কিঃমিঃ মথাউৰিৰ ম্যাদ উকলি গৈছে।

জলসম্পদ বিভাগে একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধীনত ৫২৮

কিঃমিঃ মথাউৰিৰ ওখ ও সৱলীকৰণৰ কাম সম্পূৰ্ণ কৰিছে। দ্বাদশ পঞ্চবার্ষিক পৰিকল্পনাৰ অধীনত কিছুমান মথাউৰি শক্তিশালী কৰাৰ বাবে প্ৰস্তাৱ দাখিল কৰা হৈছে, (বিতং তথ্য পৰিশিষ্ট-'চ'ত সংযোজনা কৰা হ'ল)।

(See Annexure-XXII)

(জ) এছিয়ান ডেভেলপমেণ্ট বেংকৰ জৰিয়তে ৰূপায়ণ কৰিবলগীয়া আঁচনিসমূহৰ বৰ্তমান স্থিতি তলত উল্লেখ কৰা হ'ল—

১। আঁচনিৰ নাম ঃ Assam Integrated Flood and River bank Erosion Risk Management Investment Programme (AIFRERMIP)

২। অনুমোদিত ধন ঃ আঁচনিখন ৰূপায়িত কৰিবৰ কাৰণে সৰ্বমুঠ ১৫০.০০ মিলিয়ন আমেৰিকান ডলাৰ আবণ্টিত কৰা হৈছে। এই আবণ্টিত ধন ৰাশি সময়সীমাৰ আধাৰত দুটা স্তৰত ভাগ কৰা হৈছে—

(১) Tranche-I (২) Tranche-II.

বৰ্তমান Tranche-I ৰ বাবে ৭১.১০ মিলিয়ন আমেৰিকান ডলাৰ অনুমোদন কৰা হৈছে।

৩। ৰাজ্য চৰকাৰৰ অংশ ঃ অনুমোদিত ধনৰ ১০ শতাংশ হিচাপে ধাৰ্য্য কৰা হৈছে।

৪। ৰৰ্ক অৰ্ডাৰ, কামৰ অগ্ৰগতিৰ খতিয়ান তলত উল্লেখ কৰা হ'ল—

(ক) <u>ডিব্ৰুগড় উপ-প্ৰকল্প ঃ</u>

1. Supply of Geo-Textile bages and Geo filler sheet = Rs. 10,08,18,450.00

কামৰ অগ্ৰগতি = ১০০ শতাংশ।

2. Fabrication, supply & Installation of PSC porcupine (Lot-2) = Rs. 2,30,15,600.00

কামৰ অগ্রগতি = ১০০ শতাংশ

3. Fabrication, Supply & Installation of PSC porcupine (Lot-1) = Rs. 2,10,23,200.00

কামৰ অগ্রগতি = ১০০ শতাংশ

4. Construction of Revetment, apron and Pank Protection for Motholla-oakland (Lot-1 & lot-2) = Rs. 32,31,48,156.00

কামৰ অগ্রগতি = ২৫ শতাংশ

5. Small works at Dibrugarh sub-project (survey, Approach Road, Chainage post, Stack yard covered store, Chowkider house, Emergency work etc) = Rs. 83,96,262.00.

কামৰ অগ্রগতি = ১০০ শতাংশ

6. Engagement for Resettle by NGO (SEWA) = Rs. 23,57,670.00

কামৰ অগ্রগতি = চলি আছে।

(খ) <u>পলাশবাৰী উপ-প্রকল্প ঃ</u>

1. Supply of Geo-Textile bags & Geo-Textile Filter sheets (Lot-2 & Lot-3)

= Rs. 15,32,89,280.00

কামৰ অগ্রগতি = ১০০ শতাংশ

2. Palasbari-Gumi Erosion Protection works (Pakage 1 & 2) = Rs. 70,93,03,342

কামৰ অগ্রগতি = ২০ শতাংশ

3. Engagement for Resettlement by NGO (HRDE at

Mirza) = Rs. 27,16,650.00

কামৰ অগ্রগতি = চলি আছে।

(গ) <u>কাজিৰঙা উপ-প্রকল্প ঃ</u>

উক্ত উপ-প্রকল্পটোৰ কাম বর্তমান প্রাথমিক পর্য্যায়ত আছে। প্রাৰম্ভিক পর্য্যায়ত Hydrological data সংগ্রহ কৰি Morphological অধ্যয়ন আৰু Flood Modaling plan ৰ কাম সম্পন্ন কৰা হৈছে। প্রাক্কলনটোৰ সংশোধিত DPR প্রস্তুত কৰা হৈছে আৰু এই DPR Forest Clearance ৰ পিছত Central Water Commission ত দাখিল কৰা হ'ব।

বিষয় ঃ চৰ অঞ্চলত জলস্বাস্থ্য আঁচনি।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

*১১৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰ অঞ্চলৰ ৰাইজক বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ বাবে চৰকাৰে কি কি আঁচনি গ্রহণ কৰিছে? (বিতং তথ্য দিব)

(খ) নগাঁও, মৰিগাঁও আৰু দলং, শোণিতপুৰ জিলাৰ মাজত থকা ব্রহ্মপুত্র নদীৰ আইৰমাৰী, ৰৌমাৰা গুলিৰপাৰ, বাঘাটপু, লাটিমাৰী, গণেশটাপু, দুবৰামাৰি, আৰেদেৰ চৰ, ৰাণীটাপু, মুছলেমচৰ, দ্বীপচৰ, লহৰীয়া, মাজেৰ চৰ, পানেৰী, গৰুখুটি, ভজাখাইতি, সোণাৰী গাঁও, তিনটেকীয়া, মদাৰগুৰি, পানচৈ, মৰিশালি, চিতলমাৰী আদি চৰত বিশুদ্ধ খোৱাপানী যোগান আৰু সম্পূর্ণ অনাময় আঁচনিৰ অধীনত কি কি কাম কৰা হৈছে? (বিতং তথ্য দাখিল কৰিব)

(গ) বিগত বানপানীৰ পিছত বানপীড়িত লোকৰ কল্যাণার্থে কি কি কাম কৰা হ'ল? (চক্র ভিত্তিক তথ্য দিব)

শ্রীগৌতম ৰয় (জলস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) চৰ অঞ্চলৰ ৰাইজক বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ বাবে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কোনো সুকীয়া আঁচনি নাই। অন্যান্য অঞ্চলৰ লগতে

চৰ অঞ্চলতো ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰ দ্বাৰা অনুমোদিত পানী যোগান আঁচনি, দমকল, পকী কুৱা, তাৰা পাম্প আদি আঁচনিসমূহ চৰ অঞ্চলৰ ক্ষেত্ৰতো প্ৰযোজ্য।

(খ) নগাঁও, মৰিগাঁও আৰু দলং শোণিতপুৰ জিলাৰ মাজত থকা ব্ৰহ্মপুত্ৰ নদীৰ নিম্নোলিখিত চৰসমূহৰ খোৱাপানী যোগানৰ উৎসসমূহ তালিকা আকাৰে তলত দিয়া হ'ল।

ক্ৰমিক নং	গাঁৱৰ নাম	দমকল/ চিঙুৰ পাম্প	তাৰা পাম্প	মাৰ্ক ৩ পাম্প	পকী কুৱা
১	আৰিমাৰী নং ১	৫ টা	১৯ টা	-	-
২	আৰিমাৰী নং ২	৪ টা	৬ টা	-	-
৩	আৰিমাৰী নং ৩	৪ টা	২৭ টা	-	-
৪	আৰিমাৰী নং ৪	৪ টা	১৫ টা	-	-
৫	আৰিমাৰী নং ৫	৪ টা	১২ টা	-	-
৬	ৰৌয়াৰী	২ টা	৪ টা	-	-
৭	দুৱাৰমাৰী	৪ টা	-	-	-
৮	আবেদৰ চৰ	-	-	৩ টা	২ টা

ক্রমিক নং	গাৱঁৰ নাম	দমকল/ চিঙুৰ পাম্প	তাৰা পাম্প	মার্ক ৩ পাম্প	পকী কুৱা
৯	ৰাণীটাপু	৯ টা	-	-	-
১০	গৰুখুটি	২ টা	৪ টা	-	-
১১	ডজাই খাইটি	১৮ টা	-	২ টা	-
১২	সোণাৰীগাঁও	১১ টা	-	-	-
১৩	তিনটেকীয়া	২ টা	১৬ টা	-	-
১৪	মদাৰগুৰি	৮ টা	-	-	-
১৫	চিতলমাৰী কলনি	-	৩ টা	-	-
১৬	চিতলমাৰী পথাৰ	৩ টা	-	-	-

নগাঁও, মৰিগাঁও আৰু দৰং শোণিতপুৰ জিলাৰ মাজত থকা ব্ৰহ্মপুত্ৰ নদীৰ প্ৰশ্নত উল্লেখ কৰা চৰ অঞ্চলবোৰত সম্পূৰ্ণ অনাময় আঁচনিৰ অধীনত হোৱা কামবোৰ তলত উল্লেখ কৰা হ'ল।

ক্রমিক নং	চৰ এলেকাৰ নাম	শৌচাগাৰ বনোৱা সংখ্যা
১	গৰুখুটি	২২
২	ৰাণীটাপু	১১১
৩	তিনটেকাটাপু	১২৬
৪	আবেদৰ চৰ	নাই
৫	দুৱাৰমাৰী	নাই
৬	মকুৱা চৰ	১৫০
৭	চিৰণীয়া চৰ	২২০
	মুঠ	৬২৯

(গ) বিগত বানপানীৰ পিছত বানপীড়িত লোকৰ কল্যাণাৰ্থে কৰা কামৰ তালিকা (চক্রভিত্তিক) 'Annexure-1' ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-XXIII)

বিষয় ঃ ছয় জনগোষ্ঠীক জনজাতিকৰণ তালিকাত অন্তর্ভুক্ত।

শ্রীদিলীপ মৰাণে সুধিছে ঃ

*১১৮। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মৰাণ, মটক, কোচ ৰাজবংশী, তাই আহোম, চাহ জনগোষ্ঠী আৰু চুতীয়া জনগোষ্ঠীক জনজাতিকৰণৰ বাবে চৰকাৰে গঠন কৰা বিশেষজ্ঞ

ক্রমিক নং	গাৱঁৰ নাম	দমকল/ চিঙুৰ পাম্প	তাৰা পাম্প	মার্ক ৩ পাম্প	পকী কুৰা
৯	ৰাণীটাপু	৯ টা	-	-	-
১০	গৰুখুটি	২ টা	৪ টা	-	-
১১	ডজাই খাইটি	১৮ টা	-	২ টা	-
১২	সোণাৰীগাঁও	১১ টা	-	-	-
১৩	তিনটেকীয়া	২ টা	১৬ টা	-	-
১৪	মদাৰগুৰি	৮ টা	-	-	-
১৫	চিতলমাৰী কলনি	-	৩ টা	-	-
১৬	চিতলমাৰী পথাৰ	৩ টা	-	-	-

নগাঁও, মৰিগাঁও আৰু দৰং শোণিতপুৰ জিলাৰ মাজত থকা ব্ৰহ্মপুত্ৰ নদীৰ প্ৰশ্নত উল্লেখ কৰা চৰ অঞ্চলবোৰত সম্পূৰ্ণ অনাময় আঁচনিৰ অধীনত হোৱা কামবোৰ তলত উল্লেখ কৰা হ'ল।

ক্রমিক নং	চৰ.এলেকাৰ নাম	শৌচাগাৰ বনোৱা সংখ্যা
১	গৰুখুটি	২২
২	ৰাণীটাপু	১১১
৩	তিনটেকাটাপু	১২৬
৪	আবেদৰ চৰ	নাই
৫	দুৱাৰমাৰী	নাই
৬	মকুৱা চৰ	১৫০
৭	চিৰণীয়া চৰ	২২০
	মুঠ	৬২৯

(গ) বিগত বানপানীৰ পিছত বানপীড়িত লোকৰ কল্যাণার্থে কৰা কামৰ তালিকা (চক্রভিত্তিক) 'Annexure-1' ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-XXIII)

বিষয় ঃ ছয় জনগোষ্ঠীক জনজাতিকৰণ তালিকাত অন্তর্ভুক্ত।

শ্রীদিলীপ মৰাণে সুধিছে ঃ

*১১৮। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মৰাণ, মটক, কোচ ৰাজবংশী, তাই আহোম, চাহ জনগোষ্ঠী আৰু চুতীয়া জনগোষ্ঠীক জনজাতিকৰণৰ বাবে চৰকাৰে গঠন কৰা বিশেষজ্ঞ

সমিতিসমূহে দাখিল কৰা প্ৰতিবেদনসমূহ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছেনে?

(খ) যদি প্ৰেৰণ কৰা হ'ল, বিতং তথ্য সদনৰ মেজত দাখিল কৰিবনে?

(গ) ছয় জনগোষ্ঠীক জনজাতিকৰণ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ (অসম) লগত আলোচনাত বহিছে নেকি?

(ঘ) যদি আলোচনাত বহা নাই, তেন্তে ৰাজ্য চৰকাৰে (অসম) কেন্দ্ৰীয় চৰকাৰক এই বিষয়ে আলোচনা কৰিবলৈ আবেদন কৰিছে নেকি জনাবনে? (বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

শ্ৰীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) প্ৰেৰণ কৰা হৈছে।

(খ) প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা চিঠিৰ প্ৰতিলিপি অনুবদ্ধ 'ক'ত সংলগ্ন কৰা হ'ল। (See Annexure-XXIV)

(গ) বহা নাই।

(ঘ) বৰ্তমানলৈ আবেদন কৰা হোৱা নাই।

Sub : Utilization of fund.

Shri Sirajuddin Ajmal asked :

*119. Will the Minister of Water Resources be pleased to state :

(a) What amount of both the Central and state fund have been utilized by the state Government in mitigation of flood as well as river bank erosion in the state during the year 2008-09 to 2012-13 ? (Give the data in details separately for all major rivers scheme wise)

(b) How many flood embankments are there in the State?

(c) How many of these are in inoperative condition as on today?

(Give the list in details in district wise)

(d) What is the Government Policy activate all the inoperative flood embankments in this state? (Give in details)

Shri Rajib Lochan Pegu (Minister of Water Resources) replied :

a) The amount of both the Central and State fund (both plan & non Plan) that have been utilized by the State Government in mitigation of flood as well as river bank erosion in the state during the year 2008-09 to 2012-13 is Rs. 108463.81 Lakh (Details furnished in Annexure-I

(See Annexure-XXV)

b) Details are furnished in Annexure -II.

(See Annexure-XXVI)

c) Cut of the total flood embankment about 3918 Km have crossed the design life span of 25 years. However, these embankments are in operative condition due to the periodic maintenance and repairing done from time to time.

(d) To strengthen the embankments, Water Resources Department has taken up R/S schemes from time

to time. During the 11th Five year Plan. 528 Km of R/S work have been completed. To strensthen the ermbankment of Erah maputra, one comprehensive scheme of about Rs. 4031041 Crore have been submitted to Brahmaputra Board which have been forwarded to CWC vide letter no.BB/CE-1/FMP/22/ Pt-1/2012/2154 dtd. 20-12-2013. During XII Plan, numerous new schemes have been propose do details are given in Annexure III. (See Annexure-XXVIII)

বিষয় ঃ শৰণার্থী স্থানান্তৰ।

শ্রীপ্রবীণ হাজৰিকাই সুধিছে ঃ

*১২০। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা বানপানীত বিশ্বনাথ সমষ্টিৰ পানী ভঁৰাল গাঁও পঞ্চায়তৰ অন্তর্গত বুৰঞ্জী প্রসিদ্ধ (২২ বিঘা মাটিৰ) ধেনুখনা পুখুৰীৰ পাৰত বানপানীত ক্ষতিগ্রস্ত বহুলোকে আশ্রয় লৈ অস্থায়ীভাৱে ঘৰ বনাই সিবিৰ কৰি চৰকাৰী সাহায্য লৈছিল চৰকাৰ অৱগতনে?

(খ) বানপানী যোৱা প্রায় ৬ মাহ অতিবাহিত হোৱাৰ পাছতো আজি পর্য্যন্ত উক্ত ৫০/৬০ ঘৰ মানুহ নিজৰ গৃহলৈ নোযোৱাটো সঁচানে?

(গ) যদি সঁচা, বুৰঞ্জী প্রসিদ্ধ পুখুৰীটোৰ পাৰৰ পৰা উক্ত মানুহখিনি নিজ গৃহলৈ যোৱাৰ ব্যৱস্থা কৰিবনে?

(ঘ) D. C, Sonitpur / S.D.C. (C). Biswanath Chariali ক জৰুৰীভাৱে এই সম্পর্কত কার্য্যকৰী ব্যৱস্থা ল'বলৈ নির্দেশ দিবনে?

শ্রীপৃথিৱী মাঝি (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) হয়, সঁচা, কাৰণ তেওঁলোকৰ বহুতৰ নিজৰ ঘৰভেটি বিশ্বনাথ পানপুৰ মথাউৰি ছিগাৰ পিছত নিচিহ্ন হৈ গৈছে।

(গ) শোণিতপুৰ জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য মতে উক্ত স্থানৰ পৰা মানুহখিনি পুনঃ সংস্থাপন দি উভতাই পঠিওৱাৰ বাবে উপযুক্ত চৰকাৰী মাটিৰ সন্ধান কৰি থকা হৈছে।.

(ঘ) ইতিমধ্যে উপায়ুক্তই প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিছে।

UNSTARRED QUESTIONS AND ANSWERS

বিষয় ঃ অব্যৱহৃত চৰকাৰী মাটিৰ পৰিমাণ।

শ্রীযাদৱ চন্দ্র ডেকাই সুধিছে ঃ

২০৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত কিমান চৰকাৰী মাটি আছে?

(খ) ইয়াৰে কিমান মাটি অব্যৱহৃত হৈ আছে?

(গ) বেদখল হৈ থকা চৰকাৰী মাটিৰ পৰিমাণ কিমান?
(জিলা ভিত্তিত তালিকা সদনৰ মেজত দিব)

(ঘ) কামৰূপ জিলাৰ কমলপুৰ চক্রৰ অধীনত থকা চৰকাৰী মাটিৰ পৰিমাণ কিমান?
(ঠাইৰ নাম উল্লেখ কৰি মাটিৰ পৰিমাণ সদনত দিব)

(ঙ) উক্ত চক্রৰ অধীনত বেদখল হৈ থকা মাটিৰ পৰিমাণ কিমান?

(চ) যদি বেদখলত আছে, তেনেহ'লে ক'ত ক'ত আছে আৰু কিমান কিমান পৰিমাণৰ আছে? (সম্পূৰ্ণ তথ্য সদনৰ মেজত দাখিল কৰিব)

শ্রীপৃথিৰী মাঝি (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) | বিভাগত থকা তথ্য মতে ৰাজ্যখনৰ চৰকাৰী মাটিৰ পৰিমাণ, অব্যৱহৃত

(খ) | চৰকাৰী মাটিৰ পৰিমাণ আৰু বেদখল হৈ থকা চৰকাৰী মাটিৰ পৰিমাণ

(গ) | পৰিশিষ্ট-'ক' যোগে সদনৰ মেজত দাখিল কৰা হ'ল।

(See Annexure-XXVIII)

(ঘ) কামৰূপ জিলাৰ কমলপুৰ ৰাজহ চক্রৰ অধীনত মুঠ ৩১৭৬৪ বিঘা চৰকাৰী মাটি আছে। বিতং তথ্য পৰিশিষ্ট-'খ' যোগে সদনৰ মেজত দাখিল কৰা হ'ল।

(See Annexure-XXIX)

(ঙ) কামৰূপ জিলাৰ কমলপুৰ ৰাজহ চক্রৰ অধীনত মুঠ ৫৯১০ বিঘা চৰকাৰী মাটি বেদখল হৈ আছে।

(চ) কামৰূপ জিলাৰ কমলপুৰ চক্রৰ অধীনত থকা বেদখলী মাটিৰ বিতং তথ্য পৰিশিষ্ট-'গ' যোগে সদনৰ মেজত দাখিল কৰা হ'ল।

(See Annexure-XXX)

Sub : Concurrence of Planning and Development.

Shri Kripanath Mallah, asked :

204. Will the Minister of Planning and Development be pleased to state:

(a) Whether Govt. (P&D) has received proposal from the Labour & Employment Department for placing the fund for construction of I.T.L Building of Karimganj at its permanent site of Ramakrishna Nagar for the

Financial Year, 2013-14? If so, whether concurrence of the P&D Department has been given? (place copy of concurrence of the P&D Department).

(b) What is the amount, for which budgetary provision has been sought for by the Labour & Employment Department for the said I.T.I. Building?

Shri Tanka Bahadur Rai (Minister of Planning and Development Department) replied :

(a) Labour & Employment Deptt. has submitted Draft Annual Plan, 2013-14 wherein the proposal for construction of I.T.I. Building, Karimganj at its permanent site at Ramakrishna Nagar has been included. Since the Plan Proposals for 2013-14 are yet to be approved, the concurrence of Planning & Development Department does not arise at this stage.

(b) Labour & Employment Deptt. has proposed an amount of Rs. 483.00 lakh for the said IT.I. Building during 2013-14.

বিষয় ঃ খাচ মাটি, একচনা মাটি আৰু মাটিৰ জৰীপ।

শ্রীআব্দুল ৱহিম খানে সুধিছে ঃ

২০৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত কিমান হেক্টৰ খাচ আৰু চৰকাৰী মাটি আছে?

(ৰাজহ চক্র ভিত্তিত গাঁৱৰ নাম উল্লেখ কৰি বিতং তালিকা সদনত দাখিল কৰিব)

(খ) ৰাজ্যখনত কিমান হেক্টৰ একচনা মাটি আছে? (ৰাজহ চক্ৰ ভিত্তিত গাঁৱৰ নাম উল্লেখ কৰি বিতং তালিকা সদনত দাখিল কৰিব)

(গ) ৰাজ্যখনত কিমান বছৰ পিছে পিছে মাটিৰ জৰীপ হ'ব লাগে? এইক্ষেত্ৰত কোনো নিৰ্ধাৰিত নিয়ম আছেনে?

(ঘ) ৰাজ্যখনত মাটিৰ জৰীপৰ কাম কিমান বছৰ ধৰি বন্ধ হৈ আছে?

(ঙ) সমগ্ৰ ৰাজ্যখনত মাটিৰ জৰীপৰ কাম চৰকাৰে কৰিবনে?

(চ) যদি কৰে, কেতিয়াৰ পৰা আৰম্ভ কৰিব? (সদনত জনাব)

শ্ৰীপৃথিৱী মাঝি (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বিভাগত থকা তথ্য অনুসৰি ৰাজ্যখনৰ খাচ/চৰকাৰী মাটি আৰু একচনা

(খ) মাটিৰ তথ্য পৰিশিষ্ট 'ক' যোগে সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-XXXI)

(গ) ২০ বছৰৰ পিছত। আছে।

(ঘ) ৰাজ্যখনত মাটিৰ জৰীপৰ কাম বন্ধ হৈ থকা নাই। বৰ্তমান কামৰূপ (মহানগৰ) (অংশ), কৰিমগঞ্জ (অংশ), কাছাৰ, হাইলাকান্দি, গোৱালপাৰা (অংশ), বঙাইগাঁও (অংশ), ধুবুৰী আৰু কোকৰাঝাৰ জিলাত পুনৰ বন্দৰস্তী কাম চলি আছে। বাকী কিছুমান জিলাৰ পুনৰ বন্দৰস্তীৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

(ঙ) একে সময়তে সমগ্ৰ ৰাজ্যত মাটিৰ জৰীপৰ কাম কৰাটো সম্ভৱ নহয়। ৰাজ্যখনত মাটিৰ জৰীপৰ কাম পৰ্য্যায়ক্ৰমে চলি আছে।

(চ) প্ৰযোজ্য নহয়।

বিষয় ঃ চাফাই কৰ্মচাৰীৰ উন্নয়ন।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

২০৬। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত পাঁচ বছৰত চাফাই কৰ্মচাৰীসকলৰ উন্নয়নৰ বাবে কেন্দ্ৰীয়

চৰকাৰৰ পৰা অসম চৰকাৰে কিমান পুঁজি লাভ কৰিছে? এই পুঁজি কি কি আঁচনিত খৰচ কৰা হৈছে আৰু ইয়াৰে কিমান পুঁজি খৰচ নোহোৱাকৈ পৰি আছে?

(খ) চাফাই কর্মচাৰীসকলৰ উন্নয়নৰ বাবে অসম চৰকাৰৰ নিজাবৰীয়া আঁচনি বা পুঁজিৰ কিবা ব্যৱস্থা আছেনে?

(গ) অসমত জিলা ভিত্তিত থকা অনুসূচীত জাতি উন্নয়ন ব'ৰ্ডসমূহত অনুসূচীত জাতিৰ অন্তর্গত এক উপজাতি চাপাই কর্মীসকলৰ কিমানসংখ্যক লোকে প্রতিনিধিত্ব পাইছে আৰু কিমান সংখ্যক চাফাই কর্মীয়ে এই উন্নয়ন ব'ৰ্ডসমূহৰ জৰিয়তে সুবিধা পাইছে? (জিলা ভিত্তিত তালিকা প্রদান কৰিব)

(ঘ) কেন্দ্রীয় চৰকাৰৰ আম্বেদকাৰ বাল্মিকী আৱাস যোজনা আৰু ৰাজীৱ গান্ধী আৱাস যোজনাৰ অধীনত অসমৰ কোন কোন জিলাত কিমানসংখ্যক চাফাই কর্মচাৰীক আৱাস গৃহ নির্মাণৰ সুবিদা প্রদান কৰা হৈছে? (জিলা ভিত্তিত তালিকা প্রদান কৰিব)

শ্রীৰাজীৱ লোচন পেগু (ভেয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিগত পাঁচ বছৰত চাফাই কর্মচাৰীসকলৰ উন্নয়নৰ বাবে কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা পুঁজি, আঁচনি অনুযায়ী খৰচৰ তালিকা অনুবদ্ধ "ক"ত দিয়া হ'ল। (See Annexure-XXXII)

(খ) আছে।

(গ) অনুসূচীত জাতি উন্নয়ন ব'ৰ্ডসমূহত চাফাই কর্মীসকলৰ কিমানসংখ্যক লোকে প্রতিনিধিত্ব পাইছে, তাৰ তথ্য মজুত নাই। উন্নয়ন ব'ৰ্ডসমূহৰ জৰিয়তে চাফাই কর্মীসকলে সুবিধা পোৱাৰ তথ্য মহকুমা কল্যাণ বিষয়াসকলৰ পৰা বিচৰা হৈছে। তথ্য পালে সেয়া সদনত দাখিল কৰা হ'ব।

(ঘ) এই বিভাগৰ লগত জড়িত নহয়।

বিষয় ঃ অনুসূচীত জনজাতিৰ সংখ্যা।

শ্রীকমলসিং নার্জাৰীয়ে সুধিছে ঃ

২০৭। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্তমান অসমত ২০১১ চনৰ লোকপিয়ল মতে (বি টি এ ডিক সাঙুৰি লৈ) অনুসূচীত জনজাতিৰ সংখ্যা কিমান?
(জিলা ভিত্তিত বিতং তথ্য দিব)

(খ) বর্তমান চৰকাৰীভাৱে অনুসূচীত জনজাতিৰ তালিকাভুক্ত কেইটা উপজাতি (Sub-Cast) আছে আৰু এইবোৰ কি কি?

(গ) অসমৰ বিভিন্ন জিলাত (BTAD সাঙুৰি) সচিবালয়ত কিমানজন মুৰব্বী ACS আৰু IAS বিষয়া অনুসূচীত জনজাতিৰ লোক আছে?
(নাম সহকাৰে জিলা ভিত্তিত বিতং তথ্য দাখিল কৰিব)

(ঘ) ২০১০ চনৰ পৰা এতিয়ালৈকে বেকলগ পূৰণৰ নামত কোন কোন বিভাগত কি কি পদত কিমানজন ST ৰ লোকক নিযুক্তি দিলে?

(ঙ) বর্তমান STৰ মুঠ কিমান পদ বেগলগ হিচাপে কোন কোন বিভাগত কিমান আছে?
(বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

(চ) পদসমূহ পূৰণ কৰাৰ কি ব্যৱস্থা লৈছে?

শ্রীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১১ চনৰ লোকপিয়লৰ এই তথ্য প্রকাশ কৰা হোৱা নাই।

(খ) অনুসূচীত জনজাতি (পার্বত্য)ৰ ১৫টা উপজাতি (Sub Caste) আৰু অনুসূচীত জনজাতি (ভৈয়াম)ৰ ১৪টা উপজাতি (Sub Caste) চৰকাৰীভাৱে তালিকাভুক্ত হৈ আছে। বিতং তথ্য অনুবদ্ধ 'ক'ত দিয়া হ'ল। (See Annexure-XXXIII)

(গ) অনুবদ্ধ 'খ'ভ দিয়া হ'ল; সচিবালয়ৰ IAS বিষয়াৰ কোনো জাতিভিত্তিক তথ্য ৰখা নহয়। (See Annexure-XXXIV)

(ঘ) যিহেতু বিষয়টো অসম চৰকাৰৰ প্ৰায় সকলো বিভাগৰ লগত জড়িত, গতিকে এই সংক্ৰান্তত বিভাগসমূহৰ পৰা প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰিহে শেহতীয়া তথ্য সম্বলিত উত্তৰ প্ৰস্তুত কৰিব পৰা হ'ব। ইতিমধ্যে এই সংক্ৰান্তত সকলো বিভাগলৈ পত্ৰ প্ৰেৰণ কৰা হৈছে। এই উত্তৰ প্ৰস্তুত কৰালৈকে ২৪টা বিভাগৰ উত্তৰ পোৱা গৈছে। এই ২৪টা বিভাগত বেগলগ পূৰণৰ নামত ST লোকক নিযুক্তি দিয়াৰ তথ্য অনুবদ্ধ 'গ'ত দিয়া হ'ল। (See Annexure-XXXV)

(ঙ) এই উত্তৰ প্ৰস্তুত কৰালৈকে ৪৫টা বিভাগৰ উত্তৰ পোৱা গৈছে। এই ৪৫টা বিভাগৰ উত্তৰ পোৱা গৈছে। এই ৪৫টা বিভাগৰ তথ্য অনুবদ্ধ 'ঘ'ত দিয়া হ'ল। (See Annexure-XXXVI)

(চ) বেকলগ পদসমূহ পূৰণ কৰাৰ কাৰণে সংশ্লিষ্ট বিভাগসমূহক Special Drive যোগে ব্যৱস্থা ল'বলৈ জনোৱা হৈছে।

Sub : Protection of the River Erosion.

Dr. Rumi Nath asked :

208. Will the Minister of Water Resources be pleased to state:

a) Is the Government aware of the fact that, there is severe River Erosion in Villages like Raipur, Chesri Ujangram, Chutrasangan , Buribail, Annapurnaghat, Bhangarpar and Manikpur of Borkhola LAC?

b) If so, what steps have been taken by the Government to protect the River Erosion in the said villages?

Shri Rajib Lochan Pegu (Minister of Water Resources) replied :

(a) Yes, the Government is aware of the fact.

b) To protect the villages as mentioned in question (a) above the following steps as per Annexure-I have been taken by the Government.

(See Annexure-XXXVII)

বিষয় ঃ খোৱা পানীৰ নাটনি।

শ্ৰীহেমন্ত তালুকদাৰে সুধিছে ঃ

২০৯। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী পৌৰনিগমৰ অন্তৰ্গত বিশেষকৈ ৱাৰ্ড নং ১০, ১১, ১২, ১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০ আৰু ২১ আদি এলেকাত গৰীৱ শ্ৰেণীৰ ৰাইজে দিন হাজিৰা কৰি জীৱিকা নিৰ্বাহ কৰি আছে আৰু খোৱা পানীৰ নাটনিৰ অভাৱত ভাৱে প্ৰতি ১০-১৫ টকা হিচাপে ক্ৰয় কৰিব লগা হোৱাত সেই দৰিদ্ৰ ৰাইজৰ দীৰ্ঘদিন ধৰি সমস্যাৰ সন্মুখীন হোৱাৰ বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, অতি সোনকালে পশ্চিম গুৱাহাটীৰ পাহাৰীয়া অঞ্চল আৰু ভৈয়াম অঞ্চলবোৰত কুৱা স্থাপন কৰি খোৱা পানীৰ সু-ব্যৱস্থা কৰিবনে?

(গ) যদি কৰে, কেতিয়া কৰিব?

শ্ৰীগৌতম ৰয় (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী পৌৰনিগমৰ অন্তৰ্গত অঞ্চলসমূহৰ খোৱা পানীৰ দায়িত্ব জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ওপৰত ন্যস্ত নহয় আৰু সেয়েহে উক্ত অঞ্চলসমূহৰ খোৱা পানীৰ সমস্যাৰ বিষয়ে বিভাগ অৱগত নহয়।

(খ) প্ৰশ্ন নুঠে।

(গ) অপ্ৰাসংগিক।

বিষয় ঃ জনজাতিকৰণ।

শ্রীমেম্বৰ গগৈয়ে সুধিছে ঃ

২১০। মাননীয় ভৈয়াম জনজাতি আৰু ন্যান্য পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ টাই-আহোম, কোচ ৰাজবংশী, চুতীয়া, মৰাণ, মটক আৰু চহ জনজাতিক জনজাতিকৰণৰ ব্যৱস্থাটো বর্তমান কি পর্য্যায়ত আছে?

(খ) যদি পর্য্যায়টো সুস্থভাৱে আগবাঢ়ি যোৱা নাই, তেন্তে তাৰ প্রতিকাৰৰ বাবে কি ব্যৱস্থা লৈছে?

শ্রীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ টাই-আহোম, কোচ-ৰাজবংশী, চুতীয়া, মৰাণ, মটক আৰু চাহ জনজাতিক জনজাতিকৰণৰ বাবে অসম বিধানসভাই প্রস্তাৱ গ্রহণ কৰে আৰু সেই মতে জনগোষ্ঠীবোৰক জনজাতিকৰণৰ বাবে কেন্দ্রীয় চৰকাৰৰ ওপৰত আবেদন দাখিল কৰে। অসম চৰকাৰে এই জনগোষ্ঠীবোৰৰ বৈশিষ্ট্যতাৰ ওপৰত পৰীক্ষা-নিৰীক্ষা কৰিবৰ বাবে সুকীয়া দক্ষ কমিটী গঠন কৰি দিয়ে। দক্ষ কমিটীৰ পৰা প্রতিবেদন পোৱাৰ পাছত চৰকাৰৰ অনুমোদনসহ বিহীত ব্যৱস্থাৰ বাবে কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰা হৈছে। বর্তমান বিষয়টো কেন্দ্রীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) প্রশ্ন নুঠে।

বিষয় ঃ বানপানীত ছিঙা মথাউৰি আৰু ইয়াৰ পুনৰ নির্মাণ।

শ্রীনৰ কুমাৰ দলেই সুধিছে ঃ

২১১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা বছৰৰ বাৰিষাত ৰাজ্যৰ কোন কোন ঠাইত কিমানটা মথাউৰি ছিঙিল?

(খ) এই ছিঙা মথাউৰিবোৰৰ পুনৰ নির্মাণৰ বাবে কোন শিতানত কি কি আঁচনি গ্রহণ কৰা হৈছে?

(ইয়াৰ প্রতিটোৰ বিপৰীতে ধার্য্য কৰা ধনৰ পৰিমাণ উল্লেখ কৰিব লগতে এই কাম কেতিয়া আৰম্ভ কৰা হ'ব আৰু কেতিয়া সম্পূর্ণ কৰা হ'ব তাৰ বিতং তথ্য দিব)

(গ) চিচি টেকেলীফুটা ব্রহ্মপুত্রৰ মথাউৰিৰ তাপিত বেডলুং দিঙা অংশটোৰ পুনৰ নির্মাণৰ কাম কেতিয়া আৰম্ভ কৰা হ'ব? ইয়াৰ বাবে কোন উৎসৰ পৰা কিমান পুঁজি দিয়া হৈছে? এই কাম কেতিয়া সম্পূর্ণ কৰাৰ লক্ষ্য লোৱা হৈছে?

(ঘ) ঢকুৱাখানা বিধানসভা সমষ্টিত যোৱা ২০১০-১১, ২০১১-১২ আৰু ২০১২-১৩ বর্ষত জলসম্পদ বিভাগে গ্রহণ কৰা সকলোবোৰ আঁচনিৰ তথ্য দিব?

(আঁচনিসমূহৰ বিপৰীতে ধার্য্য কৰা পুঁজি, কামৰ অগ্রগতি সম্পূর্ণ কৰাৰ সময় ঠিকাদাৰৰ বিতং তথ্যসহ তালিকা দিব)

(ঙ) অসম্পূর্ণ আঁচনিসমূহ কেতিয়া সম্পূর্ণ কৰা হ'ব?

(চ) কোনখন আঁচনিৰ বিপৰীতে এই পর্য্যন্ত সংশ্লিষ্ট ঠিকাদাৰক কিমান টকা আদায় দিয়া হ'ব তাৰ তথ্য দিব।

শ্রীৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱা বছৰ ৰাৰিষাত ৰাজ্যৰ বিভিন্ন ঠাইত মুঠতে ৭৪টা স্থানত মথাউৰি ছিঙে। (বিতং তথ্য পৰিশিষ্ট-'ক')ত দিয়া হ'ল।

(See Annexure-XXXVIII)

(খ) ছিঙা মথাউৰিবোৰৰ পুনৰ নির্মাণৰ বাবে ৰাজ্যিক দুর্য্যোগ ব্যৱস্থাপনা পুঁজি শিতানত ৬৩টা ছিঙা মথাউৰিৰ বিপৰীতে ৫৮খন আঁচনি গ্রহণ কৰা হৈছে। আঁচনি কেইখন ইতিমধ্যে আৰম্ভ কৰা হৈছে আৰু অহা ৩০ এপ্রিল তাৰিখৰ ভিতৰত শেষ কৰিবলৈ লক্ষ্য নির্ধাৰণ কৰা হৈছে।

(আঁচনিত ধার্য্য কৰা ধনৰ পৰিমাণ পৰিশিষ্ট-'খ'ত দাখিল কৰা হ'ল)

(See Annexure-XXXIX)

(গ) চিচি টেকেলীফুটা ব্ৰহ্মপুত্ৰ মথাউৰি ছিঙা অংশটোৰ পুনৰ নিৰ্মাণৰ কাম যোৱা ৬-২-২০১৩ তাৰিখৰ পৰা আৰম্ভ কৰা হৈছে। 'ৰাজ্যিক দুৰ্য্যোগ ব্যৱস্থাপনা পুঁজি" শিতানৰ পৰা ৯,১৩,৩৮,০০০.০০ টকা মঞ্জুৰী পোৱা গৈছে আৰু অহা ৩০ এপ্ৰিল তাৰিখৰ ভিতৰত কামটো শেষ কৰিবলৈ লক্ষ্য লোৱা হৈছে।

(ঘ) ঢকুৱাখনা বিধানসভা সমষ্টিত ঢকুৱাখনা জলসম্পদ সংমণ্ডলৰ অধীনত যোৱা ২০১০-১১, ২০১১-১২, ২০১২-১৩ বৰ্ষত আঁচনিসমূহৰ বিতং তথ্য (পৰিশিষ্ট-'গ' আৰু পৰিশিষ্ট-'ঘ')ত দাখিল কৰা হ'ল।

(See Annexure-XL)

(ঙ) ঢকুৱাকনা জলসম্পদ সংমণ্ডলৰ অধীনত বৰ্তমান কোনো ধৰমৰ অসম্পূৰ্ণ আঁচনি নাই।

(চ) আঁচনিবোৰৰ বিপৰীতে বৰ্তমানলৈকে ঠিকাদাৰসকলে আদায় পোৱা ধনৰ তথ্য (পৰিশিষ্ট-ঙ ত দাখিল কৰা হ'ল।)

(See Annexure-XLI)

বিষয় ঃ মাষ্টাৰৰোল কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণৰ ব্যৱস্থা।

শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থই সুধিছে ঃ

২১২। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ জলসম্পদ বিভাগত কিমানসংখ্যক মাষ্টাৰৰোল কৰ্মচাৰীয়ে কাম কৰি আছে?

(খ) উক্ত বিভাগৰ অধীনত উত্তৰ কৰিমগঞ্জ সমষ্টিত মাষ্টাৰৰোল কৰ্মচাৰী সংখ্যা কিমান?

(গ) তেওঁলোকক নিয়মীয়া কৰাৰ ব্যৱস্থা কৰিবনে?

শ্রীৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) জলসম্পদ বিভাগত ইং ০১-০৪-১৯৯৩ তাৰিখৰ আগতে নিয়োজিত মুঠ ৬৫ জন মাষ্টাৰৰোল কর্মচাৰীয়ে কাম কৰি আছে।

(খ) এই বিভাগৰ অন্তর্গত কৰিমগঞ্জ জলসম্পদ সংমণ্ডলৰ অধীনত উক্ত মাষ্টাৰৰোল কর্মচাৰীৰ সংখ্যা ৬ জন।

(গ) বিত্ত বিভাগৰ Office Memorandum No. FEC(II) 49/2010/118, dtd. 16-06-2012 অনুসৰি উক্ত কর্মচাৰীসকলৰ চাকৰি নিয়মীয়া কৰাৰ কোনো চৰকাৰী সিদ্ধান্ত বর্তমান নাই।

(ঘ) ভৱিষ্যতে বিত্ত বিভাগে উক্ত কর্মচাৰীসকলৰ চাকৰি নিয়মীয়া কৰাৰ কোনো সিদ্ধান্ত ল'লে বিহিত ব্যৱস্থা লোৱা হ'ব।

Sub : Implementation of schemes.

Shri Girindra Mallik asked :

213. Will the Minister of Irrigation be pleased to state :

(a) What are the projects like sluice gate sanctioned for Irrigation purpose during the tenure of the last Government in Borak Valley?

(Furnish the names of Schemes with amount against each Scheme district-wise.)

(b) Whether all these Schemes are functioning?

c) If not, what action has the Government taken to get the Schemes functional in the interest of the farmers?

Dr. Ardhendu Kumar Dey (Minister, Irrigation) replied :

(a) There is no projet like sluice gate under Irrigation Department.

(b) Does not arise.

(c) Does not arise.

Shri Sanjay Raj Subba asked :

213. Will the Minister of Water Resources be pleased to state:

a) Will the Government pleased to State that Sarania Bundh protenction of Singra River of Phulbari G.P. and Dolohat sonapur G.P. under Naoboicha LAC had been sanctioned?

a) If so, what is the present position for protection of said works ?

c) Whether the Government is aware about sanctioning of Bundh Protection work of Ranga-De-Reserve and Silikhaguri of Harmoti G.P. at Dikrong River ?

c) Whether the Government had sancticned for Bundh Protection work at Dejw 1 No. 5 Nos. of River Ranganadi ?

c) Will the Government pleased to State how many Nos. of Bundh Protection work had been sanctioned at Naoboicha LAC 7 (Give details)

Shri Rajib Lochan Pegu (Minister of Water Resources) replied :

a) Two nos. of schemes are prepared and sent to Revenue & Disaster Management Deptt. for sanction (Details are appended in Annexure-A).

(See Annexure-XLII)

b) Sarania breach closing work temporarily closed Permanent work will be taken up after sanction of estimate.

c) To protect Dikrong both bank embankment and its adjoining areas one DPR amounting to Rs. 98.7785 Crore has been submitted to CWC. New Delhi through Brahmaputra Board for necessary approval.

d) The following Schemes pertaining to Dejoo and Ranganadi had already and awaited for sanction

i)I/M to T/dyke of Ranganadi R/B embankment from N.T. Road to Pokoniaghat for 2012-13 (Restoration of flood damaged works) under SDRF Rs. 218.81 L:

ii)I/M to T/dyke of Ranganadi L/B embankment; from Ampora, to Amtola for 2012-13 (Restoration of flood damaged works) under SDRF Rs. 457.20 L.

e) No Scheme has been sanctioned so far.

বিষয় ঃ **SCSP** শিতানৰ ধন আৰু আদর্শ গাঁও।

শ্রীবনেন্দ্র কুমাৰ মুছাহাৰীয়ে সুধিছে ঃ

২১৫। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ বার্ষিক পৰিকল্পনা শিতানৰ SCSP ৰ ধন জিলা ভিত্তিত, আবণ্টন দিয়াৰ ক্ষেত্রত কি কি নিয়ম আৰু নীতিৰ আধাৰত আৰু ধন দিয়া হয়?

(বিতংকৈ জনাব)

(খ) চলিত বিত্তীয় বছৰ ২০১২-১৩ চনত ধুবুৰী জিলাত SCSP শিতানৰ পৰা কিমান টকা ধার্য্য কৰা হৈছিল আৰু এতিয়ালৈকে কিমান টকা অনুমোদন দিয়া হৈছে?

(সমষ্টি ভিত্তিত তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) চলিত ত্রয়োদশ অসম বিধানসভাৰ মজিয়াত বিভাগীয় মন্ত্রী মহোদয়ে ধুবুৰী জিলাৰ গৌৰীপুৰ সমষ্টিৰ অন্তর্গত আশাৰীকান্দী গাঁওখনৰ আদর্শ গাঁৱৰ বাবে আবণ্টিত ১ কোটি টকা সোনকালে মোকলাই দিয়া হ'ব বুলি কোৱাৰ পিছতো এতিয়ালৈকে কি কাৰণত মোকলাই দিয়া হোৱা নাই?

শ্রীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বার্ষিক পৰিকল্পনা SCSP ৰ ধন জিলা ভিত্তিত আৰু টন দিয়া নহয়, বৰং এই ধন অনুসূচীত জাতিৰ জনসংখ্যাৰ শতাংশ অনুযায়ী অনুসূচীত অধ্যুষিত অঞ্চল অনুযায়ী আৰু টন দিয়া হয়।

(বিতং নীতি অনুবদ্ধ 'ক'ত গাঠি দিয়া হৈছে)

(See Annexure-XLIII)

(খ) প্রশ্ন নং (ক)ত উত্তৰত কোৱাৰ দৰে SCSP ৰ শিতানৰ ধন যিহেতু জিলা ভিত্তিত দিয়া নহয়, সেয়েহে ২০১২-১৩ চনত SCSPৰ শিতানত ধুবুৰী জিলাতো জিলা ভিত্তিত আবণ্টন দিয়াৰ প্রশ্ন নুঠে।

(গ) ধুবুৰী জিলাৰ গৌৰিপুৰ সমষ্টিৰ অন্তর্গত আশাৰীকান্দী আদর্শ গাঁৱৰ বাবে আবণ্টিত টকা মোকলাই দিবৰ বাবে, আঁচনিসমূহ (plan & estimate) নতুনকৈ বিচৰা হৈছে। ইতিমধ্যে যিখন আঁচনি পোৱা হৈছিল সেই আঁচনিৰ বিপৰীতে কিছুসংখ্যক গাঁৱৰ ৰাইজৰ পৰা পোৱা অভিযোগৰ পিছত এই বিষয়ে সংশ্লিষ্ট ধুবুৰী উপায়ুক্তৰ দ্বাৰা অনুসন্ধান

কৰোৱা হয় আৰু উপায়ুক্তৰ প্ৰতিবেদনৰ ভিত্তিত আগৰ আঁচনিসমূহ বাতিল কৰি নতুনকৈ অৰ্থাৎ প্ৰকৃত হিতাধীকাৰীৰ সপক্ষে যোৱা আঁচনিসমূহ অগ্ৰাধীকাৰৰ ভিত্তিত বাছনি কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। আঁচনিসমূহৰ বিপৰীতেহে ধন মোকলাই দিয়া হ'ব।

বিষয় ঃ অনাময় আঁচনি।

শ্ৰীএতোৱা মুণ্ডাই সুধিছে ঃ

২১৬। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাত মুঠ কিমানখন জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আঁচনি বিকল হৈ আছে? এই আঁচনিসমূহত মুঠ কিমানগৰাকী কি কি পৰ্য্যায়ৰ বিষয়া কৰ্মচাৰী নিয়োজিত হৈ আছে?

(সমষ্টি ভিত্তিত তথ্য সদনত দাখিল কৰিব)

(খ) টিংখাং সমষ্টিৰ বুটীদিহিং নদীৰ খোৱাংকলৌ লোৱা ন-খাট তিনিঠেঙীয়া, ধমন, শালমৰি গাঁও পঞ্চায়ত আৰু দিচাং নদীৰ কাষত অৱস্থিত বৰবাস দিল্লীবাৰী আৰু মাহমৰা বৰপথাৰ পঞ্চায়তসমূহত কি নতুন আঁচনি লৈছে?

(গ) যদি আঁচনি লোৱা নাই, কিয় লোৱা নাই?

(ঘ) বিশুদ্ধ খোৱাপানী আৰু সম্পূৰ্ণ অনাময় আঁচনি ডিব্ৰুগড় জিলাত কোন কোন অঞ্চল সামৰি লোৱা হৈছে? এই আঁচনিসমূহ কাৰ যোগেদি ৰূপায়ণ কৰা হৈছে?

(সমষ্টি ভিত্তিত তালিকা সদনত দাখিল কৰিব)

শ্ৰীগৌতম ৰয় (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ডিব্ৰুগড় জিলাত মুঠ ২৬ (ছাব্বিশ)খন পানীযোগান আঁচনি বিকল হৈ আছে। সমষ্টি ভিত্তিত বিকল হৈ থকা আঁচনিৰ সংখ্যা আৰু বিকল আঁচনিৰ বিপৰীতে নিয়োজিত কৰ্মচাৰীৰ তালিকা এনেধৰণৰ—

ক্রমিক নং	বিধানসভা সমষ্টি	বিকল আঁচনি সংখ্যা	কর্মচাৰীৰ সংখ্যা	মন্তব্য
১.	ডিব্রুগড়	২ খন	শূন্য	
২.	দুলীয়াজান	১ খন	শূন্য	
৩.	মৰাণ	৩ খন	খালাচী- ৩ জন, পাম্পচালক-১ জন	
৪.	নাহৰকটীয়া	৬ খন	খালাচী-৪ জন	
৫.	লাহোৱাল	৪ খন	খালাচী-৪ জন	
৬.	চাবুৱা	৬ খন	খালাচী-৬ জন	
৭.	টিংখাং	৪ খন	খালাচী-৩ জন, পাম্পচালক-১ জন	

(খ) টিংকাং সমষ্টিৰ বুটীদিহিং নদীৰ খোৱাংকলৌ লোৱা ন-খাট, শালাৰী আৰু দিচাং নদীৰ কাষত অৱস্থিত মাহমৰা বৰপথাৰ গাঁও পঞ্চায়তত কোনো নতুন পানী যোগান আঁচনি লোৱা হোৱা নাই।

তিনিঠেঙীয়া গাঁও পঞ্চায়তৰ অধীনত তিনিঠেঙীয়া পানী যোগান আঁচনি আৰু জড়িগুড়ি পানী যোগান আঁচনি, বৰবাম গাঁও পঞ্চায়তত কেচেবি গুড়ি পানী যোগান আঁচনি আৰু দিল্লীবাৰী গাঁও পঞ্চায়তৰ অধীনত চাপাতুলি পানী যোগান আঁচনি নতুনকৈ হাতত লোৱা হৈছে।

(গ) বিশুদ্ধ খোৱাপানী যোগান আঁচনি (PWSS)ৰ দ্বাৰা সামৰি নোলোৱা অঞ্চলসমূহৰ সুবিধাজনক অঞ্চলত পুঁজি সাপেক্ষে পর্য্যায়ক্রমে আঁচনি লোৱাৰ ব্যৱস্থা কৰা হ'ব। পানী যোগান আঁচনিৰ বাবে অসুবিধাজনক অঞ্চলসমূহ নলীনাদ/পকী কুঁৱা আদি আঁচনিৰ দ্বাৰা খোৱাপানী যোগান

ধৰা হৈছে। আৰু ভৱিষ্যতেও প্ৰয়োজন অনুসৰি ব্যৱস্থা কৰা হ'ব।

(ঘ) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত ডিব্ৰুগড় জিলাৰ ৭ (সাত)টা বিধানসভা সমষ্টিৰ অন্তৰ্গত চুবুৰীসমূহ সামৰি বিশুদ্ধ খোৱাপানী যোগান আঁচনি লোৱা হৈছে। এই আঁচনিসমূহ বিভাগীয় পঞ্জীয়নভুক্ত ঠিকাদাৰ সকলৰ যোগেদি ৰূপায়ণ কৰা হয়।

সমষ্টিভিত্তিক বৰ্তমানলৈকে চৰকাৰী নীতি অনুসৰি খোৱাপানী যোগান আঁচনিয়ে সামৰি লোৱা চুবুৰীৰ পৰিসংখ্যা তলত উল্লেখ কৰা হ'ল।

ক্ৰমিক নং	সমষ্টিৰ নাম	বিশুদ্ধ খোৱাপানী যোগান আঁচনিয়ে সামৰি লোৱা চুবুৰীৰ সংখ্যা
১.	ডিব্ৰুগড়	৬০১
২.	লাহোৱাল	২৯৭
৩.	দুলীয়াজান	৪০৮
৪.	নাহৰকটীয়া	৪৭৪
৫.	টিংখাং	৫৬৯
৬.	মৰাণ	৭৪৭
৭.	চাবুৱা	১৯৫

ডিব্ৰুগড় জিলাত সম্পূৰ্ণ অনাময় অভিযান ৰূপায়ণৰ বাবে আটাইকেইটা (৭টা) উন্নয়ন খণ্ডত গাঁও পঞ্চায়তত (৯৩টা) সমূহ সামৰি লোৱা হৈছে।

এই আঁচনি বিভিন্ন বেচৰকাৰী সংস্থা (NGO) আৰু আত্মসহায়ক

গোট (SHG)ৰ যোগেদি ৰূপায়ণ কৰা হয়। এই সংস্থাসমূহৰ সমষ্টি ভিত্তিক তালিকা অনুসূচী-১ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-XLIV)

(UNSTARRED QUESTION NO. 217 WAS DEFERRED)

বিষয় ঃ পুঁজিৰ আবণ্টন।

শ্রীমইন উদ্দিন আহমেদে সুধিছে ঃ

(ক) ২০১১-১২ বিত্তীয় বর্ষত জলসিঞ্চন বিভাগত কোন কোন আঁচনি কিমান পুঁজি আবণ্টন দিয়া হৈছিল?

(জিলা ভিত্তিক আঁচনিসহ পুঁজিৰ পৰিমাণৰ তালিকা দাখিল কৰিব)

(খ) ২০১২-১৩ বিত্তীয় বর্ষত এই বিভাগত অনুমোদন জনোৱা আঁচনিসমূহৰ পুঁজিৰ পৰিমাণসহ তথ্য জিলা ভিত্তিক দাখিল কৰিবনে?

(গ) এই পুঁজিসমূহ জিলা ভিত্তিক সমবিতৰণ কৰাৰ চৰকাৰী কোনো নীতি নির্দেশনা নাই নেকি?

(ঘ) যদি নাই, তেন্তে পুঁজিসমূহ সমবিতৰণৰ ব্যৱস্থা কৰিব নোৱাৰিনে?

ডাঃ অর্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১১-১২ বিত্তীয় বর্ষত জলসিঞ্চন বিভাগৰ আঁচনিসমূহত আবণ্টন দিয়া পুঁজি অনুবদ্ধ-১ত দাখিল কৰা হ'ল।

(See Annexure-XLV)

(খ) ২০১২-১৩ বিত্তীয় বর্ষত এই বিভাগত অনুমোদন জনোৱা আঁচনি সমূহৰ পুঁজিৰ পৰিমাণ অনুবদ্ধ-২ত দাখিল কৰা হ'ল।

(See Annexure-XLVI)

(গ) তেনেকুৱা নির্ধাৰিত নীতি নির্দেশনা নাই।

(ঘ) কৃষকৰ চাহিদা আৰু ধনৰ আবণ্টন সাপেক্ষে জলসিঞ্চন আঁচনিসমূহৰ অনুমোদন জনোৱা হয়। গতিকে সমবিতৰণৰ প্রশ্নই নুঠে।

(UNSTARRED QUESTION NO. 219 WAS DEFERRED)

বিষয় ঃ NLCPR আঁচনি সম্পর্কে।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

২২০। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) NLCPR ৰ অধীনত কি কি কাম চৰকাৰে বিগত ১১ বছৰত সম্পন্ন কৰিছে?

(আবণ্টিত পুঁজি, খৰচৰ তথ্যসহ অগ্রগতিৰ খতিয়ান সদনত দাখিল কৰিব)

(খ) NLCPRৰ অধীনত কাম কৰাৰ নীতি নির্দেশনা কি?

(গ) ধিং সমষ্টিত বিগত দিনত NLCPRৰ অধীনত কি কি কাম কৰা হৈছে?

(ঘ) নগাঁও-ধিং-ভূৰাগাঁও পথৰ দলৈগাঁৱৰ পৰা লাহৰীঘাট অংশ (৬ কিঃমিঃ) NLCPRৰ অধীনত পুনৰ্ নির্মাণ কৰিবলৈ চৰকাৰে ব্যৱস্থা গ্রহণ কৰিবনে?

(ঙ) মৈৰাবাৰী-মৰিগাঁও পথছোৱা NLCPRৰ অধীনত পুনৰ নির্মাণ কৰাৰ কিবা প্রস্তাৱ আছেনে?

শ্রীটঙ্ক বাহাদুৰ ৰাই (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) (১) আবণ্টিত পুঁজি ঃ প্রতিলিপি সংলগ্ন কৰা হ'ল। পতাকা-'ক' (See Annexure-XLVII)

(২) ব্যৱহৃত পুঁজি ঃ ভাৰত চৰকাৰৰ পৰা আবণ্টিত ধনৰ পৰিমাণ ১০৯০.০২ কোটি টকা।

(৩) খৰচৰ তথ্য (ক) ভাৰত চৰকাৰৰ পৰা মোকলাই দিয়া টকাৰ পৰিমাণ ১০৬৭.০১ কোটি টকা

(খ) ব্যৱহৃত পুঁজিৰ পৰিমাণ ১০৫১.৪২ কোটি টকা

অগ্রগতিৰ খতিয়ান ঃ ৩১২ খন আঁচনি সম্পন্ন কৰা হৈছে। ১০০% সম্পন্ন হৈছে।

(খ) পৰিকল্পনা আৰু উন্নয়ন বিভাগে প্ৰকাশ কৰি উলিওৱা NLCPR Compendium (প্ৰকাশ ডিচেম্বৰ ২০১২) ইয়াৰ লগত সংলগ্ন কৰা হ'ল। পতাকা-'খ'

(See Annexure-XLVIII)

(গ) NLCPR ৰ আঁচনিবোৰ সমষ্টি ভিত্তিত গ্ৰহণ কৰা নহয়। ৰাজ্যিক ভিত্তিতহে আঁচনিবোৰ বাছনি কৰা হয়।

(ঘ) NLCPR ৰ প্ৰকল্প বাছনি বা গ্ৰহণ কৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগীয় মুৰব্বীৰ পৰা প্ৰকল্প পত্ৰ (Concept Paper) পোৱাৰ পিছত অসম চৰকাৰৰ 'অগ্ৰাধিকাৰ ভিত্তি'ৰ আঁচনিৰ তালিকাভুক্ত হোৱাৰ উপৰিও ভাৰত চৰকাৰৰ পৰা স্থায়িত্ব (Retention) থাকিলেহে প্ৰকল্প এটাৰ ৰূপায়ণৰ কাম হাতত ল'ব পৰা যায়।

(ঙ) প্ৰশ্নৰ উত্তৰ 'ঘ'ৰ সৈতে সাঙোৰ খাই আছে।

Sub : Allotment of Land.

Shri Kripanath Mallah asked :

221. Will the Minister of Revenue be pleased to state :

(a) Whether Government has received proposals from the Deputy Commissioner, Karimganj regarding approval for allotment of Government land, already approved by the District Land Advisory Committee for construction of Buildings for Fire Station and Office of the Sub-Divisional Meen Bhawan at Ramkrishna Nagar in Karimganj District?

(Place copy of letter of the Deputy Commissioner, Karimganj, placing proposal of land to the Government and corresponding Government approval letters)

(b) Whether, Deputy Commissioner, Karimganj has handed over land to both Fire Service (Home) and Fishery Department ? If so, place copy of handing-over and taking-over letters? If not, when the land will be handed over to the respective departments?

(c) How many proposals for allotment of Government khas land for construction of different Government Offices in the State of Assam have been approved by the Secretary, Revenue Department, Assam during last 10 (ten) years w.e.f. 1.1.2002 to 31.1.2013 ? Place a list with names of office, location and district along with area of Government land allotted, date of handing over and taking over?

Shri Prithivi Majhi (Minister of Revenue & D.M. Department) replied :

(a) Yes, Revenue & D.M. Deptt. have received the proposals for allotment of Govt. land approved by the Sub-Divisional Land Advisory Committee, Karimganj for Fire Service Station at Ramkrishna Nagar and for construction of office building of Sub-Divisional Fishery Development Officer, Ramkrishna Nagar in Karimganj District.

Copy of the letters of Deputy Commissioner, Karimganj forwarding the proposals are placed at Annexure - 'A' & 'B'.

(See Annexure-XLIX)

Copy of the Govt. approval in case of Fire Service Station at Ramkrishna Nagar is placed at Annexure - 'C'. C

(See Annexure-L)

Govt. approval for allotment of land for construction of office of the Sub-Divisional Fishery Development Officer, Ramkrishna Nagar has not yet been accorded as the views of the Fishery Department is awaited on the matter of allotment of the proposed land.

(b)Deputy Commissioner, Karimganj has been instructed to hand over possession of the land allotted to Additional Director General of Police -cum- Director of Fire Service, SFSO, Assam, Guwahati for construction of Fire Service Station at Ramkrishna Nagar as per enclosed letter at Annexure - 'C'. (See Annexure-L). Deputy Comissioner, Karimganj will be instructed to hand over possession of the land for construction of the Office of the Sub-Divisional Fishery Development Officer, Ramkrishna Nagar after

approval of the proposal by the Govt. in the Revenue & D.M. Deptt.

(c) 181 Nos. of proposals for allotment of Govt. khas land for construction of different Govt. Offices have been approved by the Revenue & D .M. Deptt. during the period w.e.f. 1.1.2002 to 31.1.2013. A list with names of office, location and district along with area of Govt. land allotted, date of handing over and taking over possession as received from the Deputy Commissioners, is enclosed at Annexure - 'D'.

(See Annexure-LI)

Sub : MLALAD Schemes.

Shri Sherman Ali Ahmed asked :

222. Will the Minister of Planning and Development Department be pleased to state:

(a) Is it true that the following five schemes under MLALAD and one scheme under MGNREGA were implemented at a total cost of Rs.15. 7 5 lakhs for execution of one and the samé work viz. construction of village road from Mandia - Baghbar, P.W.D. road to Mandia ss Ltd. Via Mandia BEEO office and Rajib Gandhi sports complex :

(i) Construction of village road st. from Mandia-Baghbar— Rs. 5.00 Lakhs.

PWD road via BEEO, Mandia towards southside (2006-07)

(ii) Construction of RCC slab culvert on the road from — Mandia SS Ltd. To BEEO office (2007-08) Rs. 2.00 Lakhs.

(iii) Construction of road from Mandia SS Ltd. To Rajib— Gandhi Sports Complex (2007-08) Rs. 5.00 Lakhs.

(iv) Construction of culvert approach road near Mandia — H.S school (2008-09). Rs. 0.50 lakhs

(v) Improvement of road from Barpeta-Baghbar PWD — Road near Mandia H.S. School (2008-09) Rs. 1.00 Lakhs

(vi) Improvement of road from Barpeta-Baghbar road — To Kasturba L.P. School (2009-10) under MGNREGA. Rs. 2.25 Lakhs

---

Total **Rs. 15.75 Lakhs**

(Please enclose a copy of the detailed estimate of the said schemes)

(b) If so, how duplication of several schemes were allowed?

Would the Govt. be pleased to punish the erring official responsible for such irregularity and their misdeeds?

Shri Tanka Bahadur Rai (Minister of Planning and Development) replied

(a) As per report received from Deputy commissioner ,Barpeta, it is not true. The MLAAD schemes were taken up as per recommendation of Hon'ble MLA, Baghbar LAC at different times .(Copies of Estimates of schemes at Sl No. (ii) to (vi) are annexed as Annexure -I.

(See Annexure-LII)

Copy of estimate of scheme at S1. No. (i) could not be traced out by the Deputy Commissioner, Barpeta, as per communication received by us Vide No.BD-268/20111AQ/108 dtd.8-03-2013.Copy enclosed as Annexeure -II. However the Deputy Commissioner, Barpeta will be asked to find out the estimate or copy from executing agency.

(b) Duplication of several schemes do not arise.

বিষয় ঃ ভূমি সংৰক্ষণ আঁচনি।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

২২৩। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভূমি সংৰক্ষণ বিভাগৰ যোগেদি বৰ্তমান অসমত কি কি আঁচনি চলি আছে?

(খ) যোৱা পাঁচ বছৰত উক্ত আঁচনি নামত কিমান পুঁজি আবণ্টন দিয়া হৈছিল আৰু কোন কোন আঁচনিত খৰচ কৰা হৈ আছে?

(জিলা ভিত্তিত বিতং তথ্য জনাব)

(গ) উক্ত বিভাগত ধুবুৰী জিলাত বৰ্তমানে কি কি আঁচনিৰ কাম চলি আছে?

(আঁচনিৰ নাম, ঠিকনা, আবণ্টিত পুঁজি, কামৰ অগ্রগতি, ধন আদায়ৰ পৰিমাণ ইত্যাদি বিতং ভাৱে জনাব)

(ঘ) বিলাসীপাৰা পূব সমষ্টিত কোন কোন আঁচনি ইতিমধ্যে সম্পূর্ণ হৈছে আৰু বাকী আঁচনিবোৰৰ কামৰ অগ্রগতি কিমান?

(বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

ডাঃ অর্ধেন্দু কুমাৰ দে (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ভূমি সংৰক্ষণ বিভাগৰ যোগেদি বৰ্তমান অসমত তলত উল্লেখিত আঁচনিসমূহ চলি আছে ঃ

১) ভূমি উন্নয়ন আঁচনি।

২) উল্টা খণ্ডা নিয়ন্ত্রম আঁচনি।

৩) ভূমি আবাদিকৰণ আৰু জল বিতৰণ আঁচনি।

৪) নদীপাৰ নিয়ন্ত্রণ আঁচনি।

৫) সংৰক্ষিত বনানিকৰণ আঁচনি।

৬) প্রাকৃতিক সৌন্দর্য্যবর্ধন আৰু সংৰক্ষণ আঁচনি।

৭) বাগিচা শস্য উন্নয়ন আঁচনি।

৮) গৃহ নির্মাণ আৰু প্রৱেশ পথ নির্মাণ আঁচনি।

(খ) যোৱা পাঁচ বছৰত উক্ত আঁচনিসমূহৰ নামত আবণ্টন দিয়া পুঁজিৰ পৰিমাণ আৰু খৰচৰ পৰিমাণ (জিলা ভিত্তিত বিতং তথ্য সহকাৰে)

তালিকা 'ক'ত উল্লেখ কৰি সদনৰ মজিয়াত দাখিল কৰা হ'ল।

২০১২-১৩ বিত্তীয় বৰ্ষৰ আঁচনিসমূহৰ কাম আৰম্ভ কৰা হৈছে আৰু চলিত বিত্তীয় বৰ্ষতে সমাপ্ত কৰা হ'ব।

(গ) ভূমি সংৰক্ষণ বিভাগত ধুবুৰী জিলাত বৰ্তমান ২০১২-১৩ বিত্তীয় বৰ্ষত তলত উল্লেখিত আঁচনিসমূহৰ কাম চলি আছে ঃ

আঁচনিৰ নাম আৰু ঠিকনা	আবণ্টিত পুঁজি (লাখৰ হিচাপত)
১) নদীপাৰ নিয়ন্ত্রণ আঁচনি, টেগনামাৰী, মলা খোৱা ব্লক ফেকামাৰী	৫.০০
২) উল্টা খণ্ডা নিয়ন্ত্রণ আঁচনি, নাথপাৰা বাহলপুৰ, চাপৰ (বিলাসীপাৰা পূব সমষ্টি)	৫০০
৩) ভূমি আবাদিকৰণ আৰু জল বিতৰণ আঁচনি, আলমগঞ্জ, ব্লক ধৰ্মশালা	৫০০

উপৰোক্ত আঁচনিসমূহৰ প্রাৰম্ভিক পর্য্যায়ৰ কাম চলি আছে আৰু চলিত বিত্তীয় বৰ্ষতে সমাপ্ত কৰা হ'ব।

(ঘ) বিলাসীপাৰা পূব সমষ্টিত ইতিমধ্যে এটা ৫.০০ লাখ টকাৰ বিপৰীতে উল্টা খণ্ডা নিয়ন্ত্রণ আঁচনিৰ প্রাৰম্ভিক কাম চলি আছে। চৰকাৰৰ পৰা পুঁজিৰ আবণ্টন পালে চলিত বিত্তীয় বৰ্ষতে কাম সম্পূর্ণ কৰা হ'ব।

বিষয় ঃ শিলঘাট-ধিং মথাউৰি।

শ্রীমজিবুৰ ৰহমানে সুধিছে ঃ

২২৪। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ২৮-৬-২০১২ তাৰিখে শিলঘাট-ধিং মথাউৰিটো ছিণ্ডি ৰূপহীহাট সমষ্টি প্লাবিত কৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(বিতং তথ্য দাখিল কৰিব)

(খ) যদি জ্ঞাত, তেন্তে মথাউৰিৰ ছিণ্ডা অংশ পুনৰ নির্মাণ কৰি বানপানী প্রতিৰোধৰ ব্যৱস্থা গ্রহণ কৰিবনে?

(গ) যদি কৰে, তেন্তে কিমান দিনৰ ভিতৰত আঁচনি ৰূপায়ণ কৰিব?

(ঘ) এই সংক্রান্তীয় কোনো ধৰণৰ আঁচনিৰ প্রাক্কলন তৈয়াৰ কৰা হৈছেনে?

(ঙ) যদি কৰা হৈছে, তেন্তে বিতংভাৱে সদনক জনাবনে?

শ্রীৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, জ্ঞাত।

(বিতং তথ্য (পৰিশিষ্ট-'ক')ত দিয়া হৈছে।

(খ) হয়, কৰা হৈছে।

(গ) বাৰিষাৰ আগে আগে কাম সম্পূর্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। ইতিমধ্যে কাম আৰম্ভ কৰা হৈছে।

(ঘ) হয়, কৰা হৈছে।

(ঙ) মথাউৰি পুনৰ নির্মাণৰ বাবে "Immediate Measures to close breach of Brahmaputra dyke from Silghat to Dhing of 23rd km ch. 22650 m to 22180 m) near Malkata village for 2012-13" নামৰ আৰু ৪,০১,০০,০০০.০০ টকাৰ এটা আঁচনি প্রস্তুত কৰা হৈছে। এই আঁচনিখন ইতিমধ্যে ৰাজহ বিভাগে তেওঁলোকৰ চিঠি নং RGR.595/2012/47 dt. 30.01.2013 অনুমোদন জনাইছে।

বিষয় ঃ খাচ মাটি সংক্রান্তত।

শ্রীআলি হুছেইনে সুধিছে ঃ

২২৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰৰপেটা ৰাজহ চক্রৰ অধীনত কিমান বিঘা খাচ মাটি আছে?
(মাটিকালিৰ স্থান, পৰিমাণ আৰু মানচিত্র সহ বিতং তথ্য সদনত দাখিল কৰিব)

(খ) এই খাচ মাটিসমূহ বর্তমান কোনে বেদখল কৰি আছে?
(সবিশেষ তথ্য সদনত দাখিল কৰিব)

(গ) অবৈধভাৱে দখল কৰি থকা মাটিখিনি চৰকাৰে হস্তগত কৰাৰ পৰিকল্পনা হাতত লৈছেনে?

(ঘ) যদি লৈছে, কিমান দিনৰ ভিতৰত বেদখলমুক্ত কৰিব?

শ্রীপৃথিৱী মাঝি (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰৰপেটা ৰাজহ চক্রৰ অধীনত মুঠ ৭৯৮৫ বিঘা ১ লেচা খাচ চৰকাৰী মাটি আছে।

মাটি কালিৰ স্থান	পৰিমাণ
১) ৰৰপেটা মৌজা	১৯৩১ বিঘা ৩ কঠা ২ লেচা
২) ঘিলাজাৰী মৌজা	১৩১৮ বিঘা ১ কঠা ১৯ লেচা
৩) বেতবাৰী মৌজা	৪৩০৯ বিঘা ৩ কঠা ১৩ লেচা
৪) নগাঁও মৌজা	৪২৫ বিঘা ১ কঠা ৭ লেচা

(চক্রৰ মজমুলী মেপ দাখিল কৰা হ'ল)

(খ) বেদখলৰ সবিশেষ তথ্য উপায়ুক্তৰ পৰা বিচৰা হৈছে।

(গ) প্রচলিত ভূমিনীতি ও অসম ভূমি আৰু ৰাজহ অধিনিয়ম ১৮৮৬ অনুসৰি

(ঘ) ব্যৱস্থা লৈ থকা হৈছে।

Sub : No. of Violences.

Shri Sirajuddin Ajmal asked :

226. Will the Minister of Relief and Rehabilitation be pleased to state:

(a) How many violence of different natures happened in Assam in the year 2011, 2012 and till February, 2013?

(b) How many person died during the violence occurred in 2012 in BT AD? And what was the total loss of livestock and moveable and immoveable property?

(c) Due to BTAD violence how many families took shelter in different relief camps? Till 31 st January, 2013 how many of them got their homes back in their own villages and how many of them still in the camps? (Please give name of the Camps and total inmates in each Camp)

(d) Has the Government provided any monetary help to the nearest kin of the deceased persons who died in BT AD violence?

(e) If not, when will the Government provide any help and how much?

(f) If yes, please give the list of the beneficiaries and amount?

Shri Prithibi Majhi (Minister of Revenue and Disaster Management Department) replied :

(a) In the year 2011,2012 and till February/2013, 8 Nos. of violence of different types happened in Assam.

(b) 109 nos. of people died in the BT AD ethnic violence. Total 15,983 nos. of dwelling houses were damaged by miscreants and 2,327 livestock damaged in Dhubri and Chirang District. Assessment of the loss of livestock, moveable and immoveable property of other districts is under process as reported by the Deputy Commissioners.

(c) As per the information received from concerned Deputy Commissioners, so far 4,85,921 (maximum during peak hours) no. of persons of affected families took shelter in different relief camps. So far 11,489 nos. of families pertaining to Kokrajhar, Chirang and Dhubri District has been rehabilitated and 1,057 Nos. of families are still living in the relief camps of Kokrajhar and Chirang District.

(The name of the camps with total inmates has been sought for from all the concerned districts).

(d) Yes, Govt. has provided monetary help to the Next of Kin of the deceased.

(e) Does not arise. An amount of Rs. 3.00 lakh (Rupees three lakh) each is being provided to the NOK of deceased.

(f) Lists of beneficiaries and amount provided/sanctioned is enclosed at Annexure-I.

বিষয় ঃ পুনৰ সংস্থাপন আঁৰু IDP.

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

২২৭। মাননীয় ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) BTAD ত যোৱা গোষ্ঠী সংঘর্ষত গৃহহীন হোৱা কিমান সংখ্যক পৰিয়াল বর্তমানলৈ পুনঃ সংস্থাপন কৰা হ'ল?

(নাম-ঠিকনাৰ সৈতে জিলা ভিত্তি তালিকা সদনত দাখিল কৰিব)

(খ) বর্তমানলৈকে কিমানসংখ্যক পৰিয়াল শৰণার্থী শিবিৰত আছে?

(নাম-ঠিকনাৰে সৈতে জিলা ভিত্তিত তালিকা সদনত দাখিল কৰিব)

(গ) পুনঃ সংস্থাপন হ'বলৈ বাকী থকা পৰিয়ালসমূহ কোন কোন শৰণার্থী শিবিৰত কিমান সংখ্যকলৈ পৰিয়াল আছে?

(ঘ) এওঁলোকক পুনঃ সংস্থাপনৰ ব্যৱস্থা চৰকাৰে কেতিয়া কৰিব?

(ঙ) পুনঃ সংস্থাপন কৰোতে চৰকাৰে দিয়া প্রতিশ্রুতি মতে তেওঁলোকক কি কি সুবিধা প্রদান কৰা হৈছে?

(চ) পুনঃ সংস্থাপনৰ ব্যৱস্থা কৰণত বিভিন্ন প্রকাৰে ৰাজকোষৰ পৰা কিমান পুঁজি ব্যয় কৰা হৈছে?

(প্রতিটো পৰিয়ালৰ নাম-ঠিকনা আৰু ধার্য্য কৰা পুঁজিৰ পৰিমাণ উল্লেখ কৰি বিতং তথ্য সদনত দাখিল কৰিব)

(ছ) গোষ্ঠী সংঘর্ষত নিহতসকলৰ আত্মীয়লৈ আৰু আহতসকললৈ কিমানকৈ আর্থিক সাহায্য প্রদান কৰা হৈছে?

(নাম-ঠিকনাৰে সাহায্যৰ পৰিমাণ উল্লেখ কৰি বিতং তথ্য সদনত দাখিল কৰিব)

(জ) উক্ত গোষ্ঠী সংঘৰ্ষত আভ্যন্তৰীণভাৱে স্থানান্তৰ হোৱা (IDP) পৰিয়াল আৰু ব্যক্তিসকলক আভ্যন্তৰীণভাৱে স্থানান্তৰ হোৱাৰ প্ৰমাণপত্ৰ দিয়া হৈছেনে?

(ঝ) যদি এতিয়ালৈকে দিয়া হোৱা নাই, কেতিয়া দিব?

(সদনত জনাব)

শ্ৰীপৃথিৱী মাঝি (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) BTAD ত যোৱা গোষ্ঠীগত সংঘৰ্ষত গৃহহীন হোৱা ১১,৪৮৯ টা পৰিয়ালক বৰ্তমানলৈ পুনৰ সংস্থাপিত কৰা হৈছে।

কোকৰাঝাৰ —	৯৬৬৩
চিৰাং —	১৬৬০
ধুবুৰী —	১৬৬
বঙাইগাঁও —	নাই
মুঠ —	= ১১,৪৮৯

নাম-ঠিকনাৰ সৈতে জিলাভিত্তিক তালিকা সংশ্লিষ্ট জিলা উপায়ুক্তৰ পৰা বিচৰা হৈছে।

(খ) বৰ্তমানলৈকে ১,০৫৭ টা পৰিয়াল শৰণাৰ্থী শিবিৰত আছে।

কোকৰাঝাৰ —	৪১৬
চিৰাং —	৬৪১
ধুবুৰী —	নাই
বঙাইগাঁও —	নাই
মুঠ —	= ১,০৫৭

নাম-ঠিকনাৰ সৈতে কোকৰাঝাৰ জিলা উপায়ুক্তৰ পৰা পোৱা ২১০ জন লোকৰ তালিকা পৰিশিষ্ট 'ক'ত দিয়া হ'ল।

বাকী থকা জিলাসমূহৰ পৰা তালিকা বিচৰা হৈছে।

(গ) পুনৰ সংস্থাপন নোপোৱা পৰিয়ালসমূহ থকা শৰণার্থী শিবিৰৰ নাম আৰু পৰিয়ালৰ সংখ্যা পৰিশিষ্ট 'খ'ত দিয়া হ'ল।

(ঘ) সংশ্লিষ্ট জিলা উপায়ুক্তসকলে ইতিমধ্যে পুনৰ সংস্থাপনৰ ব্যৱস্থা হাতত লৈছে।

(ঙ) পুনৰ সংস্থাপন দিয়া প্রতিটো পৰিয়ালক তলত দিয়া সুবিধাসমূহ প্রদান কৰা হৈছে।

(১) যিবিলাক পৰিয়ালৰ ঘৰ সম্পূর্ণভাৱে বিনষ্ট হৈছে ঃ

* ২২,৭০০ টকাৰ আর্থিক সাহায্য।
* ৩ বান্দিল টিনপাত।
* ৩০,০০০ টকাৰ আর্থিক সাহায্য
(প্রধানমন্ত্রীৰ ৰাষ্ট্রীয় সাহায্য পুঁজিৰ পৰা)

(২) যিবিলাক পৰিয়ালৰ ঘৰ আংশিকভাৱে বিনষ্ট হৈছে ঃ

* ২০,০০০ টকাৰ আর্থিক সাহায্য।
* ২০,০০০ টকাৰ আর্থিক সাহায্য।
(প্রধানমন্ত্রীৰ ৰাষ্ট্রীয় সাহায্য পুঁজিৰ পৰা)

তাৰোপৰি প্রতিটো পৰিয়ালক এমাহৰ ৰেচন, ত্রিপাল, মমবাতি, বাঁহ ইত্যাদি যোগান ধৰা হৈছে।

(চ) ৰাজ্য চৰকাৰে পুনৰ সংস্থাপনৰ ব্যৱস্থাকৰণত বিভিন্ন শিতানত ১৩২৯৩.২৮০৮৪ লাখ টকা ইতিমধ্যে ব্যয় কৰিছে।

প্রতিটো পৰিয়ালৰ নাম ঠিকনা আৰু ধার্য্য কৰা পুঁজিৰ পৰিমাণ উল্লেখ থকা তালিকা সংশ্লিষ্ট জিলা উপায়ুক্তৰ পৰা বিচৰা হৈছে।

(ছ) গোষ্ঠী সংঘর্ষত নিহতসকলৰ নিকটতম আত্মীয়লৈ ৰাজ্য চৰকাৰৰ পৰা ৩ লাখ টকাকৈ আৰু প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে।

গোষ্ঠী সংঘর্ষত গুৰুতৰভাৱে আহতসকলক ৫০,০০০ টকাকৈ আৰু সামান্যভাৱে আহতসকলক ১০,০০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ জিলা উপায়ুক্তসকলক ৰাজ্য চৰকাৰে বিত্তীয় ক্ষমতা প্ৰদান কৰিছে।

তাৰোপৰি গুৰুতৰভাৱে আহতসকলক প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ৫০,০০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰি থকা হৈছে।

কোকৰাঝাৰ আৰু চিৰাং জিলাত নিহতসকলৰ নাম ঠিকনাৰ সৈতে সাহায্যৰ পৰিমাণ পৰিশিষ্ট 'গ'ত দিয়া হ'ল।

ধুবুৰী জিলাত নিহতসকলৰ নিকটতম আত্মীয়ক ৩ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰ প্ৰক্ৰিয়া চলি আছে।

(জ) তেনে কোনো প্ৰমাণপত্ৰ দিয়া হোৱা নাই যদিও শৰণাৰ্থীসকলৰ চিনাক্তকৰণৰ বাবে ফটো সংগ্ৰহ কৰা হৈছে।

(ঝ) এই সন্দৰ্ভত কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

বিষয় ঃ বিকল আঁচনি সচল কৰাৰ ব্যৱস্থা।

শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থই সুধিছে ঃ

২২৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানটা পানী যোগান আঁচনি বিকল হৈ আছে?

(খ) উক্ত আঁচনিসমূহ বিকল হৈ থকাৰ কাৰণসমূহ কি?

(গ) বিকল হৈ থকা আঁচনিসমূহ কেতিয়া কাৰ্যক্ষম কৰি পানী যোগানৰ ব্যৱস্থা কৰিব?

শ্ৰীগৌতম ৰয় (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত বৰ্তমান ৭০৫টা পানীযোগান আঁচনি বিকল হৈ আছে।

(খ) উক্ত আঁচনিসমূহ বিকল হৈ থকাৰ মুখ্য কাৰণসমূহ হ'ল—

১। বানপানী বা অন্যান্য প্ৰাকৃতিক দুৰ্য্যোগৰ ফলত হোৱা আঁচনিৰ ক্ষতিসাধন।

২। ইলেকট্ৰিক ট্ৰেন্সফৰ্মাৰ বিকল হৈ বিদ্যুৎ যোগান ব্যাহত হোৱা।

৩। গভীৰ নলীনাদ (DTW)ৰ ক্ষতিসাধন হোৱাৰ কাৰণে প্ৰয়োজনীয় পানীৰ অভাৱ, আৰু

৪। দুৰ্বৃত্তৰ দ্বাৰা নাইবা ৰাস্তা বহলীকৰণৰ চৰকাৰী আঁচনি ৰূপায়ণৰ ফলত হোৱা পাইপ লাইনৰ ক্ষতিসাধন ইত্যাদি।

(গ) বিকল আঁচনিসমূহ কাৰ্য্যক্ষম কৰাৰ বিভাগীয় প্ৰয়াস জাৰি আছে আৰু পুঁজি সাপেক্ষে পৰ্য্যায়ক্ৰমে কাৰ্য্যক্ষম কৰি তোলাৰ ব্যৱস্থা কৰা হ'ব।

বিষয় ঃ দুৰ্য্যোগ ব্যৱস্থাপনাৰ আবণ্টিত ধন।

শ্ৰীযাদৱ চন্দ্ৰ ডেকাই সুধিছে ঃ

২২৯। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰাকৃতিক দুৰ্য্যোগৰ ফলত ক্ষতিগ্ৰস্ত হোৱা ৰাজ্যখনত জোৰা মাৰিবলৈ যোৱা দুটা বছৰত কোন কোন বিভাগৰ পৰা কি কি শিতানত কিমান টকা আবণ্টন দিয়া হৈছিল?

(বিভাগ আৰু শিতান উল্লেখ কৰি অনুমোদিত ধনৰ তালিকা জিলা ভিত্তিত সদনৰ মেজত দিব)

(খ) আগন্তুক দিনত কি কি শিতানত কিমান টকা দিয়াৰ বাবে চৰকাৰে প্ৰস্তাৱ গ্ৰহণ কৰিছে?

(প্ৰস্তাৱিত তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্ৰীপৃথিৱী মাঝি (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) প্ৰাকৃতিক দুৰ্য্যোগৰ ফলত ক্ষতিগ্ৰস্ত হোৱা ৰাজ্যখনত জোৰা মাৰিবলৈ যোৱা দুটা বছৰত ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগে "ৰাজ্যিক

দুর্য্যোগ সঁহাৰি পুঁজি"ৰ অধীনত বিভিন্ন বিভাগ আৰু শিতানত মঞ্জুৰি দিয়া ধনৰ বিতং তথ্য তলত উল্লেখ কৰা হ'ল—

		২০১০-২০১১ বর্ষ		২০১১-২০১২ বর্ষ
১)	পাৰিতোষিক সাহায্য শিতানত	৯,২৫,০৬,৫৫৫/- টকা	—	৪,৯৭,৪৫,০৩৭/- টকা
২)	পুনৰ সংস্থাপন অনুদান শিতানত	১৭,০৫৩৫,৮০০/- টকা	—	১৭,৭৪,৯৬,৮৯০/- টকা
৩)	মেৰামতি শিতানত			
	(ক) জল-সম্পদ বিভাগ	৬৫,৫৮,৭৪,০০০/- টকা	—	১৭,৫৬,৭২,২৯১/- টকা
	(খ) গড়কাপ্টানি বিভাগ	২৯,৯৮,৪২,৫৯০/- টকা	—	২৯,৬০,৭৬,১১১/- টকা
	(গ) জলসিঞ্চন বিভাগ			৩৫,৪৯,০০০/- টকা

(জিলা ভিত্তিত বিতং তথ্য যথাক্রমে অনুবদ্ধ- "ক" আৰু "খ"ত দাখিল কৰা হ'ল)

(খ) আগন্তুক দিনত (২০১৩-১৪ বিত্তীয় বর্ষত) ত্রয়োদশ বিত্ত আয়োগৰ অনুমোদনৰ ভিত্তিত ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগে "ৰাজ্যিক দুর্য্যোগ সঁহাৰি পুঁজি"ত ৩০৫.৩৫ কোটি টকা বিভিন্ন শিতানত ধার্য্য কৰিবলৈ প্রস্তাৱ গ্রহণ কৰিছে। শিতান অনুসৰি ধার্য্য কৰা ধনৰ পৰিমাণ হ'ল—

১)	খৰাং	১০.০০ কোটি
২)	(ক) পাৰিতোষিক সাহায্য (বানপানী) (খ) পুনৰ সংস্থাপন অনুদান (বানপানী) (গ) পাৰিতোষিক সাহায্য (ঘূৰ্ণী ৰতাহ) (ঘ) পুনৰ সংস্থাপন অনুদান (ঘূৰ্ণী বতাহ)	৭৫.০০ কোটি ২০.০০ কোটি ৫.০০ কোটি ৩৫.০০ কোটি
৩)	**মেৰামতি শিতানত—** (ক) জল-সম্পদ বিভাগ (খ) জলসিঞ্চন বিভাগ (গ) গড়কাপ্টানি বিভাগ	 ৭৫.০০ কোটি ২.০০ কোটি ৫০.০০ কোটি
৪)	(ক) শক্তিখণ্ড (খ) কৃষিখণ্ড (গ) অন্যান্য	১.০০ কোটি ২৫.০০ কোটি ৭.৩৫ কোটি

বিষয় ঃ শৰণার্থী শিবিৰ।

শ্ৰীকমলসিং নার্জাৰীয়ে সুধিছে ঃ

২৩০। মাননীয় ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে কোকৰাঝাৰ, চিৰাং আৰু ধুবুৰী জিলা তিনিখনত কিয় শৰণার্থী শিবিৰ কৰিব লগা হ'ল?

(বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(খ) এই শৰণার্থী শিবিৰত থকা মানুহসকলৰ প্ৰত্যেক পৰিয়ালৰ সঠিক ঠিকনা জানেনে?

(বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

(গ) এই শৰণার্থীসকলক খাদ্যৰ লগতে বস্ত্ৰ আৰু অন্যান্য সুবিধাবোৰ (ন্যূনতম) দি থকা হৈছেনে? যদি হৈছে, কেতিয়াৰ পৰা দি থকা হৈছে আৰু কিমান দিনলৈ দি থাকিব?

(ঘ) এতিয়ালৈ কিমানটা শিবিৰত কিমান আৰু কি কি চৰকাৰী সাহায্য দিয়া হ'ল?

(জিলা ভিত্তিত শিবিৰ অনুযায়ী বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

(ঙ) বৰ্তমানলৈকে কিমানটা পৰিয়ালক পুনৰ সংস্থাপন দিয়া হ'ল? কিমানটা পৰিয়াল কি কি কাৰণত পুনৰ সংস্থাপন দিব পৰা নগ'ল?

(জিলা ভিত্তিত বিতং তথ্য দিব)

শ্ৰীপৃথিৰী মাঝি (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰে কোকৰাঝাৰ, চিৰাং আৰু ধুবুৰী জিলা তিনিখনত গোষ্ঠী সংঘৰ্ষৰ ফলত আক্ৰান্ত হোৱা লোকসকলক সাহায্য, আশ্ৰয় আৰু নিৰাপত্তা প্ৰদানৰ বাবে শৰণার্থী শিবিৰ কৰিব লগা হ'ল।

শীৰ্ষ সময়ছোৱাত খোলা মুঠ শিবিৰ তথা শৰণার্থীৰ জিলাভিত্তিক তথ্য তলত দিয়া হ'ল ঃ

	শিবিৰৰ সংখ্যা (সৰ্বাধিক)	শৰণার্থীৰ সংখ্যা (সৰ্বাধিক)
কোকৰাঝাৰ জিলা	৮৯	১,৮২,৫০৫

চিৰাং জিলা	৯২	১,০৪,০৬৪
ধুবুৰী জিলা	১৩৯	১,৭৫,৮২৯
মুঠ	৩২০	৪,৬২,৩৯৮

(খ) এই শৰণার্থী শিবিৰত থকা লোকসকলৰ প্ৰত্যেক পৰিয়ালৰ সঠিক ঠিকনা সংশ্লিষ্ট জিলা উপায়ুক্তসকলৰ পৰা বিচৰা হৈছে।

(গ) হৈছে। এই সুবিধাসমূহ (ন্যূনতম) শিবিৰসমূহ খোলাৰ দিনৰে পৰা আৰু কেতবোৰ সুবিধা যেনে— বস্ত্ৰ সাহায্য (এককালীন), বাচন-বৰ্তনৰ সাহায্য (এককালীন) আদি পিছত চৰকাৰী সিদ্ধান্ত অনুযায়ী পৰ্য্যায়ক্ৰমে দিয়া হৈছে।

এই সুবিধাসমূহ শিবিৰসমূহ বন্ধ নোহোৱা পৰ্য্যন্ত দি থকা হ'ব।

(ঘ) এতিয়ালৈকে জিলা তিনিখনৰ সৰ্বাধিক স্থাপিত ৩২০টা শৰণার্থী শিবিৰত বিনামূলীয়া সাহায্য হিচাপে চাউল, ডাইল, মিটাতেল, নিমখৰ লগতে পাচলি, শিশু খাদ্য, খৰি, চিকিৎসা সেৱা, বিশুদ্ধ খোৱাপানী, পাঠ্যপুথি, এককালীন নূন্যতম বস্ত্ৰ সাহায্য (৫০০ টকাকৈ প্ৰতি পৰিয়ালক), এককালীন বাচন-বৰ্তন সাহায্য (৫০০ টকাকৈ প্ৰতি পৰিয়ালক) কম্বল, উমাল বস্ত্ৰ সাহায্য (প্ৰতি শৰণার্থীক গাই প্ৰতি ২০০ টকাকৈ) আঁঠুৰা, মম, টাপলিন, চাবোন (গা-ধোৱা আৰু কাপোৰ ধোৱা), বিদ্যুৎ সংযোগ, অনাময় সেৱা প্ৰদান কৰা হৈছে।

(জিলা ভিত্তিত শিবিৰ অনুযায়ী তথ্য সংশ্লিষ্ট জিলাৰ উপায়ুক্তসকলৰ পৰা বিচৰা হৈছে)

(ঙ) বৰ্তমানলৈ মুঠ ১১৪৮৯ টা ক্ষতিগ্ৰস্ত পৰিয়ালক পুনঃ সংস্থাপন দিয়া হ'ল। জিলা ভিত্তিত তথ্য তলত দিয়া হ'ল ঃ

কোকৰাঝাৰ — ৯৬৬৩

চিৰাং — ৯৬৬০

ধুবুৰী — ৯৬৬

১১৪৮৯

ধুবুৰী জিলাৰ উপায়ুক্তৰ পৰা প্ৰাপ্ত তথ্য মতে ১০টা পৰিয়াল চৰকাৰী মাটি আৰু ভাৰাঘৰত থকা হেতুকে পুনৰ সংস্থাপন দিব পৰা নগ'ল।

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ বাকী থকা পৰিয়ালসমূহক অতি শীঘ্ৰে পুনৰ সংস্থাপন দিয়া হ'ব। পুনৰ সংস্থাপন প্ৰক্ৰিয়াটো বৰ্তমানেও অব্যাহত আছে।

বিষয় ঃ অনুমোদিত পুঁজি।

শ্ৰীএতোৱা মুণ্ডাই সুধিছে ঃ

২৩১। মাননীয় চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১২-১৩ বিত্তীয় বৰ্ষত মুঠ কিমান পুঁজি অনুমোদন হৈছিল আৰু এই পুঁজি আগৰ বিত্তীয় বৰ্ষসমূহৰ তুলনাত কম নে বেছি জনাবনে?

(খ) যদি পুঁজি কমকৈ অনুমোদন হৈছিল তেন্তে কিয় হৈছিল জনাবনে?

(গ) ২০১২-১৩ বৰ্ষৰ অনুমোদিত পুঁজি বৰ্তমানলৈকে কি কি আঁচনিত খৰচ কৰা হ'ল আৰু কিমান টকা খৰচ কৰা হ'ল?

(জিলা/মহকুমা ভিত্তিত বিতং তথ্য সদনত দাখিল কৰিব)

(ঘ) চাহ জনজাতি ক্ৰীড়া পৰিষদখন বৰ্তমানে কি পৰ্য্যায়ত আছে আৰু উক্ত ক্ৰীড়া শিতানত কিমান টকা ধাৰ্য্য কৰা হৈছে?

(ঙ) চলিত বৰ্ষত অসম চাহ জনজাতি ক্ৰীড়া পৰিষদৰ দ্বাৰা ৰাজ্যকনৰ কোন কোন ঠাইত ক্ৰীড়া প্ৰতিযোগিতা পতা হ'ল?

শ্রীপৃথিৱী মাঝি (চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১২-১৩ বিত্তীয় বর্ষত এই বিভাগৰ নামত মুঠ ২০০০.০০ লাখ পুঁজি আবণ্টন হৈছিল। এই পুঁজি ইয়াৰ আগৰ (২০১১-১২) বিত্তীয় বর্ষৰ তুলনাত ২.০০ লাখ টকা অধিক।

(খ) প্রশ্ন নুঠে।

(গ) ২০১২-১৩ বিত্তীয় বর্ষৰ অনুমোদিত পুঁজি ব্যয় সাপেক্ষ ৰূপায়ণ কৰা আঁচনিসমূহৰ বিতং তথ্য পৰিশিষ্ট 'ক'ত দেখুওৱা হৈছে। মহকুমা ভিত্তিত তথ্য পৰিশিষ্ট 'গ'ত দাখিল কৰা হ'ল।

(ঘ) এই বিভাগৰ অধীনত চাহ জনজাতিৰ কোনো ক্রীড়া পৰিষদ নাই। বিভাগীয় ক্রীড়া আৰু যুৱ কল্যাণ আঁচনিৰ শিতানত ২০১২-১৩ বিত্তীয় বর্ষৰ বাবে মুঠ ৫০.০০ লাখ (পঞ্চাশ লাখ) পুঁজি আবণ্টন পোৱা গৈছে।

(ঙ) এই বিভাগৰ বিষয় বস্তু নহয়।

বিষয় ঃ মথাউৰি পুনঃ নির্মাণ।

শ্রীমইন উদ্দিন আহমেদে সুধিছে ঃ

২৩২। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ব্রহ্মপুত্র নদীৰ গৰাখহনীয়াৰ ফলত জলেশ্বৰ সমষ্টিৰ জলেশ্বৰৰ পৰা নিচিনপুৰলৈকে থকা মথাউৰিটো সম্পূর্ণৰূপে ভাঙি-ছিঙি যোৱাৰ বিষয়টো চৰকাৰ অৱগতনে?

(খ) বাৰিষাৰ আগতে যদি মথাউৰিটো পুনঃ নির্মাণৰ ব্যৱস্থা কৰা নহয়, তেন্তে এই বছৰো সমষ্টিটো বানপানীত বুৰ যাবনে?

(গ) ৰাইজৰ দুর্দশাৰ প্রতি লক্ষ্য ৰাখি এই মথাউৰিটো বাৰিষাৰ আগতে পুনঃ নির্মাণ কৰাৰ কিবা ব্যৱস্থা চৰকাৰে ল'বনে?

(ঘ) যদি লয়, তেন্তে কেতিয়া আৰম্ভ কৰিব?

শ্রীৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, চৰকাৰ অৱগত।

(খ) বাৰিষাৰ সময়ত যদি ব্ৰহ্মপুত্ৰৰ পানী বিপদ সীমাৰ ওপৰেৰে বয়, তেন্তে সমষ্টিৰ বৃহৎ অংশ বানপানীত বুৰ যাব।

(গ) ৰাইজৰ দুৰ্দশাৰ প্ৰতি লক্ষ্য ৰাখি এই মথাউৰিটো পুনৰ নিৰ্মাণৰ বাবে Flood Management Programme শিতানত অন্তৰ্ভুক্তি তথা অনুমোদনৰ বাবে ২৪.৫১৯৩ কোটি টকাৰ এখন আঁচনি প্ৰস্তুত কৰা হৈছে।

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা আয়োগৰ আৰু Empowered Committee ৰ যাৱতীয় অনুমোদন লাভ কৰাৰ পিছত কাম আৰম্ভ কৰিব পৰা যাব।

বিষয় ঃ ন্যায়িক বিভাগ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

২৩৩। মাননীয় ন্যায়িক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰৰ ন্যায়িক বিভাগে কি কি কাম সম্পাদন কৰে?

(খ) ২০১০-২০১১ আৰু ২০১১-২০১২ বিত্তীয় বৰ্ষত ন্যায়িক বিভাগে কৰা কাম কাজৰ তথ্য খৰচৰ পৰিমাণসহ সদনত দাখিল কৰিবনে?

শ্ৰীটংক বাহাদুৰ ৰাই (ন্যায়িক বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) <u>ন্যায়িক বিভাগে নিম্ন লিখিত কাৰ্য্যসমূহ সম্পাদন কৰে ঃ</u>

(১) ন্যায়িক বিভাগে চৰকাৰৰ বিধি সম্বন্ধীয় বিষয়ত মন্ত্ৰণা দিয়ে আৰু চৰকাৰৰ বিভিন্ন বিভাগৰ আইনী পৰামৰ্শ আৰু বিভিন্ন আইন, নিয়মৰ ব্যাখ্যা দিয়ে।

(২) ন্যায়িক বিভাগে ৰাজ্যৰ মহাধিবক্তা, অতিৰিক্ত মহাধিবক্তা আৰু চৰকাৰী অধিবক্তাসকলক গুৱাহাটী উচ্চ ন্যায়ালয় আৰু নিম্ন আদালতসমূহত নিযুক্তি প্ৰদান কৰে। লগতে "নটাৰী পাব্লিক" সকলৰো নিযুক্তি প্ৰদানৰ ব্যৱস্থা কৰে;

(৩) গুৱাহাটী উচ্চ ন্যায়ালয় আৰু নিম্ন আদালতসমূহৰ পদাধিকাৰী

আৰু সেৱকসকলৰ বেতন, ভাত্তা আৰু প্ৰশাসনীয় ব্যয় সম্বন্ধীয় দিব লগা ধন ন্যায়িক বিভাগৰ জৰিয়তে দিয়া হয়;

(৪) গুৱাহাটী উচ্চ ন্যায়ালয় আৰু নিম্ন আদালতসমূহৰ বাৰ্ষিক বিত্তীয় আবণ্টন প্ৰদান কৰা হয় আৰু

(৫) লগতে, উক্ত ন্যায়ালয়সমূহৰ বাবে আৱশ্যকীয় সকলো নতুন পদ সৃষ্টিৰ ক্ষেত্ৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰস্তাৱ সাপেক্ষে আৰু চৰকাৰৰ কৰ্মচাৰী (ক) বিভাগ আৰু বিত্ত বিভাগৰ পৰামৰ্শ ও অনুমতি অনুযায়ী ন্যায়িক বিভাগৰ দ্বাৰ অনুমোদন দিয়া হয়।

(খ) ২০১০-২০১১ বিত্তীয় বৰ্ষত ন্যায়িক বিভাগৰ কাম-কাজৰ তথ্য তলত দিয়া হ'ল ঃ-

(১) ন্যায় বিভাগে ২০১০-২০১১ বিত্তীয় বৰ্ষত নতুনকৈ ৬খন মটৰ দুৰ্ঘটনা ন্যায়ধিকৰণ (M.A.C.T.) ক্ৰমে নগাঁও, বৰপেটা, নলবাৰী, ধুবুৰী, শিলচৰ আৰু এখন অতিৰিক্ত টৰ দুৰ্ঘটনা ন্যায়ধিকৰণ (M.A.C.T.) গুৱাহাটীত প্ৰতিষ্ঠা কৰে।

(২) ন্যায় বিভাগে ২০১০-২০১১ বিত্তীয় বৰ্ষত নতুনকৈ ৩খন পাৰিবাৰিক আদালত (Family Court) ক্ৰমে বৰপেটা, ধুবুৰী আৰু এখন অতিৰিক্ত পাৰিবাৰিক আদালত (Family Court) গুৱাহাটীত প্ৰতিষ্ঠা কৰে।

(৩) ন্যায় বিভাগে ২০১০-২০১১ বিত্তীয় বৰ্ষত ২খন অতিৰিক্ত C.B.I. Court গুৱাহাটীত প্ৰতিষ্ঠা কৰে।

(৪) ন্যায় বিভাগে ২০১০-২০১১ বিত্তীয় বৰ্ষত উত্তৰ লক্ষীমপুৰত ন্যায়ালয়ৰ নতুন গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰে।

ন্যায় বিভাগে ২০১০-২০১১ চনত কাম-কাজৰ তথ্য খৰচৰ পৰিমাণ তলত দিয়া হ'ল।

ন্যায় বিভাগে ২০১০-২০১১ বিত্তীয় বৰ্ষত মাননীয় উচ্চ ন্যায়ালয়ৰ

ন্যায়াধীশসকলৰ আৰু জিলা ন্যায়াধীশসকলৰ আৰু জিলা মুখ্য ন্যায়িক দণ্ডাধীশসকলৰ আৰু তেওঁলোকৰ অধীনত কর্মচাৰীসকলৰ আৰু চৰকাৰী অধিবক্তাসকলৰ বেতন ও ভাত্তা, ভ্রমণ বানচ আৰু প্রসাসনীয় কাম-কাজৰ বাবে ১৩৭,৮৩,১০,৫৪৯.০০ (এশ শাতত্রিশ কোটি তিৰাশি লাখ দহ হাজাৰ পাঁচশ উনপঞ্চাশ টকা) খৰচ কৰে আৰু লগতে ন্যায়িক বিভাগে ২০১০-২০১১ বিত্তীয় বর্ষত ন্যায়ালয়ৰ নতুন গৃহ নির্মাণ আৰু চৰকাৰী ন্যায়াধীশসকলৰ আৱাস গৃহ নির্মাণ ও মেৰামতিৰ বাবে ১৭,৬১,৬৪,০০০.০০ (সোতৰ কোটি এশষ্টি লাখ চৌশষ্টি হাজাৰ টকা) খৰচ কৰে।

২০১০-২০১২ <u>বিত্তীয় বর্ষত ন্যায়িক বিভাগৰ কাম-কাজৰ তথ্য-</u>

(১) ন্যায় বিভাগে ২০১১-২০১২ বিত্তীয় বর্ষত National Law University and Judicial Academy, Assam ৰ গৃহ নির্মাণৰ কাৰণে ১০০,০০,০০০.০০ (এশ কোটি) টকাৰ প্রশাসনীয় অনুমোদন (Administrative Approval) দিয়ে।

(২) ন্যায় বিভাগে ২০১১-২০১২ বিত্তীয় বর্ষত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত নতুন গৃহ নির্মাণৰ কাৰণে ২২৯০.৫২ লাখ (বাইশ কোটি নব্বৈ লাখ আৰু বাৱন্ন হাজাৰ) টকা প্রশাসনীয় অনুমোদন (Administrative Approval) দিয়ে।

(৩) ন্যায় বিভাগে ২০১১-২০১২ বিত্তীয় বর্ষত ক্রমে নগাঁও আৰু তিনিচুকীয়াত নতুন ন্যায়ালয়ৰ গৃহ নির্মাণৰ কাম সম্পূর্ণ কবে।

(৪) ন্যায় বিভাগে ২০১১-২০১২ বিত্তীয় বর্ষত ক্রমে ওদালগুৰি আৰু গোসাঁই পাওঁৰ নিম্ন ন্যায়িক ন্যায়ালয়ৰ গৃহ নির্মাণৰ কাম সম্পূর্ণ কৰে।

২০১১-২০১২ <u>বিত্তীয় বর্ষত ন্যায়িক বিভাগৰ কাম-কাজৰ তথ্য</u>

ন্যায় বিভাগে ২০১১-২০১২ বিত্তীয় বর্ষত মাননীয় উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ আৰু আৰু নিম্ন আদালতৰ

ন্যায়াধীশ/ন্যায়িক দণ্ডাধীশসকলৰ আৰু তেওঁলোকৰ অধীনস্থ কৰ্মচাৰীসকলৰ আৰু চৰকাৰী অধিবক্তাসকলৰ বেতন ও ভাট্টা, ভ্ৰমণ বানচ আৰু প্ৰশাসনীয় কাম-কাজৰ বাবে ১৪৯,২৬,৫২,৬৭৮.০০ (এশ ঊনপঞ্চাশ কোটি টাৰিশ লাখ বাৰন হাজাৰ ছয় শ আঠ সত্তৰ) টকা খৰচ কৰে।

লগতে ন্যায় বিভাগে ২০১১-২০১২ বিতীয় বৰ্ষত ন্যায়ালয়ৰ নতুন গৃহ নিৰ্মাণ আৰু চৰকাৰী ন্যায়াধীশসকলৰ আৱাস গৃহ নিৰ্মাণ ও মেৰামতিৰ বাবে ২০,৭৭,৬৪,০০০.০০ (বিশ কোটি সাতসত্তৰ লাখ আৰু চৌশষ্টি হাজাৰ) টকা খৰচ কৰে।

বিষয় ঃ ধুলাবাৰী গঁৰাৰ মথাউৰি মেৰামতি।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

২৩৪। মাননীয় বাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ ধুলাবাৰী গাঁৱৰ পুঠিমাৰী নদীয়ে প্ৰায় ২০০ মিটাৰ মথাউৰি ভাঙি নিয়াৰ ফলত কাৰেমাৰী, বিহাপাৰা, লাহাপাৰা, ঢেপাৰগাঁও, ধুলাবাৰী, উদিয়ানা, চান্দমাগুৰি, কনিহা, পুঠিমাৰী সাহান, চেপটি নকুল, হাহাৰা, মৰাণজানা, হিৰাকাটা, জয়ন্তীপুৰ আদি প্ৰায় ১৫ খন গাঁৱৰ প্ৰায় ৫০ টা পৰিয়াল আৰু তেওঁলোকৰ কৃষিভূমিৰ ব্যাপক ক্ষতিসাধন কৰা সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই ছিঙা মথাউৰি অনতিপলমে মেৰামতি কৰি আগন্তুক বানপানীৰ ফৰা উক্ত ৫০০ টা পৰিয়াল আৰু তেওঁলোকৰ কৃষি ভূমি ৰক্ষা কৰাৰ ব্যৱস্থা কৰিবনে আৰু ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক উপযুক্ত ক্ষতিপূৰণৰ ব্যৱস্থা কৰিবনে?

শ্ৰীপৃথিৰী মাঝি (বাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) কামৰূপ (গ্ৰাম্য) জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথা মতে ধুলাবাৰী গাঁৱত পুঠিমাৰী নদীয়ে ২০০ মিটাৰ ভাঙি নিয়া মথাউৰিৰ অংশ ৰঙিয়া মহকুমাৰ অন্তৰ্গত নহয়, উক্ত ঠাই ডোঘৰ তামোলপুৰ মহকুমাৰহে অন্তৰ্গত। তামোলপুৰ মহকুমাৰ মহকুমাধিপতিয়ে জনোৱা মতে ধূলাবাৰী গাঁৱত পুঠিমাৰী নদীয়ে ছিঙা অংশ ইতিমধ্যে জল-সম্পদ বিভাগে মেৰামতি কৰিছে। ক্ষতিগ্ৰস্ত হোৱা গাঁওসমূহৰ মহকুমা কৃষি বিষয়া, সংশ্লিষ্ট চক্ৰ বিষয়াই প্ৰস্তুত কৰা ক্ষয়-ক্ষতিৰ প্ৰতিবেদন মৰ্মে মহকুমা কৃষি বিষয়া, ৰঙিয়া আৰু মহকুমা কৃষি বিষয়া, তামোলপুৰৰ জৰিয়তে কৃষি বিভাগে ৰবি শস্যৰ বীজ যেনে— সৰিয়হ, মটৰমাহ, বড়োধান াদি বান পীড়িত লোকসকলৰ মাজত বিতৰণ কৰিছে। বানপানীত ক্ষতিগ্ৰস্ত ঘৰ-দুৱাৰ আদিৰ পুনৰ সংস্থাপনৰ বাবে ইতিমধ্যে ৰাজ্যখনৰ জিলা উপায়ুক্তসকলক "ৰাজ্যিক দুৰ্য্যোগ সঁহাৰি পুঁজি"ৰ নিৰ্দেশনাৱলীৰ আধাৰত পুনৰ সংস্থাপন অনুদান মঞ্জুৰি দিয়াৰ বাবে ক্ষমতা প্ৰদত্ত (Delegate) কৰা হৈছে।

বিষয় ঃ পানীযোগান আঁচনি আৰু দমকল আদি বিতৰণ।

শ্ৰীমতী গুলআখতাৰা বেগমে সুধিছে ঃ

২৩৫। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিলাসীপাৰা পূব সমষ্টিত কিমানটা পানীযোগান আঁচনি প্ৰকল্প আছে? এই প্ৰকল্পসমূহৰ কিমানটা কাৰ্য্যক্ষম অৱস্থাত আছে? কিমানটা প্ৰকল্প কাৰ্য্যক্ষম অৱস্থাত নাই? (সমূহ তথ্য বিতংকৈ পানীযোগান প্ৰকল্পসমূহৰ নাম, ঠিকনাসহ সদনৰ মজিয়াত দাখিল কৰিব)

(খ) অকাৰ্য্যক্ষম অৱস্থাত থকা পানীযোগান প্ৰকল্পসমূহ পুনৰ জীৱিতকৰণৰ কিবা ব্যৱস্থা লৈছেনে?

(গ) ২০১০-১১, ২০১১-১২ ২০১২-১৩ বৰ্ষ কেইটাত বিলাসীপাৰা পূব সমষ্টিত নতুনকৈ কিমানটা পানীযোগান প্ৰকল্প লোৱা হৈছে?

(সবিশেষ তথ্য জনাব)

(ঘ) উক্ত বর্ষত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা কিমান দমকল, ৰিংৱেল, তাৰা পাম্প বিলাসীপাৰা পূব সমষ্টিত বিতৰণ কৰা হ'ল? (হিতাধিকাৰীসকলৰ নাম, ঠিকনাসহ বিতংকৈ সদনৰ মজিয়াত দাখিল কৰিব)

শ্রীগৌতম ৰয় (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিলাসীপাৰা পূব সমষ্টিত সর্বমুঠ ৪৪ (চৌৱাল্লিছ)টা পাইপ পানী যোগান আঁচনি প্রকল্প আছে। ইয়াৰে ভিতৰত ২৪ (চৌবিশ)টা প্রকল্প কার্য্যক্ষম আৰু ৮ (আঠ)টা প্রকল্প অকার্য্যক্ষম অৱস্থাত আছে। বিতং তথ্য 'সংলগ্ন-১'ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল।

(খ) অকার্য্যক্ষম অৱস্থাত থকা পানী যোগান প্রকল্পসমূহ পুঁজি সাপেক্ষে পর্য্যায়ক্রমে পুনর্জীৱিত কৰাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে।

(গ) ২০১০-১১, ২০১১-১২ আৰু ২০১২-১৩ বর্ষ কেইটাত বিলাসীপাৰা পূব সমষ্টিত ক্রমান্বয়ে ৩ (তিনি)টা, ৮ (আঠ)টা আৰু ৩ (তিনি)টা পানীযোগান প্রকল্প লোৱা হৈছে। সবিশেষ তথ্য 'সংলগ্ন-২'ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল।

(ঘ) উক্ত বর্ষকেইটাত বিলাসীপাৰা পূব সমষ্টিত স্থাপন কৰা স্থানীয় উৎস (Spot Source) সমূহৰ হিতাধিকাৰীসকলৰ নাম, ঠিকনা সহিতে বিতং তথ্য 'সংলগ্ন-৩'ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল।

বিষয় ঃ ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদ।

শ্রীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

২৩৬। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদ চুক্তি কেতিয়া হৈছিল?

(এই চুক্তিখনৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰিব)

(খ) এই চুক্তি মতে কোন কোন জিলাৰ কিমানখন গাঁও স্বায়ত্ত শাসিত পৰিষদখনৰ অন্তৰ্ভুক্তি কৰিব বিচৰা হৈছে?

(জিলা ভিত্তিক গাঁৱৰ সম্পূৰ্ণ তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) এই গাঁওসমূহৰ প্ৰতিখন গাঁৱত কিমান শতাংশ ৰাভা আৰু কিমান শতাংস অ-ৰাভা মানুহ বৰ্তমান বসতি কৰি আছে?

(অনুগ্ৰহ কৰি বিতং তথ্য দাখিল কৰিব)

(ঘ) ৫০ শতাংশতকৈ কম ৰাভা জনসংখ্যা থকা গাঁওসমূহ ৰাভা স্বায়ত্ত শাসিত পৰিষদৰ পৰা কৰ্তন কৰি ৰাভা স্বায়ত্ত শাসিত পৰিষদখন পুনৰ গঠন কৰিবনে?

(ঙ) যদি কৰে, কেতিয়া কৰিব?

(চ) যদি নকৰে, কিয় নকৰে? কাৰণ দৰ্শাব?

শ্ৰীৰাজীৱ লোচন পেগু (ভেয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদ চুক্তি ১৯৯৫ চনত হৈছিল। চুক্তিৰ প্ৰতিলিপি দাখিল কৰা হ'ল।

(খ) চুক্তি মতে কোনো জিলাৰ কথা উল্লেখ কৰা হোৱা নাই। পিছত প্ৰাথমিকভাৱে চৰকাৰী অধিসূচনা এখনৰ জৰিয়তে ৰাভা জনজাতি অধ্যুষিত দুখন জিলা ক্ৰমে গোৱালপাৰা আৰু কামৰূপ (গ্ৰাম্য)ৰ ৭৭৯খন গাঁৱৰ তালিকা প্ৰকাশ কৰা হয়। (অনুবদ্ধ 'ক'ত গাঠি দিয়া হ'ল)

(গ) এই তথ্য সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) বিষয়টো নীতি নিৰ্ধাৰণ সম্পৰ্কীয় আৰু ইয়াৰ যথাযোগ্য ফলাফলৰ বাবে বৰ্তমান বিবেচনাধীন হৈ আছে।

(ঙ) 'ঘ'ৰ মতে।

(চ) 'ঘ'ৰ মতে।

বিষয় ঃ CRF আৰু FDR ৰাস্তা।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

২৩৭। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০০৬ চনৰ পৰা চলিত বিত্তীয় বৰ্ষলৈকে CRF আৰু FDR ৰ অধীনত ধুবুৰী জিলাৰ ৰাস্তা-ঘাট পুনঃ নিৰ্মাণ, মথাউৰি পুনৰ নিৰ্মাণ আৰু কি কি আঁচনি লোৱা হৈছে?

(খ) তাৰে বিলাসীপাৰা পূব সমষ্টিত কি কি আঁচনি লোৱা হৈছিল?

(গ) আঁচনিৰ বিপৰীতে কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু কিমান টকা মোকলাই দিয়া হৈছে? এই আঁচনিবোৰৰ কাম সম্পূৰ্ণ হৈছেনে?

(ঘ) আঁচনিৰ বিপৰীতে কোন কোন ঠিকাদাৰক কামৰ দায়িত্ব দিয়া হৈছিল? (বিতং তথ্য সদনত দাখিল কৰিব)

(ঙ) যোৱা বছৰৰ বানপানীত বিলাসীপাৰা পূব সমষ্টিৰ প্ৰায়ভাগ ৰাস্তা সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(চ) যদি অৱগত, উক্ত ৰাস্তাসমূহ পুনঃ নিৰ্মাণৰ বাবে কি ব্যৱস্থা হাতত লৈছে, বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব?

শ্ৰীপৃথিৰী মাঝি (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মাননীয় মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ২০০৬ চনৰ পৰা চলিত বিত্তীয় বৰ্ষৰ এতিয়ালৈকে "দুৰ্য্যোগ সাহায্য পুঁজি" আৰু "ৰাজ্যিক দুৰ্য্যোগ সঁহাৰি পুঁজি"ৰ অধীনত ধুবুৰী জিলাৰ ৰাস্তা-ঘাট, মথাউৰি আদি মেৰামতিৰ বাবে মঞ্জুৰি দিয়া আঁচনিসমূহৰ বিতং তালিকা অনুবদ্ধ "ক"ত দাখিল কৰা হ'ল।

(খ) "দুৰ্য্যোগ সাহায্য পুঁজি" আৰু "ৰাজ্যিক দুৰ্য্যোগ সঁহাৰি পুঁজি"ৰ ধন সমষ্টি ভিত্তিত মঞ্জুৰী দিয়া নাযায়।

২০০৬ চনৰ পৰা চলিত বিত্তীয় বৰ্ষৰ বৰ্তমান সময়লৈ বিলাসীপাৰাৰ

পূব সমষ্টিত লোৱা আঁচনিসমূহৰ তালিকা অনুবদ্ধ "খ"ত সংলগ্ন কৰা হৈছে।

(গ) বিলাসীপাৰা পূব সমষ্টিৰ বিপৰীতে মঞ্জুৰীকৃত আঁচনিসমূহত ধার্য্য কৰা ধনৰ পৰিমাণ আৰু মোকলাই দিয়া ধনৰ পৰিমাণ চলিত বর্ষত মঞ্জুৰিকৃত ৮ খন আঁচনিৰ বাদে বাকী আঁচনিসমূহৰ তথ্য অনুবদ্ধ "খ"ত সংলগ্ন কৰা হৈছে। চলিত বর্ষত স্থায়ী মেৰামতিৰ শিতানত মঞ্জুৰি দিয়া আঁচনিখনত বাদে মঞ্জুৰিকৃত আটাইবোৰ আঁচনিৰ কাম সম্পূর্ণ হৈছে।

(ঘ) চলিত বর্ষৰ মঞ্জুৰিকৃত আঁচনি কেইখনৰ বাদে বাকী আঁচনিৰ বিপৰীতে কামৰ দায়িত্ব দিয়া ঠিকাদাৰৰ নাম সম্বলিত তালিকা অনুবদ্ধ "খ" আৰু "গ"ত সংলগ্ন কৰা হৈছে। চলিত বর্ষত মঞ্জুৰিকৃত আঁচনিসমূহত নিয়োজিত ঠিকাদাৰৰ নাম, কামৰ অগ্রগতিৰ খতিয়ান আদি সম্বলিত তথ্য ৰিচৰা হৈছে।

(ঙ) হয়, অৱগত।

(চ) "ৰাজ্যিক দুর্য্যোগ সঁহাৰি পুঁজি"ৰ ধন সমষ্টি ভিত্তিত মঞ্জুৰি দিয়া নাযায়। চলিত বর্ষত ধুবুৰী জিলাৰ "জিলা দুর্য্যোগ ব্যৱস্থাপনা প্রাধিকৰণে" অনুমোদন জনোৱা আঁচনিসমূহৰ মাজৰ পৰা কেইখনমান আঁচনি সংশ্লিষ্ট বিভাগৰ অগ্রাধিকাৰ তালিকা ভিত্তিত "ৰাজ্যিক কার্য্যকৰী সমিতি"ৰ অনুমোদন সাপেক্ষে ধুবুৰী জিলাত গড়কাপ্টানি বিভাগৰ এটা স্থায়ী মেৰামতিৰ আঁচনি আৰু ৪০টা অস্থায়ী মেৰামতিৰ আঁচনি ইতিমধ্যে মঞ্জুৰি দিয়া হৈছে। ইয়াৰে বিলাসীপাৰা পূব সমষ্টিৰ ৭খন আঁচনি অন্তর্ভুক্ত হৈ আছে। এই ৭খন আঁচনিৰ নাম, মঞ্জুৰিকৃত ধনৰ পৰিমাণ, কামৰ অগ্রগতিৰ খতিয়ান আৰু প্রতিটো কামৰ বিপৰীতে ঠিকাদাৰৰ নাম সম্বলিত বিতং তালিকা অনুবদ্ধ "ঘ"ত সংলগ্ন কৰা হ'ল।

POINT OF ORDER

Dr. Ardhendu Kumar Dey (Minister, Irrigation) : Point of Order Sir, খুব important এটা matter raise কৰিব বিচাৰিছো। আমাৰ যে Rules of Procedure and Conduct of Business in Assam Legislative Assembly আছে তাৰ Rule 37(6) ত Admissbility of the Question সম্পৰ্কে লিখা আছে। তাত পৰিষ্কাৰভাৱে লিখা আছে— "It must bot be of excessive length". ইয়াতে ২১৭ আৰু ২১৯ দুটা Unstarred Question ৰ উত্তৰ আহিছে। Unstarred Question No. ২১৭ ত সুধিছে জলসিঞ্চন বিভাগৰ অধীনত বৰ্তমান কি কি আঁচনিৰ কাম চলি আছে?

(আঁচনিৰ নাম, কেতিয়া আঁচনিৰ কাম আৰম্ভ হৈছিল, কেতিয়া আঁচনিৰ কাম শেষ হ'ব, আঁচনিৰ বাবে অনুমোদিত ধন, আঁচনিৰ দ্বাৰা কিমান কৃষিভূমিত পানী দিব পৰা যাব, সেই বিষয়ে বিস্তৃত জনাব)

এই আঁচনিবোৰ ৰূপায়ণৰ কাম কোন কোন ঠিকাদাৰে কৰি আছে?

It is of excessive lenght.

আৰু এটা কথা আছে যে Question যেতিয়া raise কৰা হয়। It shall not asked for vague and meaningless matters. ইয়াতে Unstarred Question দুটা আহিছে যিটোৰ কাৰণে আমি আপোনাৰ ওচৰত praper জনাইছো যে Question দুটা defer কৰিব লাগে। Question দুটা defer হৈছে। ঠিকেই আছে। কিন্তু It is to be answered within 1st April. এইটো কেনেকৈ সম্ভৰ?

Mr. Speaker : I have taken note of it.

DISCUSSION ON ZERO HOUR MATTER

মাননীয় অধ্যক্ষ ঃ তলত উল্লেখ কৰা মাননীয় সদস্যসকলৰ পৰা সৰ্বমুঠ ৫খন শূন্যকালীন ঘণ্টাৰ জাননী প্ৰাপ্তি হৈছে।

১। শ্ৰীমতী কমলী বসুমতাৰী
শ্ৰীকমল সিং নাৰ্জাৰী

২। শ্ৰীঅঞ্জন দত্ত

৩। শ্ৰীমেস্বৰ গগৈ

৪। শ্ৰীআব্দুৰ ৰহিম খান

৫। শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ

উক্ত জাননীসমূহৰ পৰা নিয়মানুসৰি মই ৩খন শূন্যকালীন ঘণ্টাৰ জাননী উত্থাপন কৰিবলৈ অনুমতি প্ৰদান কৰিলো।

১। মাননীয় সদস্যদ্বয় শ্ৰীঅঞ্জন দত্ত আৰু শ্ৰীমেস্বৰ গগৈৰ জাননী দুখন একে বিষয়ৰ হোৱাত মই জাননী দুখন একত্ৰিত কৰি উত্থাপন কৰিবলৈ অনুমতি প্ৰদান কৰিলো।

এতিয়া মই, মাননীয় সদস্যদ্বয় শ্ৰীঅঞ্জন দত্ত আৰু শ্ৰীমেস্বৰ গগৈক ইং ১০ মাৰ্চ, ২০১৩ তাৰিখৰ "দৈনিক জনমভূমি" বাতৰি কাকতত প্ৰকাশিত—

"ধ্বংসস্তূপত পৰিণত ৰঙাগড়া শ্লুইচ গেট"।

শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

শ্ৰীমেস্বৰ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজিৰ এই শূন্যকীলন ঘণ্টাত এটা বিষয় উত্থাপন কৰিছিলো যে ধ্বংসস্তূপত পৰিণত ৰঙাগড়া শ্লুইচ গেট। এই বিষয়টোৰ ওপৰত মোক ক'বলৈ অনুমতি দিয়াৰ কাৰণে আপোনাক মই ধন্যবাদ জনাইছে। লগতে মই এইখিনিতে আৰু এটা কথাও ক'বলৈ বিচাৰিম যে আমাৰ যিবিলাক পুৰণি শ্লুইচ গেট আছে সেই ৰিল বিলাকৰ

যি অবর্ণনীয় অৱস্থা হৈছে সেইখিনিও যদি বাৰিষা অহাৰ আগতে মেৰামতি নকৰিলে এই গোটেই ঠাইবিলাক বানপানীত বুৰ যাব, উটি যাব। এই ৰঙাগড়াৰ গেটখন যোৱাবাৰৰ বাৰিষা অহাৰ আগে আগে যি অৱস্থা আছিল কিন্তু কাৰিকৰী বিষয়াসকলে আৰু ফিল্ড অপিছাৰসকলে লৰালৰিকৈ সময়মতে বিশেষ ব্যৱস্থা কৰি ঠিক ঠাক কৰি দিয়াৰ ফলত আমাৰ অঞ্চলটো ভয়াৱহ বানৰ পৰা ৰক্ষা পৰিল। নহ'লে আমাৰ এটা বৃহৎ অঞ্চল খনামুখৰ পৰা হাতীখুলিলৈকে এই গোটেই অঞ্চলটো বাচিল। এই গেটখন আমগুৰি সমষ্টিত পৰে। কিন্তু বেছিকৈ চিন্তামনি, তামুলীছিগা আদি মোৰ সমষ্টিত পৰে আৰু সেয়ে মই বৰ বেছিকৈ আতংকিত হৈ পৰিছো। লগতে অধ্যক্ষ মহোদয়, শিৱসাগৰ আপোনাৰ সমষ্টিকো এ বানে চুই গৈছে। সেয়েহে অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ লগতে সংশ্লিষ্ট সকলোকে ক'বলৈ বিচৰিছো যে সময় থাকোতেই, কাৰম এতিয়াও অলপ সময় আছে, যদি বিশেষভাৱে প্লেন প্ৰগ্রেম আদি কৰি এতিয়াই ব্যৱস্থা বা প্রচেষ্টা লোৱা যায় তেতিয়াহ'লে সময়মতে কাম হ'ব আৰু অতিৰিক্ত ভয়াৱহ বিপদৰ পৰা ৰক্ষা পৰিব পাৰিম। কিন্তু দেখা গৈছে যে কাম এতিয়াও একো আৰম্ভ হোৱা নাই, আৰু ইদৰে হ'লে সময়মতে কাম সম্পূর্ণ কৰি শেষ কৰিব নোৱাৰিব। আমাৰ এতিয়া অনুভৱ হৈছে যে বানপানীয়ে আকৌ আমাৰ অঞ্চলত উপদ্রৱ কৰিব, আৰু তেতিয়াহ'লে আমাৰ অঞ্চলটো বৃহৎ ক্ষতিগ্রস্ত হ'ব। সেয়ে মই আজি জানিব বিচাৰিছো যে আমাৰ বিষয়াসকলে এই বিষয়টো ইতিমধ্যে চিন্তা-চর্চা কৰিছেনে? আমি ভাবো এই গেটখন প্রয়োজন হ'লে নতুন ঠাই ঠিক কৰি বেলেগ ঠাইত কৰাৰ ব্যৱস্থা হয়তো কৰিব লাগিব। আৰু এইবাৰ নতুনকৈ বিজ্ঞানসন্মতভাৱে কৰিব পাৰিব লাগিব যাতে পানীখিনি বাহিৰে বাহিৰে ওলাই যায় ৰাজিৰ কোনো

ক্ষতি কৰিব নোৱাৰে। কিন্তু এই বস্তুটো এতিয়া আৰম্ভ কৰিলে হয়তো সম্পূৰ্ণ নহ'ব। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা তেখেতসকলে কি কি ব্যৱস্থা লৈ এই কাম কৰিবলৈ লৈছে বা ল'ব সেইটো আমাক জনাব লাগে। লগতে এই কামবিলাকৰ কাৰণে কিমান টকা ধৰা হৈছে এই গোটেই কথাবোৰ জনালে আমি ভাল পাম। যোৱাবাৰ কিন্তু আমাৰ যিসকল ফিল্ড অফিচাৰ আছিল তেওঁলোকে সময়মতে যথেষ্ট কষ্ট কৰি কাম কৰিছিল আৰু ক্ষীপ্ৰতাৰে একচন লৈছিল। আজি নতুনকৈ এই কামবিলকাৰ কাৰণে কি কি একচন আদি লোৱা হছে বা কি কি ধৰণে কৰিবলৈ লোৱাহছে মন্ত্ৰী মহোদয়ক মই জনাবলৈ অনুৰোধ কৰিলো।

শ্ৰীৰাজীৱ লোচন পেগু (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমগুৰি সমষ্টি বুলি নহয় শিৱসাগৰ জিলাৰ যিবোৰ শ্লুইচ গেট আছে সেইবিলাক বহুত পুৰণা হৈ গৈছে। সেই শ্লুইচ গেটসমূহ আমি মেৰামতি কৰিবলৈ ব্যৱস্থা লৈছো। অকল এইটোৱে নহয়। পুৰণা দুৰ্বল হৈ যোৱা স্পৰ্শকাতৰ শ্লুইচ গেটসমূহ আমি বাৰিষাৰ আগতে মেৰামতি কৰিবৰ কাৰণে চেষ্টা ৰাখিছো। পুৰণা শ্লুইচ গেটসমূহে যোৱা বছৰ বৰ কষ্ট দিলে। সেই সমূহ এতিয়া আমি ছাৰ্ভে কৰিব দিছো। যাতে শ্লুইচ গেটসমূহ আমি মেৰামতি কৰিব পাৰো। আমি প্ৰাক্কলন কৰিব দিছো আৰু সেইবিলাক টি এ চিত পাছ কৰাৰ পাছত সেই মতে ব্যৱস্থা ল'ম।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য অঞ্জন দত্তই আপুনি দিব খোজা উত্তৰটো আগতে কৈ ৰাখিছে। এতিয়া আমাৰ কথা হ'ল অহা বাৰিষাৰ আগতে সম্পূৰ্ণ কৰা হ'ব নে নহয়?

শ্ৰীৰাজীৱ লোচন পেগু (মন্ত্ৰী) ঃ প্ৰস্তাৱটো কালিহে পাইছো সেই মতে ব্যৱস্থা ল'ব দিছো।

মাননীয় অদ্যক্ষ ঃ উত্তৰ দিয়া মতে ব্যৱস্থা লৈছে তো?

শ্রীৰাজীৱন লোচন পেগু (মন্ত্রী) ঃ লোৱা হৈছে।

মাননীয় অধ্যক্ষ ঃ এতিয়া শূন্যকালীন ঘণ্টাত আন এখন জাননী ২০১৩ চনৰ ৮/৩ তাৰিখৰ অসমীয়া প্রতিদিন বাতৰি কাকতত প্রকাশিত অসমত অস্বাভাৱিক গতিৰে বাঢ়িছে শিশু নিৰুদ্দেশ শীর্ষক বাতৰিটো মাননীয় সদস্যা শ্রীমতী কমলী বসুমতাৰীয়ে উপস্থাপন কৰিব।

* শ্রীমতী কমলী বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৮ মার্চ তাৰিখে অসমীয়া প্রতিদিন কাকতত প্রকাশিত "অসমত অস্বাভাৱিক গতিৰে বাঢ়িছে নাৰী শিশুৰ নিৰুদ্দেশ" শীর্ষক বাতৰিটো আজি শূন্যকালীন ঘণ্টাত উত্থাপন কৰিবলৈ দিয়াত আপোনাক ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, যি সময়ত দেশ প্রগতিৰ পথত আগবাঢ়িছে, এই সময়তে নাৰী জাতিৰ ওপৰত অবাধ গতিত বিভিন্ন ধৰণৰ ঘটনা আগবাঢ়ি গৈছে। আমি আশা কৰিছিলো, এই সংক্রান্তত বিভিন্ন ধৰণৰ আইন প্রণয়ন কৰা হ'ব। কিন্তু যোৱা ৬টা বছৰত ৭ হাজাৰ ১৬৪টা বলাৎকাৰ আৰু ১১ হাজাৰ ৫৫০ টা পহৰণৰ ঘটনা সংঘটিত হৈছে। এতিয়া নাৰীৰ আৰু বেছি সুৰক্ষিত হোৱা প্রয়োজন আছিল। কিন্তু দিনক দিনে এনে ধৰণৰ ঘটনা বাঢ়ি গৈছে যাৰ ফলত আমি নাৰী জাতি শংকিত হৈছো। এতিয়া অসমত যিধৰণে এই ঘটনাবিলকা সংঘটিত হ'ব ধৰিছে বোধকৰো এতিয়া মদ্যপ্রদেশকো চেৰ পেলাব। নিতৌ নাৰী ধর্ষণ, নাৰী হত্যা বাতৰি কাকত, টিভিত আহিয়েই আছে। ইয়াৰ পৰা কি সূচায়? যোৱা ৮ মার্চ তাৰিখে বিশ্ব নাৰী দিৱস পালন কৰা হ'ল। অসমতো নাৰী দিৱস পালন কৰা হৈছে। কিন্তু নাৰী দিৱসৰ পিছদিনাই পুনৰ নাৰীৰ ওপৰত অত্যাচাৰ চলিল। নাৰী দিৱসৰ দিনাই তাৰা বেগম নামৰ এগৰাকী গর্ভৱতী মহিলাক স্বামীয়ে হত্যা কৰিলে। তিজুৱালা ৰাভা নামৰ এগৰাকী মহিলাক স্বামীয়ে হত্যা কৰিলে। এইবিলাক বাতৰি কাকতত আহিছে নাৰী দিৱসৰ পিছৰ

* Speech not corrected

পৰা। আমি ভাবিছিলো নাৰীবিলাক সুৰক্ষিত হ'ব। কিন্তু ঘটনাবিলাক বেছিকেহে ঘটিবলৈ ল'লে। এখন স্বাধীন দেশত পুৰুষে যেনেকৈ মুকলি মনেৰে ঘূৰে, নাৰীসকলেও মুক্ত মনেৰে বিচৰণ কৰিব পাৰিব লাগিছিল। স্বয়ং এই গুৱাহাটী মহানগৰীতেই নাৰীসকলক বিভিন্ন ধৰমে টৰচাৰ কৰা হৈছে। গাঁৱৰ কথা বেলেগ। মই গাঁৱাত থাকো, গাঁৱৰ কথা ভালকৈ জানো। যোৱা ৬ বছৰত যিধৰণে টৰচাৰ, নিৰুদ্দেশ হৈছে ই দেখিছো সর্বভাৰতীয় সংখ্যাও অতিক্রম কৰিব। অসমত আৰু বেছি নাৰীৰ নিৰাপত্তা নোহোৱা হৈছে। অধ্যক্ষ মহোদয়, যোৱা বছৰ ডামিনি বলাৎকাৰ আৰু হত্যাই তোলপাৰ লগোৱাৰ পাছত এতিয়া আৰু নাৰী অধিক সুৰক্ষিত হ'ব আৰু তাৰ কাৰণে আইন প্রণয়ন হ'ব। কিন্তু পৰিতাপৰ বিষয় তেনে একো পৰিৱর্তন নহ'ল, বৰং ঘটনা ঘটি থাকিল। আজি অসমত মহিলা, শিশু বিশেষকৈ বাগিচা আৰু জনজাতি এলেকাত বহুত পিছপৰি আছে। যাৰ ফলত তেওঁলোকক প্রলোভন দেখুৱাই বাহিৰৰ ৰাজ্যলৈ চালান দি আছে। বাস্তৱ দৃষ্টিভংগিৰে তাত কোনো একো বাধা প্রদান কৰা নাই। ভিতৰুৱা গাঁওবিলাকত এনে তথ্য আৰু বহুত আছে।

মাননীয় অধ্যক্ষ মহোদয়, নাৰী সুৰক্ষাৰ কাৰণে আমি আৰু কঠোৰতম আইন প্রণয়ন কৰিব বুলি আশা কৰিছিলো। সেই মতে আইন প্রণয়ন হোৱা নাই। আজি পুৰুষৰ সমানে নাৰীসকল আগবাঢ়ি যাবলৈ হ'লে আইনখন আৰু বেছি কঠোৰ হ'ব লাগিব। দেশখন এখন মজবুত দেশ হ'ব লাগিলে নাৰী আৰু পুৰুষ সমানেই অধিকাৰ থাকিব লাগিব। আজিও বিভিন্ন বাতৰি কাকতত ওলায়েই আছে নাৰীসকলক প্রলোভনেৰে বিভিন্ন ঠাইলৈ চালান কৰিছে। দুই এজনকু দ্ধাৰ কৰিছে আৰু চমজাইয়ো দিছে। কিন্তু এই ধৰণে যদি চলি থাকে নাৰী কেতিয়াও

মূৰ দাঙি উঠিব নোৱাৰিব। নাৰী জাতীয় ঘটনাত আগতে অসম তৃতীয় স্থানত আছিল এতিয়া চেৰ পেলাই মধ্যপ্রদেশতকৈও এক নম্বৰত যাব। যোৱা বছৰ জি এছ ৰোড কাণ্ডৰ পাছত আমি ভাবিছিলো সমত মহিলাসকল এতিয়াৰ পৰা বেছি সুৰক্ষিত হ'ব। তাৰ কাৰণে টাস্ক ফোর্চ গঠন কৰাৰ কথা আছিল। টাস্ক ফোর্চ গঠন হ'ল নে নাই সেইটো আমি নাজানিলো। মহাভাৰত ৰামায়ণৰ দিনৰ পৰা নাৰী নির্যাতিত হৈ আহিছে। সেই হিচাপে আইসমূহ বেছি কঠোৰতম হ'ব। তাহানি সীতা আৰু দ্রৌপদীৰ যি অৱস্থা আছিল আজিও সেই একে অৱস্থাতে আছে। যোৱা কালি টিভিত পালো ৰাজস্থানৰ পৰা দুজনী ছোৱালী ঘূৰাই আমি গুৱাহাটীত সমজাই দিছে। তেওঁলোকক কোনোবা মধ্যভোগীয়ে ৫০/১০০ টকাত বিক্রী কৰিছে। যোৱা কালিয়ে আৰু খবৰ পালো এজনী বোৱাৰীক অপহৰণ কৰিছে। শিলচৰৰ এজনী কিশোৰীক অপহৰণ কৰি আনি হোটেলত ৰাখিছিল। কিন্তু পুলিচৰ সহায়ত সেই ছোৱালীজনীকো উদ্ধাৰ কৰি গার্জিয়ানক চমজাই দিয়ে। নাৰী দিৱসৰ পাছত যিধৰণে নাৰী সুৰক্ষিত হ'ব লাগিছিল, সেইটো হোৱা নাই। দুদিনমান আগতে মালিগাঁৱত এগৰাকী মহিলাক বোধকৰো বলাৎকাৰ কৰি লাঠিৰে কোবাই কোবাই ৰেল লাইনত পেলাই থৈ গৈছে। কি যে হৃদয়বিদাৰক ঘটনা। ইয়াৰ পাছতো আমি ভাবিব নোৱাৰো যে নাৰী সুৰক্ষিত হৈছে। তেওঁলোকৰ প্রয়োজনত নাৰীক ব্যৱহাৰ কৰে পিছত লাঠিৰে কোবাই ৰেল লাইনত পেলাই থৈ যায়। গতিকে এই কথাখিনি মই সদনত উত্থাপন কৰিলো আৰু মন্ত্রী মহোদয়ৰ পৰা এটা সদ উত্তৰ বিচাৰিলো।

* **শ্রীৰকিবুল হুছেইন ঃ (পৰিৱেশ আৰু বন মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা শ্রীমতী কমলী বসুমতাৰী ডাঙৰীয়ানীয়ে আজি শূন্যকালীন ঘণ্টাত

* Speech not corrected

এটা প্রয়োজনীয় আৰু গুৰুত্বপূৰ্ণ সমস্যাৰ কথা উত্থাপন কৰিছে। মই ভাবো, এনেধৰণৰ আলোচনাৰ যোগেদি আমাৰ সমাজখনলৈ এটা ভাল বার্তা যাব। যিসকল এই ঘটনাৰ লগত জড়িত তেওঁলোক নিশ্চয় সংকোচিত হ'ব। বসুমতাৰী ডাঙৰীয়ানীয়ে এই জলন্ত সমস্যাটো উত্থাপন কৰা বাবে তেখেতক ধন্যবাদ জনাইছো। তেখেতে বিষদভাৱে আলোচনা কৰিছে। চৰকাৰে কেনে ধৰণে ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে আমি জানো। মহিলাৰ গোচৰসমূহ বৃদ্ধি পাইছে। আৰু প্ৰশাসনেও বেছি গুৰুত্ব দিছে। কিন্তু কি ধৰণে সমস্যা সমাধান হ'ব সেই বিষয়ে আমি চিন্তা-চর্চা কৰি আছো। এই বাতৰি সংক্ৰান্তত চৰকাৰৰ যিখিনি ভাষ্য, যিখিনি অভিযোগ পোৱা গৈছিল তাক দাঙি ধৰিবলৈ প্ৰয়াস কৰিছিল।

মাননীয় অধ্যক্ষ মহোদয়, অসম বিধানসভাত আজি (১২/৩/২০১৩) তাৰিখে শ্ৰীমতী কমলী বসুমতাৰী ডাঙৰীয়ানীয়ে শূন্যকালীন ঘণ্টাত "অসমত অস্বাভাৱিক গতিৰে বাঢ়িছে নাৰী-শিশুৰ নিৰুদ্দেশ:চ সম্পর্কত যিখিনি কথা ইয়াত কৈছে তাৰ ওপৰত এটা লিখিত বিবৃতি দিব বিচাৰিছো।

আজিকালি ভুক্তভোগীসকলৰ মাজত সজাগতা বৃদ্ধি পোৱা, নিজৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হৈ মুকলিভাৱে অভিযোগ পুলিচৰ ওচৰত দাখিল কৰিবলৈ আহে আৰু নিজৰ প্ৰাপ্য আদায় বা অভিযোগ নিষ্পত্তি কৰাব খোজে। সমাজ কর্মী, ইলেকট্ৰনিক মাধ্যম, এন জি অ' আদিৰ সক্ৰিয়তাতো এতিয়া বহু অভিযোগ পোহৰলৈ আহে, আগতে যিবোৰ অঞ্চলতে ৰৈ গৈছিল। জনবিস্ফোৰণ আৰু সামাজিক আৰু পৰিয়ালৰ উদ্বিগ্নতাও এনে ঘটনা বৃদ্ধিৰ আন এটা কাৰণ। অর্থনৈতিক স্বাৱলম্বিতা বা স্বাধীনতা যাৰ ফলত মহিলাই নিজৰ ওপৰত হ'ব পৰা অন্যায় এটা কেতিয়াও মানি ল'ব নোখোজে। দৰিদ্ৰতা আৰু কর্ম সংস্থাপনৰ অভাৱেই

মানৱ সৱৱৰাহ আৰু শিশুৰ ভৱিষ্যৎ ধ্বংস হ'ব পৰা কামবোৰৰ মূল কাৰণ। আইনৰ মাধ্যমেৰে সুৰক্ষা দিওঁতাও সুৰক্ষা দিব পৰালৈ আৱশ্যকীৰ সংখ্যাত তাকৰ। অসম পুলিচ আইন ২০০৭ ৰ ৪৮ (ই) আৰু ৪৮ (এফ) ধাৰা অনুসৰি প্ৰশাসনে পোনপটীয়াকৈ ৰাজ্যত তৎকালীন ব্যৱস্থা ল'বলৈ সক্ষম হৈছে। মাননীয় মুখ্যমন্ত্ৰী 'ভিজন-২০০৬' অনুসৰি ৩০টা মহিলা কোষ গঠন কৰা হৈছে আৰু জিলা সদৰত ইয়াক কাৰ্য্যক্ষম কৰি তোলা হৈছে। আৱশ্যকীয় মহিলা আৱক্ষী স্থায়ীভাৱে ইয়াত মকৰল কৰা হৈছে। জ্যেষ্ঠ আৱক্ষী বিষয়া সহ কাৰ্য্য ব্যৱস্থা গ্ৰহণকাৰী গোট গৃহ বিভাগ আৰু সমাজ কল্যাণ বিভাগৰ বিষয়া সমন্বিতে গঠন কৰা হৈছে। তেখেতসকলে এনে ঘটনাৰ কাৰণ অধ্যায়ন আৰু গ্ৰহণ কৰিব লগা ব্যৱস্থাবলীৰ বিষয়ে দিহা-পৰামৰ্শ আগবঢ়াব। ১৪টা মানৱ সৱৱৰাহ ৰোধী গোট (এণ্টি হিউমেন ট্ৰেফিকিং ইউনিট) গঠন কৰি ৰাজ্যত কাৰ্য্যক্ষম কৰি তোলা হৈছে। অসমে ভাৰত চৰকাৰৰ পৰা ২০১২ চনত এই ক্ষেত্ৰত শ্ৰেষ্ঠ ৰাজ্য হিচাপে ঘোষিত আৰু পুৰস্কৃত হৈছে। জুভেনাইল ন্যায় (শিশুৰ নিৰাপত্তা আৰু প্ৰতিপাল) আইন, ২০০০ ৰূপায়িত কৰাৰ বাবে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৩০টা জুভেনাইল আৱক্ষী গোট প্ৰতিখন জিলাতে সমন্বিত আৰু পুলিচ জুভেনাইল কাৰ্য্যৱলী সংক্ৰান্তত অধিক দক্ষ হ'বপৰাকৈ গঠন কৰা হৈছে। সমাজ কল্যাণ, স্বাস্থ্য, শিক্ষা, শ্ৰম আৰু নিয়োগ বিভাগ, গৃহৰক্ষী বাহিনী, এন জি অ' আদিৰ সহযোগত জন সজাগতা বৃদ্ধিৰ কামো হাতত লোৱা হৈছে। মহামান্য ছুপ্ৰিম কোৰ্টৰ আদেশ অনুসৰি নিখোজ ব্যক্তিৰ অভিযোগ তৎকালেই পঞ্জীয়ন কৰিব লাগিব। অপহৰণ নিখোজৰ তথ্য নিয়মীয়াকৈ নতুন দিল্লীত থকা চি বি আইৰ কাৰ্য্যলয়লৈ পঠাব লাগিব। ৩০ খন মহিলা কোষ গঠন কৰা হৈছে। সকলোবোৰ জিলাৰ সদৰ স্থানত ১০ গৰাকী মহিলা আৱক্ষী পুলিচ সহ কনিষ্টবল থাকিব। আশা

কৰো এইখিনিৰে মাননীয় সদস্যাগৰাকী আশ্বস্ত হৈছে। আৰু আমি ভৱিষ্যতে এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা ল'ম।

মাননীয় অধ্যক্ষ ঃ যোৱা ১১ মাৰ্চ, ২০১৩ তাৰিখে দৈনিক 'গণ অধিকাৰ' কাকতত প্ৰকাশ পোৱা 'গাত লগা নাই ১২৬ জনপ্ৰতিনিধিৰ ৰাজ্যজুৰি ভয়ানক বিদ্যুৎ সংকট ঃ অসহায় চৰকাৰ" এই বিষয়ে বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব মাননীয় সদস্য শ্ৰীআব্দুৰ ৰহিম খানে।

*** শ্ৰীআব্দুৰ ৰহিম খান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা ১১ মাৰ্চ ২০১৩ তাৰিখ দৈনিক 'গণ অধিকাৰ' কাকতত প্ৰকাশিত "গাত লগা নাই ১২৬ জনপ্ৰতিনিধিৰ ৰাজ্যজুৰি ভয়ানক বিদ্যুৎ সংকট ঃ অসহায় চৰকাৰ" এই বাতৰিটোৰ প্ৰতি মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই বাতৰিটো অতি বৃহৎ ৰাজহুৱা স্বাৰ্থজড়িত গতিকে আজি বিধানসভাৰ শূন্যকালীন ঘণ্টাত বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মই ক'বলৈ ওলাইছো যে বৰ্তমান চলিত বিধানসবালৈ লক্ষ্য কৰি জনস্বাৰ্থৰ খাতিৰত ১২৬ খন বিধানসভাৰ সদস্যক যি প্ৰশ্নৰ সন্মুখীন কৰিছে সেইটো হ'ল ৰাজ্যজুৰি ভয়ানক বিদ্যুৎ সংকট। বিদ্যুতৰ অভাৱত ৰাজ্যখনত অন্ধকাৰত ডুব যোৱাৰ লগতে কল কাৰখানা, উদ্যোগ, ব্যৱসায়িক প্ৰতিষ্ঠান আদি বন্ধ হৈ পৰিছে। তদুপৰি চলিত মেট্ৰিক, উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰ্য্যায়ৰ বিভিন্ন পৰীক্ষাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে বিপাঙত পৰিছে। এতিয়া ৰাজ্যখনৰ অফিচ আদালতত, ব্যৱসায় বাণিজ্য, ৰাজহুৱা উদ্যোগ, কলকাৰখানা, ঘৰুৱা আৰু কমাৰ্চিয়েল অসমখনক ঘোৰ অন্ধকাৰৰ পৰা ৰক্ষা কৰি কি হিচাপে পোহৰৰ ব্যৱস্থা কৰিব তাৰ বাবে বিধানসভাৰ মজিয়াত মন্ত্ৰী মহোদয়ক বাস্তৱসন্মত সদ উত্তৰ দিবলৈ অনুৰোধ জনালো।

---

* Speech not corrected

* শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য, শ্রীআব্দুৰ ৰহিম খান ডাঙৰীয়াই বাতৰিটোৰ প্রতি উদ্বেগ প্রকাশ কৰি যি দৃষ্টি আকর্ষণ কৰিছে সেই কথাত ময়ো একমত। অসমে বিগত সময়ত বিদ্যুতৰ সংকটৰ মাজেৰে পাৰ কৰিছে। এই বিদ্যুৎ সংকটৰ কাৰণ বছৰি চাহিদা ১৪ শতাংশলৈ বৃদ্ধি পাইছে। সেই হিচাপে বিদ্যুতৰ যোগান ব্যৱস্থা পর্য্যাপ্ত হোৱা নাই। আপোনালোকে জানে যে বিদ্যুৎ যোগানৰ যিবিলাক প্রকল্প সেই বিলাকৰ ওপৰতে ঘাইকৈ নির্ভৰ কৰে। ৬০ শতাংশই নির্ভৰ কৰে হাইড্রো পাৱাৰ প্রজেক্টৰ ওপৰত। কিন্তু দুর্ভাগ্যৰ কথা অভাৱনীয় খৰাং পৰিস্থিতিৰ বাবে সেইবিলাক প্রকল্পৰ উৎপাদন হ্রাস হৈছে। গধূলী ৫ৰ পৰা ৯ বজালৈকে উৎপাদন কৰিব পাৰে। ৪টা মেচিনৰ ভিতৰত ১টা মেচিনহে চলাব পাৰে। চাৰ কাৰণে মাত্র ১০-১২ শতাংশহে আহৰণ কৰিব পাৰে। ৰঙা নদী প্রকল্পই ৪০৫ মেগাৱাট উৎপাদন কৰিব পৰা ক্ষমতা আছে। কিন্তু বর্তমান ৫০ৰ পৰা ৬০ মেগাৱাটহে উৎপাদন কৰিব পাৰে। গোটেই দিনটো বন্ধ কৰিবলগীয়া হয় ৰঙা নদী প্রকল্প। যোৱা কালি ৫ৰ পৰা ৯ বজাৰ ভিতৰত ৫৪ মেগাৱাটহে উৎপাদন কৰিব পাৰিছো। আমাৰ প্রকৃতিৰ ওপৰত নিয়ন্ত্রণ নাই। কার্বি লংপিয়ে ১০০ মেগাৱাটৰ ঠাইত ৮২ মেগাৱাটহে উৎপাদন কৰিব পাৰিছে। কপিলি, দয়াং কার্বি লংপি ৰঙা নদী দিনত বন্ধ হৈ থাকে। সেইবিলাকে ১৫ৰ পৰা ২০ শতাংশ উৎপাদন কৰিব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত বিশেষকৈ তিনিটা পাৱাৰ প্রজেক্ট আছে, সেইকেইটা হৈছে কঠালগুৰি, নামৰূপ, লাকুৱা। তিনিচুকীয়া জিলাত অইলৰ চাকৰি সংক্রান্তত বা অন্যান্য কাৰণত ধর্ণা কার্য্যসূচী হাতত লয় কিছুমান নিজা নিজা সংগঠনে। সেইবিলাক গেছৰ লগত সম্বন্ধ থকা কার্য্যসূচী। এই বন্ধ কার্য্যসূচীবিলাকৰ বাবেও আমাৰ

* Speech not corrected

শক্তি উৎপাদন কৰাত অসুবিধা হয়। কঠালগুৰীত ৩০০ মেগাৱাট উৎপাদন কৰিব পৰা যায় যদিও এইবাৰ ২৯১ মেগাৱাট উৎপাদন কৰিব পৰা গৈছে। যোৱা ৭, ৮, ৯ আৰু ১০ তাৰিখে এটা সংগঠনে পথ অৱৰোধ কৰাৰ কাৰণে আমাৰ গেছ ছাপ্লাই কৰিব পৰা হোৱা নাছিল। সেই কাৰণে ২৯১ মেগাৱাটৰ ঠাইত ১০৭ মেগাৱাট শক্তিহে উৎপাদন কৰিব পৰা গৈছিল। এনে ধৰণৰ কার্য্যসূচী বন্ধ ৰাখিবৰ কাৰণে আমাৰ চৰকাৰে ব্যৱস্থা হাতত লৈছে। জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক নির্দেশ দিয়া হৈছে যাতে এনেধৰণৰ কার্য্যসূচীয়ে আমাৰ বিশেষ সেৱা বন্ধ হ'ব নোৱাৰে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত শক্তিৰ নাটনি হ'লে অন্য ৰাজ্যৰ পৰা আনিব লগা হয়। আমি ওচৰৰ ৰাজ্যৰ পৰা ৬০০ মেগাৱাটলৈকে আনিব লগা হয়। কিন্তু এতিয়া ৪০০ মেগাৱাটহে আনিব পৰা যায়। এইটো এটা লং টার্ম মেজাৰ, আমি পাৱাৰ পোৱাৰ কাৰণে বহুতো ক্ষেত্রত মোকবিলা কৰিব লগা হয়। বজাৰৰ পৰা পাৱাৰ কিনিব লগা হয়। আমি কেন্দ্রীয় চৰকাৰক কৈছো আৰু আমি চেষ্টআও কৰিছো। ২০০৬ চনত দিয়া ৩টা পৰিকল্পনাৰ ক্ষেত্রত অসম চৰকাৰে গুৰুত্ব দিছে। এইকেইটা ২০১২-১৩ চনৰ ভিতৰতে কার্য্যক্ষম হোৱাৰ কথা। কিন্তু আমাৰ দুর্ভাগ্যৰ কথা আমাৰ নামনি শোৱণশিৰি প্রকল্পটোৰ কাম বর্তমান বন্ধ হৈ আছে। আমাৰ তাৰ পৰা ৬০০ মেগাৱাট উৎপাদন হোৱাৰ কথা। আমাৰ বঙাইগাঁৱৰ থাৰমেল প্রজেক্টত ৭০০ মেগাৱাট কৰিব পৰা যায়। কিন্তু এইবাৰ ৫০০ মেগাৱাট উৎপাদন কৰা হৈছে। ২০১২ চনৰ ডিচেম্বৰত হোৱা আন্দোলনে ইয়াত ব্যাঘাত কৰিছে। তেওঁলোকে লিখিতভাৱে জনাইছে এন টি পি চিৰ পৰা। লোকেল বন্ধবিলাকে অসুবিধা দিছে। যোৱা বছৰটোৰ ভিতৰত ১০০ দিনে বন্ধ

আছিল। বৰোলেণ্ডত হোৱা গণ্ডগোলৰ কাৰণেও বন্ধ হৈছিলে। তাৰ পিছতে লেবাৰ বিলাক নোহোৱা কাৰণে কাম কৰিব পৰা নাছিল। বঙাইগাঁও থাৰমেল প্ৰজেক্টে ৮০ শতাংশ উৎপাদন কৰিছে। এটা ইউনিটে কাম কৰা নাই কাৰণে অসুবিধা হৈছে। আমি পাৱাৰ পাবৰ কাৰণে ত্ৰিপুৰাৰ লগত যৌথ বাবে কাম কৰিবলৈ ওলাইছো। ইতিমধ্যে ৪৫ কোটি টকা দিয়া হৈছে। এই প্ৰকল্পটোৰ পৰা ২৪০ মেগাৱাট শক্তি পোৱা হ'ব। ১২০ মেগাৱাট এপ্ৰিল মাহৰ ভিতৰতে পাম। সৰু সুৰা যিবিলাক প্ৰকল্প আছে সেই বিলাকত উৎপাদনৰ ক্ষেত্ৰত অসুবিধা হৈছে। আমাৰ বিশেষকৈ পাৱাৰ ছৰ্টেজ হোৱাৰ কাৰণ আমাৰ বৰ্তমান চাহিদা বেছি হৈছে। বৰ্তমান চাহিদ বৃদ্ধি হোৱাৰ কাৰণে আমাৰ যিখিনি অসুবিধা হৈছে সেই অসুবিধাখিনি দূৰ কৰিবলৈ আমি চেষ্টা কৰি আছো।

REPORT OF THE BUSINESS ADVISORY COMMITTEE

মাননীয় উপধ্যক্ষ ঃ কার্য্যসূচী নং-২। অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ৰ অধীনত অসম বিধানসভাৰ কার্য্য পৰিচালনা সমিতিৰ এখন বৈঠক যোৱা ১১ মার্চ, ২০১৩ তাৰিখে সদনৰ কার্য্যসূচী অন্ত পৰাৰ লগে লগে মোৰ কার্য্যালয়ৰ সন্মিলন কক্ষত অনুষ্ঠিত কৰা হয়। সমিতিয়ে সর্বসন্মতিক্ৰমে বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে সকলো দল, গোট আৰু নির্দলীয় সদস্যসকলক সময় আবণ্টন আৰু মঞ্জুৰীৰ বাবে দাবীসমূহৰ আলোচনাৰ অর্থে অগ্ৰাধিকাৰ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে।

বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে ধার্য্য কৰা সময় এনেধৰণৰঃ

মুঠ সময় -	৬ ঘণ্টা ১৮ মিনিট
প্রতিগৰাকী সদস্য/সদস্যাৰ বাবে ধার্য্য কৰা সময় -	৩ মিনিট
১। ভাৰতীয় জাতীয় কংগ্রেছ -	২৩.৭ মিনিট (মাননীয় মুখ্যমন্ত্রীৰ উত্তৰ সহ)
২। এ আই ইউ ডি এফ -	৫৪ মিনিট
৩। বি পি এফ -	৩৬ মিনিট
৪। অসম গণ পৰিষদ -	২৭ মিনিট
৫। ভাৰতীয় জনতা পার্টী -	১৫ মিনিট
৬। তৃণমূল কংগ্রেছ -	৩ মিনিট

বৈঠকত দাবী মঞ্জুৰীসমূহৰ ওপৰত বিশদভাৱে আলোচনাৰ পিছত সর্বসম্মতিক্রমে নিম্নোল্লেখিত দাবী মঞ্জুৰীসমূহ ভোটদানৰ বাবে অগ্রাধিকাৰ দিয়াৰ সিদ্ধান্ত গ্রহণ কৰা হয়।

ক্রমিক নং	মঞ্জুৰী নং	দাবীৰ নাম	অগ্রাধিকাৰ ভিত্তিত নির্ধাৰিত নং
১।	১৪	আৰক্ষী	১
২।	৬৩	জল সম্পদ	২
৩।	৪৮	কৃষি	৩
৪।	৬২	শক্তি (বিদ্যুৎ)	৪
৫।	২১	অতিথিশালা, চৰকাৰী আৱাসগৃহ ইত্যাদি	৫

৬।	৭৪	ক্রীড়া আৰু যুৱ কল্যাণ	৬
৭।	৫২	পশু পালন	৭
৮।	৭১	শিক্ষা (প্রাথমিক, মাধ্যমিক আদি)	৮

ওপৰোক্ত অগ্রাধিকাৰ দিয়া দাবীসমূহৰ ভোট দান সম্পর্কত হোৱা আলোচনাৰ অন্তত যদি সময় থাকে, বাকী থকা দাবীসমূহ একাধিক্রমে ভোটদানৰ বাবে আলোচনা কৰিবলৈ সমিতিয়ে সন্মতি জনায়।

আশা কৰো মাননীয় সদনৰ এই প্রতিবেদনত অনুমোদন আছে।

CALL ATTENTION NOTICE

মাননীয় অধ্যক্ষ ঃ আইটেম নং-৩। এতিয়া শ্রীকেশৱ মহন্তই অসম বিধানসভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০১৩ চনৰ ৪ মার্চ তাৰিখৰ "অসমীয়া খৱৰ" কাকতত প্রকাশিত "বি এড কলেজ প্রাদেশিকীকৰণৰ দাবী বি এড কলেজ শিক্ষক সংস্কাৰ" শীর্ষক বাতৰিটোৰ প্রতি শিক্ষা বিভাগৰ মন্ত্রীৰ মনোযোগ আকর্ষণ কৰিব।

* **শ্রীকেশৱ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই বিষয়টো আলোচনা কৰিবলৈ দিয়াৰ বাবে মই ধন্যবাদ জনাইছো। আজি বি এড কলেজবিলাকৰ উন্নতি কৰাৰ কাৰণে বিভাগে ভালেমানখিনি ব্যৱস্থা হাতত লৈছে। কিন্তু উপযুক্ত মানৱসম্পদ উন্নয়নৰ কাৰণে প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ প্রয়োজন হ'ব। প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ কাৰণে প্রশিক্ষণ কেন্দ্র আৰু অসমত বি এড মহাবিদ্যালয়ৰ প্রয়োজন আছে। এই কতাটো আমি সকলোৱে জানো আৰু ইয়াক নুই কৰিব নোৱাৰি। বি এড কলেজলৈ চাকৰি কৰিবলৈ

* Speech not corrected

অহা শিক্ষকৰ সংখ্যা খুব কম। এতিয়া অসমত ১০ খন বি এড কলেজ আছে। বহুতো প্ৰাইভেট কলেজ আছে। এই ১০ খন কলেজে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এফিলিয়েচন পাইছে আৰু অসম চৰকাৰৰ পৰা 'কংকাৰেঞ্চ' পাইছে। ইয়াৰ ভিতৰত ৭ খন বি এড কলেজে বিশ্ব বিদ্যালয়ৰ পৰা এফিলিয়েচন পাইছে আৰু এন চি ই আৰ টিৰ পৰা কংকাৰেঞ্চ পাইছে। তেওঁলোকৰ যিটো বিত্তীয় অৱস্থা সেইবিলাকৰ ভিতৰত যিবিলাকৰ অৱস্থা অনুন্নত সেইবিলাকক এন চি ই আৰ টিয়ে টকা পইচা দিয়াৰ কথা খুব সমস্যা হৈছে। সেই কাৰণে যিটো ব্যৱস্থা ল'ব লগা হৈছে সেইটো সোনকালে লোৱাৰ ব্যৱস্থা কৰিব বুলি আশা কৰিলো। বি এড কলেজবিলাক গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে পৰিচালনা কৰে। এতিয়া এইটো ইলেমেণ্টেৰী এডুকেচনৰ অধীনত আছে। গতিকে যিবিলাক ৰিজাল্ট দিয়ে সেয়া বিশ্ববিদ্যালয়ে দিয়ে। এইবিলাক কলেজসমূহৰ অধীনলৈ আনিব লাগে। আৰু চৰকাৰী বিত্তীয় সাহায্য দিয়াৰ ব্যৱস্থা ল'ব লাগে। বি এড কলেজসমূহক ইউ জি চিয়ে বিত্তীয় সাহায্য দিয়াৰ কাম আৰম্ভ কৰিছে। গতিকে চৰকাৰৰ ফালৰ পৰা সঁহাৰী পালে তেওঁলোকে পইচা দিব। এইখিনি কাম কৰিব বুলি মই আশা কৰিলো।

* **ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰীকেশৱ মহন্ত ডাঙৰীয়াই বি এড কলেজ শিক্ষকৰ বিষয়ে এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন দাঙি ধৰিছে। তাত মোৰ কোনো দ্বিমত নাই। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ দৰে আমাৰ ৰাজ্যখনতো বি এডত গুৰুত্ব দিছে। এইবাৰ আমি প্ৰাথমিক বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয় আদিত আমি গুৰুত্ব দিছো। অধিশোচনা মতে অতিৰিক্ত বি এড ডিগ্ৰীধাৰীসকলক আমি অগ্ৰাধিকাৰ দিছো। অসম চৰকাৰে ৰুলছ্খন সংশোধন কৰিছে ২০১৫ চনৰ ১

* Speech not corrected

জানুৱাৰীৰ পৰা যে শিক্ষকসকলক স্তৰত বি এড লাগিব। এই আইনখন এই কাৰণে কৰা হৈছে যদি এজন জেনেৰেল কেনডিডেট আৰু আনজন বি এড কেনডিডেটে এনেকুৱা দুজন কেনডিডেট থাকে তেতিয়া বি এড কেনডিডেটজনক অগ্ৰাধিকাৰ দিব লাগিব। উচ্চ ন্যায়ালয়ে বিষয়টো গুৰুত্ব দি বি এডৰ ওপৰত ৰায় দান কৰি আহিছে। যিবিলাক স্কুলত ফীজ সংগ্ৰহ কৰা নহয় সেই স্কুলবিলাক প্ৰাদেশীকৰণ কৰা হৈছে আৰু যিবিলাক স্কুলত ফীজ সংগ্ৰহ কৰা হয় সেই স্কুলবিলাক প্ৰাদেশিকৰণ কৰা হোৱা নাই যেনে ডনবস্ক আদি স্কুলৰ দৰে বিভিন্ন স্কুল দেখা পোৱা যায়। সেইবিলাক প্ৰাইভেট স্কুল তেওঁলোকে মাচুল আদায় কৰে। প্ৰাফেচনেলি যিবিলাক বিদ্যালয় চলায় সেইবিলাক আওতাত নপৰে। অসমৰ বাহিৰৰ পৰা ছাত্ৰ-ছাত্ৰীসকল আহি যথেষ্ট ফীজ দি পঢ়ে। সেয়ে আমি ভাবিছো অসমৰ প্ৰতিখন জিলাত এখন হ'লেও কলেজ হোৱাৰ প্ৰয়োজনীয়তা আছে।

মাননীয় অধ্যক্ষ মহোদয়, আমি দুটা সিদ্ধান্ত লৈছো, ১। প্ৰাদেশিকীকৰণৰ ক্ষেত্ৰত একজিচটিং ৪২ খন বিদ্যালয়ৰ ভিথৰত কোনোবাখন পৰে নেকি? নমিনেল মাচুলৰ ভিত্তিত তেনেকুৱা কিবা আছে নেকি? যদি আছে, সেইবিলাকক প্ৰাদেশিকৰণৰ আওতালৈ আনিব পাৰি। যদি নাই, আমি দিব নোৱাৰো। প্ৰতিখন জিলাতে চৰকাৰী বি এড কলেজ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। মাননীয় সদস্য মহন্ত ডাঙৰীয়াই কৈছে ১০ খন বি এড কলেজ চলি আছে। ২০১৫ চনৰ ভিতৰত কৰিব পাৰিলে ভাল হয়। চৰকাৰৰ ফালৰ পৰা ঐক্যমতত আহিব পৰা হোৱা নাই। খুব সোনকালে চৰকাৰে সুস্পষ্ট নীতি এটা প্ৰকাশ কৰিব পাৰিলে ভাল হয়। এতিয়াও ঐক্যমতত আহিব পৰা নাই যেতিয়া আহিব আমি সদনত নিশ্চয় অৱগত কৰিম।

MATTER UNDER RULE 301

মাননীয় অধ্যক্ষ ঃ আইটেম নং ৪। শ্রীঅঞ্জন দত্তই অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ২০১৩ চনৰ ৪ মাৰ্চ তাৰিখৰ "দি আসাম ট্ৰিবিউন" কাকতত প্ৰকাশিত "পুলিচ একাউণ্টেবিলিটি পেনেলচ ৰেকমেনডেচনচ ইগিনৰড" শীৰ্ষক বাতৰিটো উত্থাপনৰ জৰিয়তে গৃহ বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব।

*** শ্রীঅঞ্জয় দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৩ চনৰ ৪ মাৰ্চ তাৰিখৰ "দি আসাম ট্ৰিবিউন" বাতৰি কাকতত প্ৰকাশিত "পুলিচ একাউণ্টেবিলিটি পেনেলচ ৰিকমেনডেচনচ ইগনৰড" শীৰ্ষক বাতৰিটো মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমি সংবাদ মাধ্যমৰ জৰিয়তে দেখা পাইছো, পুলিচে গাড়ী ৰখাই টকা লয়। সমগ্ৰ ৰাইজে এই দৃশ্যটো দেখা পাইছে। আমি যিবোৰ দেখিছো এইবোৰ ভুৱা নেকি? আজিকালি টিভি চেনেলত এইবোৰ দেখুৱাই থাকে। এইবোৰ অসত্য নেকি? থানাত অভিযোগ দিলে থানাৰ অ চিয়ে কিবা একচন লয় নেকি? কাৰোবাৰ দৃষ্টিগোচৰ হ'ব পাৰে কিন্তু আমি নাজানো। ছাৰ, কালি সদনত ভুল তথ্য দিছে যদিও সেই সম্পৰ্কত মই নাজনো। ১৯৯১ চনত মই যেতিয়া বিধানসভাৰ সদস্য আচিলো, মই মন কৰিছো তেতিয়াৰ পৰা আজিলৈকে এনে বিষয়া আছে একে ঠাইতে কাম কৰিয়ে আছে। নিয়ম আছে যে ৩ বছৰ পূৰা হ'লে ট্ৰেন্সফাৰ কৰিব লাগে। ট্ৰেন্সফাৰ হোৱাৰ ৩ মাহৰ পাছতে পুনৰ আগৰ ঠাইলৈ ঘূৰি আহিছে। তেওঁলাকে দক্ষ পুলিচ বিষয়া নেকি? আন কোনো দক্ষ পুলিচ বিষয়া নাই নেকি? আমাৰ সন্দেহ হৈছে। এখন থানাত অ চি পাবৰ কাৰণে

* Speech not corrected

আগতে ৫০ লাখ টকা দিছিল, এতিয়া ২ লাখ টকা দিবলৈ কুণ্ঠাবোধ নকৰে। অসমৰ ৰাইজ সংঘবদ্ধ হোৱা প্ৰয়োজন। পুলিচ কৰ্তৃপক্ষকো কৈছো, মাননীয় সদস্যসকলকো অনুৰোধ কৰিছো। বিষয়াৰ ওপৰত শাস্তিমূলক ব্যৱস্থা ল'ব লাগে। ২০১০-২০১২ চনত যিবিলাক আৰক্ষী বিষয়াৰ বিৰুদ্ধে গোচৰ আহিছে, যিসকল দোষী, সেইসকলৰ বিৰুদ্ধে ব্যৱস্থা ল'ব লাগে। ৪০ জন পুলিচ বিষয়াৰ বিৰুদ্ধে তদন্ত কৰিবলৈ নিৰ্দেশ দিছিল, তেতিয়া কিমানক অৱনমিত কৰিছিল। ৫টা গোচৰ ৰুজু কৰা হৈছিল, বহুত কেইজনৰ ওপৰত ব্যৱস্থা ল'ব লাগিছিল। ২০০৮ চনত জ্যেষ্ঠ আৰক্ষী বিষয়া এডিচনেল এছ পি, ডি এছ পিৰ ওপৰতো অভিযোগ আছিল। চান্দমাৰী থানাৰ বিষয়াসকলৰ ওপৰত আছিল কিন্তু কোনেও নামানে। জানিব পৰা মতে এজন বিষয়াৰ অভিযোগ পোৱাত তেওঁক জেলত পঠোৱা বুলি কৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই সকলো বিষয়াৰ কথা কোৱা নাই। আজিও এনেকুৱা হোৱা বুলি শুনা গৈছে যে কোনো মন্ত্রীয়ে ভ্ৰমণলৈ যাওঁতে ৰাস্তাত বা ব'ৰ্ডাৰত সংঘৰ্ষ হওঁতে পুলিচে আগতে গাড়ীৰ পৰা জপিয়াই লুকাই দিয়ে। কথাটো এনেকুৱা হৈছে যে মৰে যদি মন্ত্রী মৰক। এনেকুৱা বিভিন্ন অভিযোগ আহিছে। আজি পুলিচৰ ওপৰত ইমানবোৰ অভিযোগ থকাৰ পাছতো কিন্তু অভিযুক্ত পুলিচ বিষয়াসকলকহে পুৰস্কৃত কৰা হৈছে। গতিকে এনেকুৱা ধৰণৰ অভিযোগবোৰ আমি আজি মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো আৰু লগতে পুলিচ কমিচনত বিষয়াৰ সংখ্যা বঢ়াই দিয়াৰ বাবে অনুৰোধ জনালা। ২০০৮-০৯ৰ পৰা ২০১১-১২ লৈকে পুলিচ কমিচনে যিবিলাক ৰিপোৰ্ট দাখিল কৰিছে তাৰ ওপৰত চৰকাৰে একো ব্যৱস্থা লোৱা নাই। অধ্যক্ষ মহোদয়, ২০১১ চনত গুৱাহাটীৰ মাটিৰ কেচ

এটাত এজন এছ এছ পি আৰু এজন এডিচনেল এছ পিৰ ওপৰত অভিযোগ উত্থাপিত হৈছিল। কিন্তু সেই বিষয়া কেইজনৰ ওপৰত অভিযোগ থকা সত্ত্বেও তেওঁলোকক ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ দিয়া হ'ল। ৰাজ্যখনত ইমান দক্ষ বিষয়া থকা সত্ত্বেও কিয় এই অভিযুক্ত পুলিচ বিষয়াক পুৰস্কৃত কৰা হ'ল। এনেকুৱা দৃষ্টান্ত অসমত বহুত আছে। সেই কাৰণে আজি আয়োগে যি সমৰ্থন পাব লাগিছিল সেইখিনি পোৱা নাই। এই সকলোবোৰ কথা আজি আমাৰ অতি পুৰণি বাতৰি কাকত "আসাম ট্ৰিবিউন" কাকতত প্ৰকাশ পাইছে। তেওঁলোকে কোনো নাম প্ৰকাশ কৰা নাই ময়ো কাৰো নাম প্ৰকাশ কৰা নাই। কিন্তু কথাটো সকলোৱে জানে। অধ্যক্ষ মহোদয়, মই এইটো কোৱা নাই যে পুলিচ বিভাগত দক্ষ বিষয়া কৰ্মচাৰী নাই। দক্ষ বিষয়া কৰ্মচাৰী আছে। এই দক্ষ বিষয়া কৰ্মচাৰীসকলে নিজৰ জীৱন ত্যাগ কৰিও কিন্তু কোনো স্বীকৃতি নাপায়। তেওঁলোকৰ কোনো সুযোগ নাই। আজি থানাৰ পৰা ৰাতি কোনে ওলাই যায়। এছ আই, এ এছ আই, কনিষ্টবলে ৰাতি কেচ ধৰাৰ বাবে ওলাই যায়। আজি ইমান বছৰে কি হৈ আছে সেইবোৰ কথা আপুনিও জানে আৰু আমিও গম পাই আছোঁ। মই কৰো সমালোচনা কৰিব বিচৰা নাই। কিন্তু এটা লিমিট থাকিব লাগে যাতে একো নহ'লেও শতকৰা ২০ শতাংশ ভাল হয়। শেষত কমিচনে যিবিলাক ৰিকমেণ্ডেচন দিছে সেইবোৰ যাতে চৰকাৰে অতি সোনকালে কাৰ্য্যকৰী কৰে তাৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **শ্ৰীৰকিবুল হুছেইন (পৰিৱেশ ও বন মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅঞ্জন দত্ত ডাঙৰীয়াই সদনৰ ৩০১ নং নিয়মৰ ব্যৱস্থাৰ যোগেদি আজি এটা অতি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে আৰু এই বিষয়ে মই বিভাগৰ তথ্যখিনি সদনত দাঙি ধৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়,

* Speech not corrected

তেখেতে আজি পুলিচ এক্কউণ্টেবিলিট কমিচনৰ কথাটো উত্থাপন কৰিছে। কিন্তু এইটো কেতিয়াৰ পৰা আৰম্ভ হৈছে। মাননীয় সদস্য, অঞ্জন দত্ত ডাঙৰীয়াই কোৱাৰ দৰে পুলিচক অভিযোগ দিলেও পুলিচে এজাহাৰ গ্ৰহণ নকৰে, বৰঞ্চ অভিযোগকাৰীক থানাত বুহত সময় ধৰি বহাৰ ৰাখে, পুলিচে যি ধৰণে কাম কৰিব লাগে সেই ধৰণে কাম নকৰে ইত্যাদি কথাবোৰ যেতিয়া গোটেই ভাৰতবৰ্ষতে আলোচনা-বিলোচনা হৈছিল তেতিয়া মাননীয় উচ্চতম ন্যায়ালয়ে প্ৰকৃত ৰাজ্যতে ষ্টেট পুলিচ একাউণ্টেবিলিটি কমিচ কৰাৰ বাবে নিৰ্দেশ দিছিল। সেই মৰ্মে ২০০৭ চনত এই বিষয়ে চৰকাৰে এখন বিল আনিছিল আৰু সেইখন সদনত সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰা হৈছিল। এই আইনখন যদি কোনোবাই নামানে তেতিয়াহ'লে তাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হ'ব। ছিভিল কোৰ্টে যেনেকৈ চমন দি মাতি আনিব পাৰে, শোধ-পোচ কৰিব পাৰে, এই কমিচনৰো সেইখিনি ক্ষমতা আছে। যিহেতু এইখন ষ্টেটেটুৰাৰী বডি, গতিকে বিভাগে এই কথাখিনি মানিবলৈ বাধ্য। মাননীয় সদস্যজনে এখন ৰাতৰি কাকতৰ উদ্ধৃতি দি কথাখিনি কৈছে। আমি গোটেইখিনি কথা চালি-জাৰি চাইছো। এচ এছ পিৰ ক্ষেত্ৰত যি ধৰণে ব্যৱস্থা লোৱাৰ কথা কৈছে ইয়াত তেনে ধৰণে নাই। গতিকে এই ক্ষেত্ৰত মাননীয় সদস্যগৰাকীৰ ক্ষেত্ৰত যদি আইন উলংঘা কৰাৰ কিবা তথ্য থাকে সেইখিনি আমাক জনালে আমি ব্যৱস্থা ল'ম। ধেমাজিৰ কেচটোৰ ক্ষেত্ৰত ছহিদুল ইছলাম আৰু ললিত বুঢাগোহাঁইক ট্ৰেন্সফাৰ কৰা হৈছে। বাকী যিখিনি কথা মাননীয় সদস্যজনে কৈছে সেইখিনি আমাৰ দৃষ্টিগোচৰ হৈছে আৰু যিখিনি আইনৰ লগত জড়িত সেইখিনি আমি চালি-জাৰি চাই আৰু যদি কিবা ব্যৱস্থা ল'বলগীয়া আছে আমি ব্যৱস্থা ল'ব।

GENERAL DISCUSSION ON THE BUDGET

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং-৫। বাজেটৰ ওপৰত সাধাৰণ আলোচনা। মই মাননীয় সদস্য, শ্রীমেস্বৰ গগৈ ডাঙৰীয়াক ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালোঁ।

শ্রীমেস্বৰ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা ১১/৩/২০১৩ তাৰিখত আমাৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই বিধানসভাত দাখিল কৰা সাধাৰণ বাজেটৰ ওপৰত কেইটামান কথা ক'বলৈ বিচাৰিছোঁ। যোৱাকালি অসমৰ প্রায়বোৰ মিড়িয়াৰ মাধ্যমত ইয়াক দেখুৱাইছে আৰু ইয়াৰ পেৰত বক্তব্য ৰাখিছে এইবোৰ দোখ এনেকুৱা লাগিছে যেন বাজেটখনত একোৱেই নাই। আমাৰ কথা হ'ল আমি যদি কিবা এটা বস্তু ভালকৈ চাবলৈ যাও তেতিয়া হ'লে আমি কোনখন চছমাৰে চাম। বগা চছমাৰে চালে বগা দেখিম, ৰঙা চছমাৰে চালে ৰঙা দেখিম আৰু নীলা চছমাৰে চালে নীলা দেখিম। এতিয়া আমি কোনখন চছমাৰে চাব খুজিছোঁ। ৰাইজৰ কাৰণে অসমত বসবাস কৰি থকামানুহৰ কাৰণে যেন ইয়াত একো কথা নাই। কিছুমান কথা শুনি এনেকুৱা লাগে যে ইয়াত একোৱেই নাই নেকি? মাননীয় অধ্যক্ষ মহোদয়, ইয়াত বাজেটত দেখা গৈছে যে আমাৰ স্বাস্থ্য খণ্ডত যোৰহাটত এখন মেডিকেল কলেজ স্থাপন কৰা হ'ল। এই মেডিকেল কলেজ স্থাপন কৰাৰ আগতে মই গুৱাহাটী মেডিকেল কলেজলৈ গৈছিলোঁ। তাত মেডিচিন বিভাগৰ ডাক্তৰ এজনে মোক এটা কথা ক'লে যে অসমৰ প্রত্যেকখন জিলাতে একোখনকৈ মেডিকেল কলেজ হোৱা উচিত আছিল। গুৱাহাটী মেডিকেল কলেজত ৫০০শ ৰোগী ৰাখিব লাগে। এতিয়া আমি ৰাখিছোঁ ১৫০০শ ৰোগী চাব লাগে তেন্তে

কেনেকৈ চিকিৎসা কৰিম। অৰ পাছত কলেজলৈ আহি পাঠদান কৰাৰ বাবে কেনেকৈ শক্তি থাকিব। বহুত দিন তিনিখন মেডিকেল কলেজ আছিল, তাৰ পিছত মুখ্যমন্ত্রী মহোদয়ে আৰু তিখিন আৰম্ভ কৰিলে। এখন কেঞ্চাৰ অনুষ্ঠান হস্পিতাল কৰিব খুজিছে। আমাৰ যোৰহাটত দেখিছো ৰুমৰ অভাৱত খাটিয়া বা বাৰাণ্ডাতে ৰোগী ৰখাৰ ব্যৱস্থা কৰা হৈছে। তাৰ মানে ৰুম আৰু লাগে। সকলো মেডিকেল কলেজতে এইটো হৈছে। গতিকে মেডিকেল কলেজৰ বাবে টকাটো বঢ়াব লাগে। আৰু দিয়াৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মই যোৰহাটৰ কথা কৈছো। যিবিলাক যোৰহাট বা ইয়াৰ ওচৰৰ অঞ্চলৰ ৰোগী তেওঁলোকে যোৰহাট মেডিকেললৈ নাহি ডিব্রুগড় বা গুৱাহাটীলৈ নাহে। বা আহিব নোৱাৰে। আমাৰ দৰিদ্রতাৰ সীমাৰেখাৰ তলত থকা ৰাজিক সহায় কৰাটো চৰকাৰৰ দায়িত্ব। সেইটো ৰাজিৰ কাৰণে উপকাৰ হৈছে নেকি। ইয়াৰ পিছত বাজেটত দেখা গৈছে আমাৰ চৰকাৰে বিভিন্ন ক্ষেত্রতত্বুদান দিছে। মই প্রথমতেই ক'বলৈ ওলাইছো গুৱাহাটীত মেট্র ৰেলৰ কথাটো। এই বিধানসভাতে মই দুবাৰো এই কথাটো উঠাইছিলো। মই যেতিয়া গুৱাহাটী ইঞ্জিনীয়াৰিং কলেজত পঢ়িছিলো সেই সময়ৰ গুৱাহাটী আৰু আজিৰ গুৱাহাটীৰ বহু পার্থক্য আছে। গতিকে মেট্র ৰেলৰ ব্যৱস্থাটো সোনকালে হ'লে ভাল হয়। গুৱাহাটী নগৰ পয় প্রণালীৰ কাৰণে ১৪০০শ কোটি টকা বিচাৰিছে। এইটোৰ কাৰণে অনেক বাক-বিতণ্ডাও হৈছে। যদি ববষুণ আহে তেতিয়া আমাৰ গুৱাহাটী তেনেই উটি-ভাহি যায়। আজি এই ব্যৱস্থা উন্নতি আমাৰ চৰকাৰে ঘটাব খুজিছে। যিবিলাক স্কুল আৰু কলেজৰ ঘৰ ৫০ বছৰ পুৰণি হৈছে সেইবিলাক পুনৰ নির্মাণ কৰাৰ কথা কোৱা হৈছে। এইবিলাক কাম কোনে কৰিব? এইবিলাক

